# অন্বেষণ

দ্বাদশ বছৰ ■ সপ্তম সংখ্যা ■ আগষ্ট, ২০২৫

## উত্তৰ-পূব ভাৰতৰ সাম্প্ৰতিক অনাবৃষ্টি

## ম'বাইল আসক্তি : এক ভয়ানক বিপদ






## শীতল পানীয়

## য়াৰলু:- চা:পো নদীবান্ধ



Devil's Bridge




Sea Gypsies




হয়গ্ৰীৱ-মাধৱ মন্দিৰ




বাৰ্মুডা ত্ৰিভুজ



William Golding



শুভাংশু শুক্লা

# অন্বেষণ

**দ্বাদশ বছৰ, সপ্তম সংখ্যা, আগষ্ট, ২০২৫ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **ম'বাইল আসক্তি : এক ভয়ানক বিপদ**
■ অভিজিত শৰ্মা বৰুৱা
৫ **আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ উহ বিচাৰি**
■ মানসজ্যোতি শইকীয়া
৭ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী
১০ **স্বাস্থ্যৰ বাবে মাৰাত্মক ক্ষতিকাৰক শীতল পানীয়**
■ জুৰি গোস্বামী
১২ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী
১৩ **ভাৰতৰ বিভিন্ন ভাষা**
■ হিমাদ্ৰী বৰা
১৪ **কপিলদেৰ**
■ ভাস্কৰজ্যোতি হালৈ
১৬ **মৰু আৰু সমুদ্ৰৰ দেশত**
■ মৈত্ৰেয় আহোম
১৭ **খাদ্যৰ বিষক্ৰিয়া**
■ জ্ঞান কলিতা
১৮ **মৃত্যু**
■ প্ৰজ্ঞান শইকীয়া
১৮ **কৰিতা**
■ অভিনৱ বৰুৱা
১৮ **সংকল্প**
■ প্ৰদ্যুম্ন ডেকা
১৯ **হয়গ্ৰীৱ-মাধৱ মন্দিৰ**
■ নেহাস্মিতা বায়ন
২০ **অকণিৰ ভূপেন মামা**
■ ধান্যাতা তামুলী
২১ **অভিমান**
■ অয়ন হালৈ
২২ **Did You Know**
■ Binoy Bikash Gogoi
২৩ **Stories from World Classics**
■ Pallavi Dutta
২৪ **কুইজ**
■ দীপাংকৰ কৌশিক
২৫ **ভাৰতৰ বৈদেশিক নীতি**
■ মানসী বৰুৱা
২৮ **ময়ূৰ**
■ বনানী ডেকা
২৯ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**
৩৫ **চুড'কু**
৩৬ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন
৩৭ **উত্তৰ-পূব ভাৰতৰ সাম্প্ৰতিক অনাবৃষ্টি**
■ প্ৰকাশ দত্ত
৩৯ **য়াৰলুং-চাংপো নদীবান্ধ**
■ ডিম্পল তালুকদাৰ

*বেটুপাতৰ শীতল পানীয় আৰু ম'বাইল আসক্তি সম্পৰ্কীয় আলোক চিত্ৰ দুখন ক্ৰমে shutterstock আৰু vectorstock ৰ পৰা সংগ্ৰহ কৰা হৈছে।*

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইন্টাৰনেট)
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# ম'বাইল আসক্তি : এক ভয়ানক বিপদ

■ অভিজিত শৰ্মা বৰুৱা



ভ্ৰাম্যভাষ বা ম'বাইল ফোনৰ ব্যৱহাৰ আৰম্ভ হোৱাৰ পাছতেই ই দ্ৰুতগতিত আধুনিক সংস্কৃতিৰ অংগস্বৰূপ হৈ পৰিছে। ম'বাইল ফোন প্ৰথমে আমাৰ 'লেণ্ডলাইন' ফোনৰ পৰিৱৰ্ত হিচাপেহে ব্যৱহাৰ কৰা হৈছিল যদিও এতিয়া মেছেজ দিয়া, ই-মেইল পঠিওৱা আৰু গ্ৰহণ কৰা, ভিডিঅ'-ফটো আদি তৈয়াৰ কৰি আপল'ড কৰা-ডাউনল'ড কৰা, বেংকিঙৰ কাম কৰা, বিল বা মূল্য পৰিশোধ কৰা, ফেচবুক-টুইটাৰ আদি সামাজিক মাধ্যমত মত বিনিময় কৰা, চলচ্চিত্ৰ-ধাৰাবাহিক চোৱা, বিশ্বৰ বিভিন্ন ঘটনা প্ৰত্যক্ষ কৰা আদি ইমান বিভিন্ন কামত ব্যৱহাৰ কৰা হয় যে কেইবছৰমান আগলৈকে এটা সৰু সঁজুলিৰ সহায়ত ইমানবোৰ কাম কৰাৰ কথা মানুহে ভাবিবই পৰা নাছিল। এতিয়া ম'বাইল ফোন নোহোৱাকৈ অলপ সময়ো থকাটো মানুহৰ বাবে প্ৰায় অসম্ভৱ যেন হৈ পৰিছে। কেইঘণ্টামানৰ বাবে ম'বাইল ফোনত ইণ্টাৰনেট সংযোগ নাথাকিলে মানুহৰতো হাহাকাৰ লাগি যায়। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে ম'বাইল আসক্তি মানুহৰ মাজত ইমান বিপদজনকভাৱে বাঢ়ি গৈছে যে তাৰ তুলনাত বৰ্ধিত ড্ৰাগছ আসক্তি আদিও পিছ পৰি ৰৈছে।

**ম'বাইল আসক্তি—কি আৰু কেনেকৈ ?**

এতিয়া বেছিভাগ ম'বাইল ফোনেই হ'ল স্মাৰ্টফোন। স্মাৰ্টফোন হ'ল এক বিশেষ প্ৰকাৰৰ ম'বাইল ফোন, য'ত এটা সৰু কম্পিউটাৰত থকাৰ নিচিনা ছফটৱেৰ থাকে আৰু যি ইণ্টাৰনেটৰ লগত সংযোজিত হ'ব পাৰে। স্মাৰ্টফোনে হাতৰ মুঠিতে তথ্যসমূহ পাব পৰাকৈ জীৱনটো সহজ কৰি তুলিছে। কিন্তু আমি ইয়াৰ বিনিময়ত যথেষ্ট মূল্যও ভৰিবলগীয়া হৈছে। ম'বাইল ফোন নিৰ্মাতা প্ৰতিষ্ঠানবোৰে ম'বাইল ফোনসমূহ দেখাই-শুনাই, ৰঙে-চঙে বেছ আকৰ্ষণীয়কৈ আৰু ভাল-বেয়া অলেখ সুবিধা লাভ কৰিব পৰাকৈ নিৰ্মাণ কৰে। ইয়াক ডিজাইন কৰা লোকসকলে উদ্দেশ্যপূৰ্ণভাৱে ব্যৱহাৰকাৰীসকলক ম'বাইল ফোনতে ব্যস্ত ৰাখিব খোজে। সেইবাবে ইয়াৰ আকৰ্ষণ দিনকদিনে বাঢ়ি আহিছে। ম'বাইল ফোন ব্যৱহাৰকাৰীসকলে ম'বাইল ফোনৰ লগত ব্যস্ত থকাৰ সময় ৪-৫ ঘণ্টা পৰ্য্যন্ত হ'লে, ইয়াৰ ব্যৱহাৰ 'আসক্তি'ৰ পৰ্য্যায়লৈ যায়গৈ। প্ৰকৃততে আমি যেতিয়া ইচ্ছা কৰিও কোনো বস্তুৰ প্ৰতি আকৰ্ষণ নিজৰ নিয়ন্ত্ৰণত ৰাখিব নোৱাৰোঁ, তেতিয়া ই আসক্তিত পৰিণত হয়। ছ'চিয়েল মিডিয়া বা সামাজিক মাধ্যমসমূহৰ বৰ্ধিত ব্যৱহাৰ আৰু জনপ্ৰিয়তাই ম'বাইল আসক্তি অধিক বঢ়াই তুলিছে আৰু লগতে কিছুমান নিৰ্দিষ্ট আসক্তি, যেনে—টিক-টক আসক্তি, ফেচবুক আসক্তি, স্নেপশ্বট আসক্তি, ৰিলছ আসক্তি আদিৰো সৃষ্টি কৰিছে। একেদৰে বিভিন্ন ম'বাইল গেম, বাজি (betting) আদিয়েও বিশেষকৈ কম বয়সীয়া ম'বাইল ব্যৱহাৰকাৰীসকলক আসক্তিত ডুবাব ধৰিছে।

ম'বাইল আসক্তিৰ লগত 'নম'ফোবিয়া' (nomophobia) নামৰ এক লক্ষণো সম্পৰ্কিত হৈ আছে। নম'ফোবিয়া হ'ল কোনো ম'বাইল স্মাৰ্টফোন নোহোৱাকৈ থাকিবলগীয়া হোৱাৰ ফোবিয়া বা ভয়। ২০২৪ চনৰ এক তথ্য অনুসৰি পৃথিৱীৰ প্ৰায় ৬৮ কোটি

লোকে স্মাৰ্টফোন ব্যৱহাৰ কৰে আৰু তাৰে ৬.৩ শতাংশ লোক এই লক্ষণত ভোগে। এই অধ্যয়ন সম্পন্ন কৰা 'ভাৰ্জিন ম'বাইলে' সদৰী কৰা মতে এই কোটি কোটি সংখ্যক লোকে এক দশকৰ আগতে যিমান 'নটিফিকেছন' আৰু 'মেছেজ' পাইছিল, এতিয়া তাৰ ৪২৭ শতাংশ পৰ্য্যন্ত 'নটিফিকেছন' আৰু 'মেছেজ' লাভ কৰে।

কোনো লোক যদি ম'বাইল আসক্তিত ভোগে, তেওঁলোকৰ দেহ-মনত বিশেষ কিছু লক্ষণ দেখা যায়। সেইবোৰ হ'ল—মানসিক উদ্বেগ, অনবৰতে ভাগৰ লগা, চিন্তাক্লিষ্টতা, অস্থিৰতা, নিয়ন্ত্ৰণহীনতা, উৎপাদনশীলতাৰ অভাৱ, নিম্ন আত্মসন্মান, হতাশা, আন যিকোনো ক্ষেত্ৰতে আমনি, ব্যক্তিত্বৰ পৰিবৰ্তন আদি। ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ চিন্তাৰ কথা হ'ল যে এনে আসক্তিয়ে তেওঁলোকৰ পঢ়া-শুনাৰ প্ৰতি মনোযোগ দ্ৰুতগতিত কমাই আনে। ম'বাইল আসক্তিত ভোগা ছাত্ৰ-ছাত্ৰীসকলৰ আন যিয়েই নহওক, বিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল যে বেয়া হ'ব, সেইটো খাটাং।

**ম'বাইল ফোনৰ পৰা হ'ব পৰা আন বিপদ**

ম'বাইল ফোন ব্যৱহাৰৰ পৰা হ'ব পৰা আন বিপদ সংক্ৰান্ততো ন ন খবৰ আহিয়েই আছে। কিছুদিনৰ আগতে প্ৰকাশ পাইছিল যে ম'বাইল ফোনে কিছুমান কেন্সাৰ ৰোগ সৃষ্টি কৰিব পাৰে। 'ইণ্টাৰনেছনেল এজেন্সী ফৰ ৰিছাৰ্চ অন কেন্সাৰ' (International Agency for Research on Cancer) নামৰ এক গৱেষণা প্ৰতিষ্ঠানে ফ্ৰান্সৰ লিয়নত অনুষ্ঠিত কৰা এক আন্তৰ্জাতিক সন্মিলনত এই কথা প্ৰকাশ পাইছিল যে ম'বাইল ফোনছেটত ব্যৱহাৰ কৰা উচ্চ কম্পনাংকৰ বিদ্যুৎচুম্বকীয় তৰংগই মানুহৰ দেহত, মানে মূলতঃ মগজুত, কেন্সাৰ ৰোগৰ সম্ভাৱনাৰ সৃষ্টি কৰে। ম'বাইল ফোন কোম্পানীবোৰে স্বাভাৱিক কাৰণতে এই তথ্য অশুদ্ধ বুলি কৈছিল যদিও এয়া প্ৰায় স্পষ্ট হৈ পৰিছিল যে ম'বাইল ফোনৰ পৰা হোৱা যথেষ্ট শক্তিশালী বিকিৰণে শৰীৰৰ মস্তিষ্ক, হৃদযন্ত্ৰ আদি গুৰুত্বপূৰ্ণ অংগত অনাকাংক্ষিত প্ৰভাৱ পেলাব পাৰে। এই সম্পৰ্কত গৱেষণা কৰা গৱেষক দলটোৱে ম'বাইল ফোনৰ পৰা হোৱা বিকিৰণক 'গ্ৰুপ-২ বি কাৰ্চিন'জেনিক এজেণ্ট' হিচাপে চিনাক্ত কৰিছিল আৰু গ্লিঅ'মা নামৰ মগজুৰ কেন্সাৰ ৰোগৰ লগত এই বিকিৰণৰ বিশেষ সম্পৰ্ক থকাৰ কথা কৈছিল। এই 'গ্ৰুপ-২ বি'ৰ সদস্য সংখ্যা প্ৰায় ২৬৬। তাৰ ভিতৰত আছে—কাৰ্বন টেট্ৰাক্লৰ'ৰাইড, ক্ল'ৰ'ফৰ্ম, লেড, একেবাৰে নিম্ন কম্পনাংকৰ চুম্বকীয় ক্ষেত্ৰ, পাচলিৰ কিছুমান আচাৰ, আৰু আনকি অপৰিশোধিত কফিও।

ম'বাইল ফোন ছেটৰ ভিতৰত এক প্ৰকাৰ এণ্টিনা থাকে, যি আন ফোনৰ পৰা বিভিন্ন ৰিলে চেণ্টাৰৰ যোগেদি অহা বিদ্যুৎচুম্বকীয় তৰংগ গ্ৰহণ কৰিব পাৰে বা সেই ফোনটোৱে সৃষ্টি কৰা তেনে তৰংগ ৰিলে চেণ্টাৰলৈ প্ৰেৰণ কৰিব পাৰে। কথা পাতিবৰ সময়ত সাধাৰণতে কাণত, অৰ্থাৎ মগজুৰ ওচৰত ফোনটো ৰখা হয় বাবে এনে শক্তিশালী তৰংগই দেহৰ আন অংশতকৈ মগজুত বেছি ক্ৰিয়া কৰিব পাৰে। বিদ্যুৎচুম্বকীয় তৰংগবোৰক সাধাৰণভাৱে উচ্চ কম্পনাংকৰ 'আয়'নাইজিং (ionising) তৰংগ' আৰু কম কম্পনাংকৰ 'নন-আয়'নাইজিং (non-ionising) তৰংগ'ত ভাগ কৰিব পাৰি। আয়'নাইজিং বিকিৰণে (যেনে—এক্সৰে) কেন্সাৰৰ সম্ভাৱনা বঢ়াব পাৰে বুলি আমি জানি আহিছিলোঁ। কিন্তু ম'বাইল ফোনত সৃষ্টি হোৱা নন-আয়'নাইজিং (non ionizing) বিকিৰণে কেন্সাৰ সৃষ্টি নকৰে বুলিয়েই সাধাৰণভাৱে ভাবি অহা হৈছিল। বিশ্ব স্বাস্থ্য সংস্থাৰ বিশেষজ্ঞ দলটোৰ মতামতে আমাক আগৰ বিশ্বাসত খেলি-মেলি লগাই দিলে।

**ম'বাইল ফোনৰ বিস্ফোৰণ**

যোৱা কিছুদিন ধৰি এনে বাতৰি প্ৰকাশ পাই আছে যে ম'বাইল ফোনৰ বিস্ফোৰণত অসমৰে কেইবাজনো লোক গুৰুতৰভাৱে আহত হৈছে। এই বাতৰি কেৱল এক অঞ্চলৰ পৰা অহা নাই। কোনো বাতৰি যদি বৰমাৰ পৰা আহিছে, তেন্তে আন এটা বাতৰি আহিছে গোৱালপাৰাৰ পৰা। এনে বাতৰি খবৰ কাকতৰ উপৰি টিভি চেনেল, দূৰদৰ্শন আদিতো প্ৰচাৰিত হৈছে। কোনো ঘটনাত যদি বয়সস্থ মহিলা আক্ৰান্ত হৈছে, তেন্তে আন এটা একে ধৰণৰ ঘটনাত আক্ৰান্ত হৈছে স্বাস্থ্যবান যুৱক-যুৱতী বা ল'ৰা-ছোৱালী। এই ঘটনাবোৰক উৰা-বাতৰি বুলি উলাই

কৰিব নোৱাৰি। আনহাতে কোনো বাতৰি অতিৰঞ্জিত বুলি ধৰিলেও সেই অতিৰঞ্জনৰ বাবেওতো কিবা এটা আধাৰ লাগিব।

এটা ম'বাইল ফোনত মূলতঃ দুই ধৰণৰ প্ৰতিষ্ঠানৰ সেৱা জড়িত হৈ থাকে। এটা হ'ল ম'বাইল হেণ্ড ছেট নিৰ্মাণ কৰা প্ৰতিষ্ঠান আৰু আনটো হ'ল 'ছাৰ্ভিচ প্ৰভাইডাৰ' মানে ম'বাইল ফোন সংযোগ দিয়া প্ৰতিষ্ঠান। যদিহে ম'বাইল ফোনত কিবা ঘটিছে, তেন্তে সেয়া ম'বাইল ফোন ছেটটোৰ বাবেও হ'ব পাৰে নাইবা তাঁলৈ সংকেত কঢ়িয়াই নিয়া বিদ্যুৎচুম্বকীয় বিকিৰণৰ বাবেও হ'ব পাৰে। অৱশ্যে যদিহে কোনোবা অচিনাকি নম্বৰৰ পৰা ফোন কল অহাৰ লগে লগে কিবা ঘটনা ঘটিছে, তেন্তে সন্দেহ বিদ্যুৎচুম্বকীয় তৰংগৰ ফালে যাব। কিন্তু সাধাৰণভাৱে চাবলৈ গ'লে কোনো ফোন কৰোঁতাই আন ফোনলৈ ইচ্ছামতে বেছি শক্তিসম্পন্ন বিদ্যুৎচুম্বকীয় তৰংগ পঠিয়াব নোৱাৰে। সেই কাম কৰিব 'ছাৰ্ভিচ প্ৰভাইডাৰে'। কিন্তু তেওঁলোকেনো নিৰাপদ সীমা কিয় অতিক্ৰম কৰিব বা সেই ক্ষমতা তেওঁলোকৰ আছে নে নাই, সেই প্ৰশ্ন নিশ্চয় উঠিব। কোনো বিশেষজ্ঞৰ মতে ম'বাইল ফোনৰ তথাকথিত বিস্ফোৰণ হ'ব পাৰে তাৰ বেটাৰী 'এক্সপ্ল'ড' (explode) হোৱাৰ বাবে আৰু আন কাৰণ থকাৰ বিশেষ সম্ভাৱনা নাই। কিন্তু এই ক্ষেত্ৰতো সকলো দিশ চালি-জাৰি এক সঠিক বিশ্লেষণ কৰাটো প্ৰয়োজন।

**অমনোযোগিতাজনিত অন্ধতা** (inattentional blindness)

কিছু বছৰ আগতে গুৱাহাটীৰ বামুণীমৈদামত চলন্ত ট্ৰেইনে ৰেললাইনত বহি থকা তিনিজন ছাত্ৰক মহটিয়াই নিয়াৰ বাবে তিনিওজনৰে কৰুণ মৃত্যু হোৱাৰ বাতৰিয়ে তেওঁলোকৰ পৰিয়ালৰ লগতে আনসকলকো মৰ্মাহত কৰি তুলিছিল। বাতৰিত প্ৰকাশ পোৱা মতে তেওঁলোকে কাণত হেডফোন লগাই ম'বাইলত গান শুনি আছিল বা কথা পাতি আছিল বাবে শব্দ কৰি ট্ৰেইনখন অহাটো গমেই নাপালে আৰু কৰুণ মৃত্যুক সাবটি ল'বলগীয়া হ'ল। ম'বাইল ফোনত কথা পাতি বা গান শুনি মচগুল হৈ হঠাতে গাড়ীৰ সমুখতে পৰা; হাতত ম'বাইল ফোন লৈ ৰৈ থকা মানুহ, ৰিক্সা বা আন যান-বাহনত খুন্দা মাৰি দিয়া আদি ঘটনা এতিয়া তেনেই সুলভ। দেখাত এনে লাগে যে এওঁলোক হয়তো অন্ধই আৰু সেইবাবেই চকুৰ আগত থকা মানুহ, গাড়ী, ট্ৰেইন আদি দেখা নাপায়। অৱশ্যে প্ৰকৃততেই এয়া এক অন্ধত্ব। বিজ্ঞানৰ ভাষাত ইয়াৰ নাম হ'ল—অমনোযোগিতাজনিত অন্ধত্ব। দেখা গৈছে যে অতিমাত্ৰা ম'বাইল ফোন ব্যৱহাৰ কৰাসকল প্ৰায়ে এনে অন্ধত্বত ভোগে। এই অমনোযোগিতাজনিত অন্ধত্ব হ'ল যিকোনো কাৰণত পাৰিপাৰ্শ্বিকৰ প্ৰতি অমনোযোগী হ'লে সৃষ্টি হোৱা অন্ধতা। আমি চকুৰে দেখোঁ বুলি ক'লেও চকুৱে আচলতে দেখিবৰ বাবে প্ৰয়োজনীয় সংকেতবোৰ কেৱল গ্ৰহণ কৰে। মগজুত সেই সংকেতবোৰৰ 'প্ৰচেছিং' (processing) হ'লেহে আমি দেখা পাওঁ। কিছুমান মানুহ শুই থাকোঁতে চকুকেইটা অলপ মেল খাই থাকে। তেতিয়া তেওঁৰ চকুত কিছুমান পোহৰ বা দৃশ্য ধৰা পৰিলেও তেওঁ যে দেখা নাপায় তাৰ কাৰণ হ'ল শুই থকা বাবে মগজুত সেই তথ্যবোৰৰ প্ৰচেছিং নহয়। ম'বাইল ফোনৰ পৰাহে যে অমনোযোগিতাজনিত অন্ধত্ব হ'ব পাৰে, সেয়া কিন্তু নহয়। প্ৰকৃততে ম'বাইল ফোনৰ যুগৰ আগৰে পৰাই এই শব্দ দুটাৰ প্ৰচলন আছিল। যেতিয়া মানুহ খুব ব্যস্ত থাকে বা বিৰক্ত হৈ থাকে নাইবা তেওঁৰ অৱসাদ জন্মে অথবা বিভিন্ন কাৰণত তেওঁৰ মনটো খেলি-মেলি হৈ থাকে, তেতিয়া এনে লক্ষণৰ সৃষ্টি হয়। সাধাৰণতে বিশেষজ্ঞ বা পণ্ডিতসকল প্ৰায়ে নিজৰ চিন্তাত বিভোৰ হৈ থাকে বাবে তেওঁলোকৰ ক্ষেত্ৰত এনে লক্ষণ বেছিকৈ সৃষ্টি হয়। পাছে এতিয়া ম'বাইল ফোন, আইপডৰ হেডফোন আদিৰ অত্যধিক ব্যৱহাৰৰ ফলত এনে লক্ষণৰ সংখ্যা আৰু প্ৰবলতা যথেষ্ট বৃদ্ধি পাইছে।

**ম'বাইল আসক্তিৰ পৰা কিদৰে পৰিত্ৰাণ পাব পাৰি?**

ম'বাইল ফোন অনবৰতে ব্যৱহাৰ কৰাৰ ফলত ব্যৱহাৰকাৰীৰ মনত কিছুমান নেতিবাচক প্ৰভাৱ পৰে। সেইবোৰ হ'ল উদ্বিগ্নতা, খিংখিঙীয়া মনোভাব আৰু হতাশা। তেওঁলোকে আন কোনো ক্ষেত্ৰতে মনোযোগ দিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাত মুঠেই মন বহুৱাব নোৱাৰে। ম'বাইল ফোনত মনোযোগ দি থাকিলে মানুহৰ মনে স্বাভাৱিক কাম কৰিব নোৱৰা হয়।

ম'বাইল ফোনত ব্যস্ত মানুহক যদি কিবা প্ৰশ্ন সোধা যায়, তেন্তে বেছিভাগ ক্ষেত্ৰতে উত্তৰ পোৱা নাযায় আৰু কেতিয়াবা উত্তৰ পালেও সেইবোৰ কিবা ওলোটা-ওভতা কথাহে হয়গৈ।

যিসকল লোকক ম'বাইল আসক্তিত ভুগিছে, তেওঁলোকে নিজে কিছু চেষ্টা কৰিলে এই বিপদজনক আসক্তিৰ পৰা পৰিত্ৰাণ পাব পাৰে। প্ৰথম কথা তেওঁলোকে ইনষ্টাগ্ৰাম, ইউটিউব, ফেচবুক, শ্বৰ্ট ভিডিঅ', ৰীলছ আদিত কম সময় কটাব লাগিব। ম'বাইল ফোনত 'নটিফিকেছন' বন্ধ কৰি ৰখাটোও গুৰুত্বপূৰ্ণ। নহ'লে প্ৰতিটো নটিফিকেছনৰ সংকেতে তেওঁলোকক আমনি কৰিব আৰু ম'বাইল ফোনটোৰ প্ৰতি আকৰ্ষিত কৰি থাকিব। দ্বিতীয় কথা হ'ল—তেওঁলোকে কেতিয়া, কিমান সময় জুৰি ম'বাইল ফোনত সময় কটালে, তাৰ এক হিচাপ ৰাখিব লাগিব। তৃতীয় কথা হ'ল—খোৱাৰ সময়ত ম'বাইল ফোনটো কাষত ৰাখিব নালাগিব। চতুৰ্থতে, ৰাতিপুৱা, দুপৰীয়া, সন্ধিয়া বা দিনটোৰ আন যিকোনো সময়ত ম'বাইলবিহীনভাৱে পৰিবেশ-পৰিস্থিতি উপভোগ কৰিবলৈ শিকিব লাগিব। ম'বাইল আসক্তিৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে হিচাপ কৰি কৰি দিনটোত কেৱল আধা ঘণ্টামানহে ম'বাইল ফোন ব্যৱহাৰ কৰিব লাগিব। যদিহে সেই সময়সীমা ৰাখিব পৰা নাযায়, তেন্তে অতি বেছি এঘণ্টা। কিন্তু তাৰ ওপৰত কোনোপধ্যেই নহয়।

এই যে আধাঘণ্টা-এঘণ্টা সময়ৰ কথা কোৱা হ'ল, সেয়া কেৱল ম'বাইল আসক্তিৰ বাবেই নহয়, বিশেষজ্ঞসকলৰ মতে ম'বাইল ফোন-সৃষ্ট অপকাৰী প্ৰভাৱসমূহৰ পৰা ৰক্ষা পোৱাৰ বাবেও ই হ'ল নিৰাপদ সময়সীমা। ❖

সাম্প্ৰতিকী

# আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ উহ বিচাৰি

■ **মানসজ্যোতি শইকীয়া**

২০২৫ চনৰ ১২ জুনত গুজৰাটৰ আহমেদাবাদ বিমানবন্দৰৰ পৰা লণ্ডনৰ গেটৱিক বিমানবন্দৰলৈ এয়াৰ ইণ্ডিয়াৰ আন্তঃৰাষ্ট্ৰীয় যাত্ৰীবাহী বিমান নং ১৭১ দুপৰীয়া ১:৩৯ বজাত উৰণৰ প্ৰায় ৩২ ছেকেণ্ড পাছতে দুৰ্ঘটনাগ্ৰস্ত হয় আৰু ১.৫ কিল'মিটাৰ সমীপত থকা বি. জে. মেডিকেল কলেজৰ চৌহদত পতিত হয়। ২৩০জন যাত্ৰীৰ এজনৰ বাহিৰে বাকী সকলো যাত্ৰী আৰু ২জন পাইলটসহ সকলো বিমান কৰ্মচাৰীৰ মৃত্যু হয়। আনহাতে, মেডিকেল কলেজ চৌহদত অতিৰিক্ত ১৯জন লোক নিহত হোৱাৰ লগতে ৬৭জন লোক গুৰুতৰভাৱে আহত হয়। এনেকুৱা ভয়ানক বিমান দুৰ্ঘটনা অতি বিৰল। এই দুৰ্ঘটনাই দেশবাসীক শোকাকুল কৰি তুলিছিল।

যোৱা ৮ জুলাই তাৰিখে এই কৰুণ দুৰ্ঘটনাৰ প্ৰাৰম্ভিক তদন্তৰ প্ৰতিবেদন প্ৰকাশ পাইছে। এয়াৰ এভিয়েছন ইনভেষ্টিগেছন ব্যুৰোৰ [Air Aviation Investigation Bureau (AAIB)] ১৫ পৃষ্ঠাজোৰা প্ৰতিবেদন অনুসৰি প্ৰাথমিক কাৰণ হিচাপে ইঞ্জিনলৈ ইন্ধন যোগান নিয়ন্ত্ৰণ কৰা দুয়োটা ছুইচ হঠাতে বন্ধ হৈ পৰাৰ ফলত দুয়োটা ইঞ্জিন বিকল হৈ বিমানখন উৰাৰ সলনি মাটিত পতিত হয়। কিন্তু দুয়োটা ইঞ্জিনে প্ৰায় একে সময়তে কাম কৰা বন্ধ কৰিছিল কেনেকৈ? বিমানৰ ককপিটত হোৱা বাৰ্তালাপত প্ৰকাশ পাইছে যে এজন পাইলটে আনজনক সুধিছিল, "আপুনি ইন্ধন কিয় বন্ধ কৰি দিলে?" আনজন পাইলটে উত্তৰ দিছিল, "মই কৰা নাই।" এতিয়া প্ৰশ্ন হয় এই দুৰ্ঘটনাৰ কাৰণ এক যান্ত্ৰিক বিজুতি নে মানবীয় ভুল !

প্ৰতিবেদন অনুসৰি সহ-পাইলট ক্লাইভ কুন্দ্ৰৰে বিমানখন চলাইছিল আৰু কেপ্টেইন সুনীল সবৰৱালে উৰণ নিৰীক্ষণ কৰি আছিল। বিমানখনে ১৮০ নট গতিবেগ লাভ কৰাৰ লগে লগে দুয়োটা ইঞ্জিনৰ ইন্ধন ছুইচবোৰ মাত্ৰ এক ছেকেণ্ডৰ ভিতৰতে এটাৰ পাছত এটাকৈ 'গতিশীল' (run) অৱস্থাৰ পৰা 'বন্ধ' (cut off)



অৱস্থালৈ গতি কৰিলে। ফলত দুয়োটা ইঞ্জিনৰ শক্তি কমিবলৈ ধৰিলে। বিমানৰ পৰা মে ডে, মে ডে (mayday, mayday) শীৰ্ষক দুৰ্ঘটনাৰ আগজাননী পোৱাৰ পাছত বিমান পৰিবহণ নিয়ন্ত্ৰণ কক্ষই পাইলটৰ সৈতে যোগাযোগ কৰিবলৈ চেষ্টা কৰিছিল যদিও কোনো প্ৰতি-সঁহাৰি নাপালে। উৰণৰ মাত্ৰ কেইছেকেণ্ডমানৰ পাছত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়।

দুৰ্ঘটনাৰ পাছতে বিভিন্ন পক্ষই সংবাদমাধ্যমত কাৰণ সম্পৰ্কে আলোচনা কৰিছিল। ব'য়িঙৰ (boeing) অধীনৰ সকলো বিমানতে দুটা ইঞ্জিন থাকে। কিবা কাৰণত এটা ইঞ্জিনে কাম নকৰিলে আনটোৰ সহায়ত বিমানখনক সুকলমে অৱতৰণ কৰাব পাৰি। কিন্তু দুৰ্ঘটনা হোৱা বিমানখনৰ দুয়োটা ইঞ্জিন একে সময়তে বিকল হোৱা কথাই মানুহৰ মনত সন্দেহৰ উদ্ৰেক ঘটাইছে। কেতিয়াবা চৰাইৰ খুন্দাত ইঞ্জিন বিকল হয় যদিও একে সময়তে দুয়োটা ইঞ্জিনক চৰায়ে খুন্দিয়াব, এনে সম্ভাৱনা বিৰল। এতিয়া প্ৰতিবেদনত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে বিমানত চৰাইৰ আঘাতৰ কোনো চিন নাছিল আৰু সেইদিনাৰ আহমেদাবাদৰ চৌপাশ ফৰকাল আৰু উৰণৰ বাবে উপযুক্ত আছিল।

তদুপৰি, বহুতে সন্দেহ কৰিছিল যে, উৰণৰ প্ৰাকমুহূৰ্তত বিমানত ইন্ধন ভৰাওঁতে হয়তো কিবা গণ্ডগোল হৈছিল, কিন্তু তদন্তকাৰী বিশেষজ্ঞসকলে ইন্ধনৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰি এনে সম্ভাৱনা নুই কৰে। তেওঁলোকৰ মতে ইন্ধন মান অনুসৰি পৰিষ্কাৰ আৰু নিৰাপদ আছিল। ইয়াৰ উপৰি প্ৰাৰম্ভিক প্ৰতিবেদনত বিমানত ডাঙৰ কাৰিকৰী বিজুতিৰ কোনো লক্ষণ নাছিল। বেকআপ ছিষ্টেমসমূহেও (backup system) সঠিকভাৱে কাম কৰি আছিল আৰু বিমানখনৰ জৰুৰীকালীন ব্যৱস্থাও কাৰ্য্যক্ষম আছিল। জৰুৰীকালীন শক্তি উৎপাদনৰ বাবে ব্যৱহাৰ কৰা আৰএটি (RAT, Ram Air Turbine) নামৰ যন্ত্ৰবিধ আশা কৰা ধৰণে নিজে নিজে চলিবলৈ আৰম্ভ কৰিছিল।

আচল ৰহস্যটো হ'ল ইন্ধনৰ ছুইচবোৰ কেনেকৈ বন্ধ অৱস্থালৈ গুচি গৈছিল। বিমান বিশেষজ্ঞসকলে সদৰি কৰা মতে এইবোৰ নিয়মীয়া ধৰণৰ বুটাম বা ছুইচ নহয়। এই ছুইচবোৰত স্প্ৰিংযুক্ত লিভাৰ থাকে, যিবোৰ লৰচৰ কৰিবলৈ বা অন কৰিবলৈ জোৰকৈ টানিব লাগে আৰু তাৰ পাছত এৰি দিব লাগে। অফ কৰিবলৈও এনেদৰে ডিজাইন কৰা হৈছে যে ভুলবশতঃ ঠেলি বা খুন্দিয়াই তাক অফ কৰিব নোৱাৰি। ইয়াৰ উপৰি বিমানত এনে সুৰক্ষা ব্যৱস্থা থাকে যাতে এই ছুইচবোৰ ভুলবশতঃ স্থানান্তৰিত নহয়। বিশেষজ্ঞসকলৰ মতে স্বাভাৱিক পৰিস্থিতিত দুয়োটা ছুইচ নিজে নিজে কেতিয়াও অন-অফ হ'ব নোৱাৰে। পাইলট দুয়োজনৰ কথাৰ ৰেকৰ্ডিঙৰ ভিত্তিত স্পষ্ট হয় যে তেওঁলোকে ইচ্ছাকৃতভাৱে ইন্ধন বন্ধ কৰা নাছিল। এবাৰ ইন্ধন যোগান বন্ধ হোৱাৰ পাছতে দুয়ো পাইলটে ইন্ধনৰ ছুইচ পুনৰ অন কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু বিমানখনৰ ইঞ্জিন পুনৰ আৰম্ভ হ'বলৈ পৰ্য্যাপ্ত উচ্চতা বা সময় নাছিল। ইয়াৰ বাবেই দুৰ্ঘটনাটো এৰাই চলিব পৰা নগ'ল।

দুৰ্ঘটনাৰ প্ৰাৰম্ভিক প্ৰতিবেদনত ইন্ধনৰ যোগান বন্ধ হৈ দুয়োটা ইঞ্জিন বন্ধ হোৱাৰ কথা পোহৰলৈ আহিল যদিও ইন্ধন ছুইচৰ লিভাৰবোৰ কেনেকৈ বা কিয় বন্ধ হৈছিল তাৰ কোনো উত্তৰ পোৱা নগ'ল। প্ৰতিবেদনত কিছুমান মূল তথ্যৰ ৰূপৰেখা দাঙি ধৰা হৈছে যদিও বহু জটিল প্ৰশ্ন উত্তৰহীন হৈয়ে আছে। এয়া কেৱল প্ৰাৰম্ভিক প্ৰতিবেদনহে, এতিয়াও তদন্ত অব্যাহত আছে। সেয়েহে আমিও প্ৰকৃত কাৰণ জানিবলৈ কিছুদিন ৰ'ব লাগিব। ❖

## প্ৰধানমন্ত্ৰী মোডীৰ পাঁচদেশীয় বিদেশ ভ্ৰমণ আৰু ব্ৰিকছ (BRICKS) সন্মিলনত অংশগ্ৰহণ




যোৱা ২ জুলাই তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ৮ দিনীয়া কাৰ্য্যসূচীৰে পাঁচদেশীয় বিদেশ ভ্ৰমণৰ অংশস্বৰূপে ঘানাত উপস্থিত হয়। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ঘানাৰ উপৰি ত্ৰিনিদাদ আৰু টবাগ’, আৰ্জেণ্টিনা, ব্ৰাজিল আৰু নামিবিয়াক সামৰি লয়। এই ভ্ৰমণৰ কালছোৱাত আৰ্জেণ্টিনাৰ বাহিৰে আটাইকেইখন দেশেই প্ৰধানমন্ত্ৰী মোডীক নিজ দেশৰ সৰ্বোচ্চ সন্মান প্ৰদান কৰে। ঘানাৰ ৰাষ্ট্ৰপতিৰ সৈতে মোডী দ্বিপাক্ষিক বৈঠকত মিলিত হয় আৰু বাণিজ্য, স্বাস্থ্য, কৃষি, প্ৰতিৰক্ষা, সন্ত্ৰাসবাদ দমন, ৰাষ্ট্ৰসংঘৰ সংস্কাৰ সাধন আদি বিষয়ত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে।

ঘানা ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোডী ৪ জুলাইত কেৰিবিয়ান ৰাষ্ট্ৰ ত্ৰিনিদাদ আৰু টবাগ’ৰ ৰাজধানী প’ৰ্ট অব স্পেইনত উপস্থিত হয়। দেশখনৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টিন কাংগালুৰ (Christine Kangaloo) লগত প্ৰধানমন্ত্ৰী মোডী দ্বিপাক্ষিক বৈঠকত মিলিত হয়।


ত্ৰিনিদাদ আৰু টবাগ’ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোডী ৫ জুলাই তাৰিখে দুদিনীয়া ভ্ৰমণসূচীৰে আৰ্জেণ্টিনাৰ ৰাজধানী বুয়েনছ আয়াৰ্ছত (Buenos Aires) উপস্থিত হয়। দেশখনৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেইৰ (Javier Milei) লগত প্ৰধানমন্ত্ৰী মোডীয়ে লিথিয়াম, কৃষিক্ষেত্ৰ, প্ৰতিৰক্ষা, প্ৰাকৃতিক গেছ, পাৰমাণৱিক সহযোগিতা আদি বিষয়ত চুক্তি স্বাক্ষৰ কৰে।

আৰ্জেণ্টিনা ভ্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী মোডী ৬ জুলাই তাৰিখে ব্ৰাজিলৰ ৰিঅ’ ডি জেনেইৰিঅ’ত (Rio de Janeiro) উপস্থিত হৈ ১৭ সংখ্যক ব্ৰিকছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। ‘শান্তি-নিৰাপত্তা আৰু বৈশ্বিক প্ৰশাসন সংস্কাৰ’ শীৰ্ষক বিষয়ত ভাষণ প্ৰদান কৰি মোডীয়ে ৰাষ্ট্ৰসংঘৰ সংস্কাৰ দাবী কৰে তথা ভাৰত আৰু ব্ৰাজিলক নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰূপে অন্তৰ্ভুক্তিৰ বাবে আহ্বান জনায়।

ব্ৰিকছ সন্মিলনৰ অন্তত প্ৰধানমন্ত্ৰী মোডী ৭ জুলাইৰ নিশা ব্ৰাজিলৰ ৰাজধানী ব্ৰাছিলিয়াত (Brasilia) উপস্থিত হৈ দেশখনৰ ৰাষ্ট্ৰপতি লুইজ লুলা দা ছিলভাৰ (Luiz Lula da Silva) সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকত দুয়োখন দেশৰ মাজত বাণিজ্য, মহাকাশ, শক্তি, প্ৰতিৰক্ষা, স্বাস্থ্য আদি বিষয়ত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

৮ দিনীয়া পাঁচদেশীয় ভ্ৰমণৰ শেষ পৰ্য্যায়ত প্ৰধানমন্ত্ৰী মোডী ৯ জুলাইত নামিবিয়াৰ ৰাজধানী উইণ্ডহুকত (Windhock) উপস্থিত হয়। দেশখনৰ ৰাষ্ট্ৰপতিৰ লগত হোৱা বৈঠকত মোডীয়ে জৈৱ ইন্ধন, স্বাস্থ্য, দুৰ্য্যোগ মোকাবিলা আৰু চিকিৎসা সন্দৰ্ভত চাৰিখন চুক্তিত স্বাক্ষৰ কৰে।

## ৰেপিদ দবাৰ চেম্পিয়ন ডি গুকেশ



যোৱা ৪ জুলাই তাৰিখে ক্ৰ’ৱেছিয়াৰ জাগ্ৰেব চহৰত অনুষ্ঠিত ২০২৫ বৰ্ষৰ ৰেপিদ আৰু ব্লিটজ দবা প্ৰতিযোগিতাত ভাৰতৰ দমাৰাজু গুকেশে চেম্পিয়নৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। ১৯ বছৰীয়া চেন্নাইৰ যুৱক গুকেশে মাৰ্কিন খেলুৱৈ ৱেছলীক (সপ্তম ৰাউণ্ডত) পৰাজিত কৰাৰ পাছত চূড়ান্ত পৰ্য্যায়ত বিশ্বৰ ১ নম্বৰ স্থানৰ তাৰকা খেলুৱৈ মেগনাছ কাৰ্লছেনক পৰাজিত কৰি এই খিতাপ দখল কৰে। ১০ পইণ্টেৰে এককভাৱে শীৰ্ষত উপনীত হোৱা তথা দুৰ্বল প্ৰতিদ্বন্দ্বী বুলি ঠাট্টাৰ সন্মুখীন হোৱা গুকেশে ইয়াৰ পূৰ্বে ক্লাছিকেল সংস্কৰণতো কাৰ্লছেনক পৰাজিত কৰি (নৰ’ৱে অপেনত) খিতাপ দখল কৰিবলৈ সক্ষম হৈছিল। সম্প্ৰতি গুকেশ হৈছে বিশ্ব ৰেংকিঙৰ ৬ নং স্থানৰ খেলুৱৈ।

## বিশিষ্ট বুদ্ধিজীৱী, অধ্যাপক উদয়াদিত্য ভৰালীৰ দেহাৱসান

প্ৰগতিশীল বুদ্ধিজীৱী, সাহিত্যিক, কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ উদয়াদিত্য ভৰালীৰ যোৱা ৬ জুলাই তাৰিখে ৭৮ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৪৭ চনত মৰাণত জন্মগ্ৰহণ কৰা প্ৰয়াত ভৰালীয়ে ১৯৬২ চনত বৰপেটা




বিদ্যাপীঠৰ পৰা মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ১৯৬৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি একে বৰ্ষতে কটন মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰি কৰ্মজীৱন আৰম্ভ কৰে। ২০০৬ চনত কটন মহাবিদ্যালয়ৰ পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা শিক্ষাবিদ ভৰালীয়ে স্কুলীয়া দিনৰে পৰা সাহিত্যকৰ্ম আৰু ক্ৰীড়াৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। আধুনিক অসমৰ ইতিহাস অধ্যয়নক বিজ্ঞানসন্মত চিন্তাৰে আগুৱাই লৈ যোৱা ভৰালীয়ে ২৫খন গ্ৰন্থ ৰচনা কৰিছিল। অধ্যাপক ভৰালীৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে—'হাণ্ড্ৰেড ইয়াৰছ হিষ্ট্ৰী অৱ কটন কলেজ' (১৯০১-২০০১) (Hundred Years' History of Cotton College : 1901-2001), 'জাতি সমস্যাৰ প্ৰশ্ন আৰু অন্যান্য', 'জাতীয় প্ৰশ্ন আৰু অন্যান্য', 'বেইমানৰ ঠিকনা সন্ধান', 'ধলফাট', 'দা পলিটিকেল হিষ্ট্ৰী অৱ আছাম' (The Political History of Assam Vol-1) (সম্পাদনা) ইত্যাদি।

বৌদ্ধিক চেতনাৰ স্বীকৃতি স্বৰূপে অধ্যাপক ভৰালীয়ে ১৯৯৬ চনত 'বেইমানৰ ঠিকনা সন্ধান' গ্ৰন্থখনৰ বাবে অসম সাহিত্য সভাৰ 'বিষ্ণুপ্ৰসাদ ৰাভা বঁটা' লাভ কৰিবলৈ সক্ষম হৈছিল। ২০২৫ বৰ্ষত পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটাৰে সন্মানিত তথা বিভিন্ন সংগঠনৰ পৰা বঁটা আৰু পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱা ভৰালীৰ দেহাৱসান ৰাজ্যখনৰ বাবে এক ক্ষতি বুলি বিবেচিত হৈছে।


## মহাকাশচাৰী শুভাংশু শুক্লাৰ সফল প্ৰত্যাৱৰ্তন

যোৱা ২৫ জুন তাৰিখে ইতিহাস ৰচনা কৰি মহাকাশলৈ যাত্ৰা কৰা ভাৰতীয় মহাকাশচাৰী তথা বায়ুসেনা



বাহিনীৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাই ১৫ জুলাই তাৰিখে সফলতাৰে পৃথিৱীলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ সক্ষম হয়। তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ ছান ডিয়েগো (প্ৰশান্ত মহাসাগৰৰ) উপকূলত পুৱা ৩ বজাত আন তিনিজন মহাকাশচাৰীসহ অৱতৰণ কৰে। দীৰ্ঘ সময় (প্ৰায় ২০ দিন) আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থানত (International Space Station) কটোৱা শুক্লা হৈছে প্ৰথমগৰাকী ভাৰতীয় মহাকাশচাৰী। ফেলকন-৯ ৰকেটেৰে প্ৰেৰণ কৰা 'ড্ৰেগন' নামৰ মহাকাশযানৰ সহায়ত মহাকাশলৈ উৰা মৰা এই মহাকাশ অভিযানটোক 'একজিয়ম-৪' (Axiom 4) নামেৰে নামকৰণ কৰা হৈছে। এই সফল মহাকাশ অভিযানৰ আন তিনিজন সহযাত্ৰী হৈছে—আমেৰিকা যুক্তৰাষ্ট্ৰৰ পেগী হুইটছন (মহিলা), পোলেণ্ডৰ শ্লউজ উজনানস্কী আৰু হাংগেৰীৰ টিবৰ কাপু। মহাকাশ আস্থানত ১৮ দিন অতিবাহিত কৰি মহাকাশচাৰীসকলে মুঠ ৬০টা পৰীক্ষণ আৰু ২০টা বাহ্যিক কাৰ্য্যসূচী ৰূপায়ণ কৰিবলৈ সক্ষম হয়।

## সাহিত্যাচাৰ্য্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্যৰ দেহাৱসান



যোৱা ২২ জুলাই তাৰিখে বিশিষ্ট সাহিত্যিক সাহিত্যাচাৰ্য্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্যৰ ৮৩ বছৰ বয়সত নলবাৰীত দেহাৱসান ঘটে। ১৯৪২ চনত নলবাৰীত জন্মগ্ৰহণ কৰা প্ৰয়াত ভট্টাচাৰ্য্যই ১৯৬৬ চনত

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি সৰভোগৰ বৰনগৰ কলেজত প্ৰবক্তা হিচাপে যোগদান কৰি কৰ্মজীৱন আৰম্ভ কৰে। পৰবৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংগীত বিভাগৰ পৰা পিএইচডি ডিগ্ৰী লাভ কৰা ভট্টাচাৰ্য্যই নলবাৰী কলেজত যোগদান কৰে আৰু ২০০২ চনত অসমীয়া বিভাগৰ মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰে। নিজৰ প্ৰজ্ঞা, সাধনা আৰু কৰ্তব্যনিষ্ঠাৰে অধ্যাপক হিচাপে জনপ্ৰিয়তা অৰ্জন কৰা প্ৰয়াত ভট্টাচাৰ্য্যৰ অধীনত ১৫ গৰাকী গৱেষকে পিএইচডি ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল। সাহিত্যিক-ৰচক হিচাপে খ্যাতি অৰ্জন কৰা ভট্টাচাৰ্য্যৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে—প্ৰতিবাদ, বোধন, খোজ, শতাব্দীৰ মৃত্যু, অন্য এক অসুখ, কালান্তৰ, উজ্জীৱ, এটি নিশাৰ বাতৰিৰে, প্ৰহাৰ, ক্ৰান্তি, কল্লোল, দুঃস্বপ্নৰ সময় ইত্যাদি।

অসমীয়া ভাষা-সাহিত্যলৈ আগ বঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে বিশিষ্ট সাহিত্যিকগৰাকীয়ে বিশ্ব গোস্বামী সোঁৱৰণী বঁটা, নলবাৰী ৰত্ন, সাহিত্যাচাৰ্য্য উপাধি, শ্ৰেষ্ঠ নাট্যকাৰ বঁটা, সাহিত্যিক পেন্সন, গোলক ৰায়মেধি বঁটা আদি লাভ কৰিবলৈ সক্ষম হৈছিল। অসম সাহিত্য সভাৰ আজীৱন কৰ্মী অধ্যাপক ভট্টাচাৰ্য্যৰ দেহাৱসানত ৰাজ্যজুৰি শোকৰ ছাঁ পৰে।

## ভাৰত আৰু ইংলণ্ডৰ মাজত মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ

তিনি বছৰ ধৰি চলা আলোচনাৰ অন্তত যোৱা ২৪ জুলাই তাৰিখে ভাৰত আৰু ইংলণ্ডৰ মাজত মুক্ত বাণিজ্য চুক্তি (Free Trade Agreement) স্বাক্ষৰিত হয়। ইংলণ্ড ভ্ৰমণৰত ভাৰতীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ইংলণ্ডৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰৰ (Keir Starmer) উপস্থিতিত বহু প্ৰতীক্ষিত এই চুক্তি স্বাক্ষৰিত হয় আৰু এই ঐতিহাসিক চুক্তিখন চৰকাৰীভাৱে কম্প্ৰিহেনছিভ ইক'ন'মিক এণ্ড ট্ৰেড এগ্ৰিমেণ্ট (Comprehensive Economic and Trade Agreement, CETA) বুলি পৰিচিত হ'ব। দুয়োখন দেশৰ মাজত বাণিজ্য বছৰি ৩৪ বিলিয়ন মাৰ্কিন ডলাৰকৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা মুক্ত বাণিজ্য চুক্তিখনে সামৰি লোৱা মূল বিষয় কেইটামান হৈছে—

১। ভাৰতৰ ফল-মূল, শাক-পাচলি, কফি, আচাৰ, মচলা আদিকে ধৰি ৯৫ শতাংশতকৈ অধিক কৃষিজাত সামগ্ৰী শুল্কমুক্ত কৰা হ'ব।

২। ভাৰতৰ পৰা ৰপ্তানি হোৱা সামুদ্ৰিক খাদ্যদ্ৰব্যত আৰোপিত ২০ শতাংশ শুল্ক প্ৰত্যাহাৰ কৰা হ'ব।

৩। বস্ত্ৰত আৰোপিত ১২ শতাংশ, ধাতুত আৰোপিত ১০ শতাংশ আৰু ঔষধকে ধৰি ৰাসায়নিক সামগ্ৰীত আৰোপিত ৮ শতাংশ শুল্ক প্ৰত্যাহাৰ কৰা হ'ব।

৪। খেলৰ সামগ্ৰী, গহনা, চামৰা, প্লাষ্টিকৰ সামগ্ৰী, অভিযান্ত্ৰিক সামগ্ৰীৰ সকলো কৰ প্ৰত্যাহাৰ হ'ব।


৫। ভাৰতীয় ৰন্ধন বিশেষজ্ঞ, যোগ প্ৰশিক্ষক, শাস্ত্ৰীয় সংগীতজ্ঞ আৰু অন্যান্য চুক্তিবদ্ধ কৰ্মীক ইংলণ্ডলৈ আদৰণি জনোৱা হ'ব।

৬। ইংলণ্ডৰ ইলেকট্ৰিক গাড়ীত আৰোপিত শুল্ক ১১০ শতাংশৰ পৰা ১০ শতাংশলৈ হ্ৰাস কৰা হ'ব। চকলেট আৰু প্ৰসাধন সামগ্ৰীৰ সকলো শুল্ক প্ৰত্যাহাৰ কৰা হ'ব।

৭। ইংৰাজ কোম্পানীয়ে ভাৰতত বছৰি ৪.০৯ লাখ কোটি টকাৰ ঠিকাত বিনিয়োগ কৰিব পাৰিব।

৮। ভাৰতত ইংলণ্ডৰ ছখন শীৰ্ষ বিশ্ববিদ্যালয়ৰ চৌহদ স্থাপন কৰা হ'ব ইত্যাদি।

## আন্তৰ্জাতিক খ্যাতিসম্পন্ন নাট্যকাৰ, থিয়েটাৰ পৰিচালক ৰতন থিয়ামৰ দেহাৱসান



যোৱা ২৩ জুলাই তাৰিখে আন্তৰ্জাতিক খ্যাতিসম্পন্ন যশস্বী নাট্যকাৰ তথা থিয়েটাৰ পৰিচালক ৰতন থিয়ামৰ ৭৭ বছৰ বয়সত ইম্ফলত দেহাৱসান ঘটে। ১৯৪৮ চনত জন্মগ্ৰহণ কৰা থিয়ামে ১৯৭৪ চনত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ (National School of Drama) পৰা নাটকৰ শিক্ষা (আদিপাঠ) গ্ৰহণ কৰি ৰাজধানী ইম্ফলত 'কোৰাছ ৰেপাৰটৰী থিয়েটাৰ' (Chorus Repertory Theatre) (১৯৭৬ চন) নামৰ নাট্যানুষ্ঠানটো প্ৰতিষ্ঠা

কৰি নাট্য আন্দোলনত ঘনিষ্ঠভাৱে জড়িত হৈ পৰে। মণিপুৰৰ চহকী লোককলা আৰু ধ্ৰুপদীকলাৰ দৃশ্যায়নেৰে আধুনিক নাটকৰ স্বৰূপটোক উন্মোচন কৰিবলৈ যত্নপৰ হোৱা অনুভৱী নাট্যকাৰগৰাকীৰ কেইখনমান সমাদৃত তথা চিন্তা উদ্রেককাৰী নাটক হৈছে—'চক্ৰবেহু', 'উত্তৰ প্ৰিয়াদৰ্শী', 'উৰুভংগ', 'অন্ধ যুগ', 'চ'ফ'ক্লিছৰ এন্টিগনি', 'ইম্ফল ইম্ফল', 'নাইন হিলছ ওৱান ভেলী' (Nine Hills One Valley) ইত্যাদি। অভিনৱ নাট্য নিবেদন আৰু যাদুময়তাৰ বাবে বিশ্ববিশ্ৰুত হৈ পৰা নাট্যযোদ্ধাগৰাকীয়ে অহৰহ ভাৰতীয় নাট্য পৰম্পৰাক নতুন মাত্ৰা দিবলৈ সক্ষম হৈছিল। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ অধ্যক্ষ তথা সঞ্চালকৰ দায়িত্ব পালন কৰা বিশিষ্ট নাট্য পৰিচালকগৰাকীয়ে ৬টা আন্তঃৰাষ্ট্ৰীয়, ২৭টা ৰাষ্ট্ৰীয় তথা ৬টা ৰাজ্যিক পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হয়। ১৯৮৯ চনত পদ্মশ্ৰী বঁটা লাভ কৰা আৰু বিশ্বৰ ৫০খন দেশত নাট মঞ্চস্থ কৰি সমাদৃত হোৱা থিয়ামে দেশজুৰি অসংখ্য নাট্যকৰ্মীক নাটকৰ আদিপাঠ শিকাই ভাৰতৰ নাট্য আন্দোলনটোক শক্তিশালী কৰি তোলাত সহায় কৰে। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

**নিবন্ধ**

# স্বাস্থ্যৰ বাবে মাৰাত্মক ক্ষতিকাৰক শীতল পানীয়

■ **জুৰি গোস্বামী**



পুৰণি কালৰে পৰা নেমু, বেল আদি ফলৰ ৰসক শীতল পানীয় হিচাপে ব্যৱহাৰ কৰি অহা হৈছে। কিন্তু, বৰ্তমান সময়ত এইবোৰৰ স্থান লৈছে শীতল পানীয়ই (cold drinks)। আশ্চৰ্য্যৰ কথা যে, গ্ৰীষ্মৰ দিনকেইটাত বজাৰত প্ৰাণীৰ প্ৰাণসদৃশ পানীতকৈও এনে শীতল পানীয়ৰ বিক্ৰীৰ হাৰ যথেষ্ট বেছি। শীতল পানীয়ৰ বিখ্যাত প্ৰতিষ্ঠান কোকাকোলাই (Coca-Cola) দৈনিক প্ৰায় ১৯৯ কোটি বটল শীতল পানীয় বিক্ৰী কৰে। ইয়াৰ উপৰি অন্য পানীয়, যেনে—স্প্ৰাইট, লিমকা, থামছআপ, পেপছি, মাজা, মাউণ্টেইন ডিউ, ফ্ৰুটি, ৰেড বুল আদি অন্য ব্ৰেণ্ডেও বজাৰত উল্লেখযোগ্য স্থান দখল কৰি আছে। শীতল পানীয়ৰ বিশেষ সোৱাদ আৰু অনুভূতিয়েই বিশ্বজুৰি জনপ্ৰিয় হোৱাৰ মূল কাৰণ। শীতল পানীয়ৰ আকৰ্ষণীয় বিজ্ঞাপনো বিক্ৰীৰ হাৰ বৃদ্ধি হোৱাৰ অন্য এক কাৰণ।

কোঠাৰ উষ্ণতাতকৈ কম উষ্ণতাত পৰিবেশন কৰা পানীয়েই হল শীতল পানীয়। শীতল পানীয়ৰ মূল আধাৰ হ'ল পানী। কাৰ্বন ডাই-অক্সাইডক পানীত বিশেষ প্ৰক্ৰিয়াৰে উচ্চ চাপত ৰাখি পাছত প্ৰাকৃতিক বা কৃত্ৰিমভাৱে চেনি, ৰং, সুগন্ধি, সংৰক্ষক দ্ৰব্য আদি নিৰ্দিষ্ট পৰিমাণত মিহলি কৰি ঠাণ্ডা পৰিবেশত ৰাখি সুস্বাদু শীতল পানীয় প্ৰস্তুত কৰা হয়।

সকলো শীতল পানীয় অৱশ্যে কাৰ্বনেটেড (carbonated) নহ'বও পাৰে। কিন্তু কাৰ্বনেটেড শীতল

পানীয়ৰ প্ৰতিহে সকলোৰে আকৰ্ষণ বেছি। শীতল পানীয়ত অধিক পৰিমাণত মিঠা যোগ কৰা হয়, যি প্ৰাকৃতিক বা কৃত্ৰিম মিঠা হ'ব পাৰে। শীতল পানীয় এতিয়া আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে।

ওঠৰ শতিকাতেই প্ৰথমে ইংলণ্ডত ঔষধ হিচাপে কাৰ্বনেটেড পানীয় প্ৰস্তুত কৰা হৈছিল আৰু ১৮৮৬ খৃষ্টাব্দৰ পৰা ইয়াক ব্যৱসায়িক ক্ষেত্ৰত শীতল পানীয় হিচাপে ব্যৱহাৰ কৰা হয়। ১৯ শতিকাৰ মাজভাগত কোকাকোলাই শীতল পানীয় প্ৰস্তুত কৰি বিশ্বৰ বজাৰত মুকলি কৰি দিয়ে।

বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ পৰা দেখা গৈছে যে কাৰ্বনেটেড শীতল পানীয় শৰীৰৰ বাবে ৫ শতাংশ উপকাৰী আৰু ৯৫ শতাংশই অপকাৰী। শীতল পানীয়ৰ বটলত থকা মাত্ৰাধিক চেনি বা উচ্চ ফ্ৰুক্ট'জযুক্ত ছিৰাপ, ফছফেট, বাইকাৰ্বনিক এচিড আৰু কেফেইন মানৱ শৰীৰৰ বাবে যথেষ্ট ক্ষতিকাৰক হ'ব পাৰে। আচৰিত লাগিলেও সত্য যে ৫০০ মিলিলিটাৰ শীতল পানীয়ৰ বটলত ৫৩ৰ পৰা ৫৯ গ্ৰামলৈ চেনি ব্যৱহাৰ কৰা হয়, যিটো চাহ চামুচেৰে ১৩ৰ পৰা ১৪ চামুচ হয়।

শীতল পানীয়ৰ স্বাস্থ্যজনিত সমস্যা যে বহুত থাকে সেয়া চিকিৎসকসকলেও স্বীকাৰ কৰে। শীতল পানীয় গ্ৰহণৰ ফলত মেদবহুলতা, মধুমেহ, শৰীৰৰ ওজন বৃদ্ধি, হৃদৰোগ, পেটৰ সমস্যা, কেন্সাৰ, যকৃতৰ ক্ষতি, বন্ধ্যাত্ব, হাড়ৰ ক্ষতি, বিপাকৰ স্তৰ হ্ৰাস, শিশু আৰু বৃদ্ধৰ দাঁতৰ সমস্যা আদি সঘনে হোৱা দেখা যায়। শেহতীয়া এক অধ্যয়নত দেখা গৈছে যে এই শীতল পানীয়বোৰে আমাৰ মগজুৰ কাম-কাজতো বিৰূপ প্ৰভাৱ পেলায়। বহু সমালোচকে শীতল পানীয়ক টয়লেট ক্লিনাৰৰ (toilet cleaner) সৈতে তুলনা কৰে।

কাৰ্বনেটেড শীতল পানীয়ৰ গুৰুতৰ পাৰ্শ্বক্ৰিয়া হ'ল দাঁতৰ ক্ষয়। ইয়াত থকা ফছফেট আৰু বাইকাৰ্বনিক এচিডে সময়ৰ লগে লগে দাঁতৰ এনামেল ক্ষয় নিয়ায়। এই এচিডবোৰ চেনিৰ সৈতে মিহলি হৈ মুখত বেক্টেৰিয়া সৃষ্টি কৰাৰ বাবে উপযুক্ত পৰিবেশ সৃষ্টি কৰে আৰু শেষত দাঁতৰ ক্ষতিসাধন কৰে।

যোল্ল হাজাৰতকৈও অধিক লোকৰ মাজত কৰা এক গৱেষণাৰ তথ্য অনুসৰি যিসকল লোকে দৈনিক ৫০০ মিলিলিটাৰতকৈ অধিক শীতল পানীয় সেৱন কৰে তেওঁলোকৰ হাঁপানী বা স্বাস-প্ৰশ্বাসজনিত ৰোগ হোৱাৰ সম্ভাৱনা যথেষ্ট বৃদ্ধি পায়।

১৯৭৭ চনৰ পৰা ২০০২ চনলৈকে আমেৰিকানসকলে মিঠাযুক্ত পানীয়ৰ সেৱন দুগুণ বৃদ্ধি কৰিলে। এই ধাৰাটোৰ সমান্তৰালভাৱে মেদবহুলতাৰ প্ৰাদুৰ্ভাৱ দুগুণ হৈছিল।

২০১৩ চনত আমেৰিকান ছ'চাইটি অৱ নেফ্ৰ'লজীৰ (American society of nephrology) এক জাৰ্নেলত প্ৰকাশিত এক অধ্যয়নত শীতল পানীয় সেৱনৰ ফলত বৃক্কত পাথৰ হোৱাৰ সম্ভাৱনা ২৩% বেছি হয় বুলি প্ৰকাশ পাইছে। ই সচেতন মহলত চিন্তনীয় বিষয় হিচাপে বিবেচিত হৈছে।

চেনিযুক্ত শীতল পানীয়ত যোগ কৰা মাত্ৰাধিক চেনিৰ বাবে তেজৰ গ্লুক'জৰ মাত্ৰা দ্ৰুতগতিত বৃদ্ধি পাব পাৰে। তদুপৰি, কৃত্ৰিমভাৱে মিঠা কৰা পানীয় খোৱা লোকসকলৰ হৃদযন্ত্ৰ আৰু পাচনতন্ত্ৰৰ ৰোগ হোৱাৰ সম্ভাৱনা বেছি হয়। শীতল পানীয়ত কেলৰিৰ পৰিমাণ বেছি থাকে বাবেই ওজন বৃদ্ধিত অৰিহণা যোগায়, যিটো টাইপ ২ ডায়েবেটিছৰ বাবে এটা প্ৰধান বিপদজনক কাৰক।

ভাৰতত কাৰ্বনেটেড শীতল পানীয়ৰ উৎপাদন, আমদানি, বিক্ৰী আৰু বিজ্ঞাপন খাদ্য সুৰক্ষা আৰু মানদণ্ড আইন, ২০০৬ৰ (FSSAI) দ্বাৰা নিয়ন্ত্ৰিত হয়। এফএছএছএআইয়ে কাৰ্বনেটেড পানীয়ৰ বাবে কিছুমান নিৰ্দিষ্ট মান নিৰ্ধাৰণ কৰিছে, য'ত কেফেইন, কীটনাশকৰ অৱশিষ্ট, পি এইচ আৰু অন্যান্য পৰিমাপসমূহৰ সীমা অন্তৰ্ভুক্ত কৰা হৈছে। এফএছএছএআইৰ নিৰ্দেশনা অনুসৰি এনে পানীয়ত কেফেইনৰ পৰিমাণ ৩০০ মিলিগ্ৰাম প্ৰতি লিটাৰতকৈ বেছি হ'ব নোৱাৰিব। শিশু বা ডাঙৰ সকলোৰে বাবেই শীতল পানীয় ক্ষতিকাৰক আৰু পাৰ্য্যমানে এয়া এৰাই চলিব লাগে। ❖

## খবৰৰ লেছেৰি বোটলা

**(২১ জুন, ২০২৫ ৰ পৰা ২০ জুলাই, ২০২৫লৈ)**

২১ **জুন** : মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমস্ত সৃষ্টিৰাজি হিন্দী আৰু ইংৰাজী ভাষালৈ অনুবাদ কৰা হ'ব বুলি সদৌ অসম সত্ৰ মহাসভাই ঘোষণা কৰে।

২৫ **জুন** : কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ২০২৬ চনৰ পৰা দশম শ্ৰেণীৰ পৰীক্ষা বছৰত দুবাৰকৈ পাতিব বুলি ঘোষণা কৰে।

২৮ **জুন** : পেৰিছত অনুষ্ঠিত ডাইমণ্ড লীগত জেভেলিন থ্ৰ'ৰাৰ নীৰজ চোপ্ৰাই স্বৰ্ণ পদক লাভ কৰি বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থান দখল কৰে।

২৯ **জুন** : ৪.১ বিলিয়ন মাৰ্কিন ডলাৰৰ ব্যৱসায়েৰে খাদ্য সামগ্ৰীৰ ব্ৰেণ্ডত আমূলে প্ৰথম স্থান অধিকাৰ কৰে।

৩০ **জুন** : অসম চৰকাৰে শিলচৰ পৌৰসভাক পৌৰ নিগমলৈ উন্নীত কৰে।

১ **জুলাই** : জনপ্ৰিয় কবি, গল্পকাৰ, অধ্যাপক অনুভৱ তুলসীৰ ৬৭ বছৰ বয়সত দেহাৱসান ঘটে।

২ **জুলাই** : আমেৰিকা যুক্তৰাষ্ট্ৰৰ আলাবামাত অনুষ্ঠিত বিশ্ব আৰক্ষী এথলেটিক্‌ছ চেম্পিয়নশ্বিপত ৰিম্পী বুঢ়াগোহাঁয়ে লং জাম্পত ভাৰতৰ হৈ স্বৰ্ণ পদক লাভ কৰে।

৩ **জুলাই** : বিশ্বৰ সাতখন মহাদেশৰ সাতটা সৰ্বোচ্চ শৃংগ আৰোহণ কৰি অসমৰ হেদায়েৎ আলীয়ে ইতিহাস ৰচনা কৰে।

৪ **জুলাই** : গুৱাহাটী আইআইটিৰ ছাত্ৰী সুকন্যা সোণোৱাল কমনৱেলথৰ য়ুথ পিচ এম্বেছাদৰ (Youth Peace Ambassador) হিচাপে নিৰ্বাচিত হয়।

৫ **জুলাই** : ৰাছিয়াই বিশ্বৰ প্ৰথমখন দেশ হিচাপে আফগানিস্তানৰ তালিবান চৰকাৰক আনুষ্ঠানিকভাৱে স্বীকৃতি দিয়ে।

৮ **জুলাই** : ছেপ্টেম্বৰ মাহত শৰাইঘাটত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দ্বিতীয়খন দ্বৈত পথযুক্ত ৰেলৰে দলং নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

- বিশিষ্ট চলচ্চিত্ৰ সমালোচক উৎপল বৰপূজাৰী 'ভাৰতীয় সৃষ্টিশীল দক্ষতা প্ৰতিষ্ঠান'ৰ (Indian Institute of Creative Skills) উপদেষ্টা হিচাপে মনোনীত হয়।

৯ **জুলাই** : ভাৰতীয় মূলৰ ছাবিহ খানে এপলৰ মুখ্য পৰিচালন বিষয়া (Chief Opertating Officer) হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

১০ **জুলাই** : আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটলাণ্টা বিমান বন্দৰ ২০২৪ বৰ্ষত ১০,৮০,৬৭,৭৬৬ গৰাকী যাত্ৰীৰ ভ্ৰমণেৰে বিশ্বৰ সবাতোকৈ ব্যস্ত বিমানবন্দৰ বুলি স্বীকৃতি লাভ কৰে।

১১ **জুলাই** : আমেৰিকা যুক্তৰাষ্ট্ৰত থকা প্ৰবাসী ভাৰতীয়ই বছৰি ২৫ লাখ কোটি টকাৰ কৰ পৰিশোধ কৰে বুলি চৰকাৰে প্ৰকাশ কৰে।

১২ **জুলাই** : সোণাপুৰত ভাৰতৰ প্ৰথমখন 'একুৱা টেক পাৰ্ক' (Aqua Tech Park) মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে।

- পোলেণ্ডৰ ইগা ছিয়ানটেকে উইম্বলডন টেনিছ প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ দখল কৰে।

১৩ **জুলাই** : নৱ কুমাৰ মিশ্ৰই অনুবাদ কৰা 'বুঢ়ী আইৰ সাধু'ৰ উড়িয়া সংস্কৰণ সম্বলপুৰত উন্মোচন কৰা হয়।

১৪ **জুলাই** : উত্তৰ কোৰিয়াৰ সুদৃশ্য কুমগাংগ পৰ্বতক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া হয়।

১৭ **জুলাই** : ইংলণ্ডত পৰবৰ্তী সাধাৰণ নিৰ্বাচনত ভোটাৰৰ ন্যূনতম বয়স ১৮ৰ পৰিবৰ্তে ১৬ বছৰ কৰা হ'ব বুলি চৰকাৰে ঘোষণা কৰে।

১৮ **জুলাই** : পেহেলগাম হত্যাকাণ্ডৰ লগত জড়িত দা ৰেজিষ্টেন্স ফ্ৰণ্টক (The Resistance Front) আমেৰিকা যুক্তৰাষ্ট্ৰই আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠন বুলি ঘোষণা কৰে।

১৯ **জুলাই** : ৰ'জাৰ বিন্নীয়ে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ (বিচিচিআই) সভাপতিৰ পদৰ পৰা পদত্যাগ কৰে। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

# ভাৰতৰ বিভিন্ন ভাষা

■ হিমাদ্ৰী বৰা

ভাষা হৈছে যোগাযোগৰ এক মাধ্যম, যাৰ জৰিয়তে মানুহে মনৰ ভাব-চিন্তা, আবেগ-অনুভূতি, ধাৰণা আদি প্ৰকাশ কৰে। অৰ্থাৎ ভাষা হৈছে মানুহৰ মননশীলতাৰ বলিষ্ঠ মাধ্যম। যেতিয়া মানুহে তেওঁলোকৰ চিন্তা, অনুভৱ, ধাৰণা আদিবোৰ প্ৰণালীবদ্ধভাৱে শব্দ আৰু বাক্যৰ জৰিয়তে আৰু লিখনিৰ জৰিয়তে প্ৰকাশ কৰে, তেতিয়াই ভাষা এটাই স্বীকৃতি লাভ কৰে।

বৰ্তমান পৃথিৱীত ৭১৬৯টা ভাষা ব্যৱহাৰ হৈ আছে। ইয়াৰে প্ৰায় ৪৪% ভাষা এতিয়াও বিপদাপন্ন অৱস্থাত আছে। পৃথিৱীৰ ৭১৬৯টা ভাষাৰ ২০টা ভাষাক প্ৰায় ৩৭০ কোটি মানুহে স্থানীয় ভাষা হিচাপে ব্যৱহাৰ কৰে। পৃথিৱীৰ ১৯৫খন ৰাষ্ট্ৰৰ ভিতৰত জনবহুল দেশ হিচাপে পৰিগণিত ভাৰতবৰ্ষক বহুভাষিক দেশৰূপেও জনা যায়। প্ৰধান ভাষা আৰু উপভাষা মিলি ভাৰতত প্ৰচলিত মুঠ ভাষা প্ৰায় ১৯,৫০০টা। ইয়াৰে ১২১টা ভাষাক প্ৰধান ভাষাৰূপে স্বীকৃতি দিয়া হৈছে যদিও মাত্ৰ ২২টা ভাষাকহে সংবিধান স্বীকৃত ভাষাৰূপে গণ্য কৰা হৈছে। সেই ভাষাকেইটা হ'ল—অসমীয়া, বাংলা, বড়ো, ডোগৰী, গুজৰাটী, হিন্দী, কানাড়া, কাশ্মীৰী, কংকনি, মৈথিলী, মালায়ালম, মণিপুৰী, মাৰাঠী, নেপালী, ওড়িয়া, পাঞ্জাবী, সংস্কৃত, চাওতাল, সিন্ধী, তামিল, তেলেগু আৰু উৰ্দু।

ভাৰতৰ ভাষাসমূহৰ ভিতৰত কেৱল হিন্দী আৰু ইংৰাজী এই দুটা ভাষাকহে চৰকাৰী কামত ব্যৱহাৰযোগ্য ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। হিন্দী হৈছে ভাৰতৰ বিকাশশীল ভাষা। বহুতো ৰাজ্যত হিন্দীক প্ৰাথমিক ভাষা আৰু শিক্ষাৰ ভাষাৰ লগতে দ্বিতীয় ভাষা হিচাপে গণ্য কৰা হয়। বৃটিছ শাসনৰ সময়তো ইংৰাজী ভাষাক প্ৰশাসনিক আৰু উচ্চ শিক্ষাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হৈছিল।

তামিল ভাষা বিশ্বৰ আটাইতকৈ পুৰণি ভাষা। এই ভাষাৰ ইতিহাস ৫,০০০ বছৰৰো অধিক। তামিলনাডু আৰু পুডুচেৰীৰ চৰকাৰী ভাষাৰূপে তামিল ভাষাটো আজিও ব্যৱহৃত হৈ আছে। বিশ্বব্যাপী প্ৰায় ৭ কোটি ৫০ লাখ লোকে এই ভাষা ব্যৱহাৰ কৰি আছে। তামিল ভাষাক ২০০৪ চনতে ধ্ৰুপদী বা শাস্ত্ৰীয় ভাষাৰূপে ঘোষণা কৰা হৈছিল। পৰৱৰ্তী সময়ত আৰু ৬টা ভাষা ক্ৰমে সংস্কৃত, কানাড়া, তেলেগু, মালায়ালম, ওড়িয়া আৰু বাংলা ভাষাক শাস্ত্ৰীয় অৰ্থাৎ ধ্ৰুপদী ভাষাৰূপে স্বীকৃতি প্ৰদান কৰা হয়। তদুপৰি ২০২৪ বৰ্ষৰ ৩ অক্ট'বৰ তাৰিখে অসমীয়া ভাষাকে ধৰি মাৰাঠী, পালি, প্ৰাকৃত এই চাৰিটা ভাষাক ধ্ৰুপদী তথা শাস্ত্ৰীয় ভাষাৰূপে স্বীকৃতি প্ৰদান কৰা হয়। এই ভাষাসমূহৰ সাহিত্যৰ ক্ষেত্ৰত দীঘলীয়া ইতিহাস থকাৰ পৰিপ্ৰেক্ষিতত ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা প্ৰদান কৰা হয়।

সমগ্ৰ ভাৰতত বিকাশশীল ভাষাৰ তুলনাত বিপদাপন্ন ভাষা কম যদিও এখন উন্নয়নশীল ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষত ভাষা এটাৰ মৃতপ্ৰায় অৱস্থাটোৰ প্ৰতি আমি সংবেদনশীল হোৱা উচিত। আমি প্ৰত্যেকেই ভাষা এটা জীয়াই ৰখাৰ ক্ষেত্ৰত যিখিনি কৰণীয়, সেইখিনি কৰিবলৈ চেষ্টা কৰা উচিত।

২০০০ চনৰ এক সমীক্ষা অনুসৰি বিশ্বত প্ৰায় ৭০০০টা স্থানীয় কথিত ভাষা প্ৰচলিত আছিল। কিন্তু এইবোৰৰ সৰহসংখ্যক ভাষাই বিলুপ্তিৰ আশংকাত আছে বুলি জানিব পৰা গৈছে। ২০০৪ চনত প্ৰকাশ হোৱা তথ্য অনুসৰি ২০৫০ চনৰ ভিতৰত বৰ্তমান কথিত ভাষাবোৰৰ প্ৰায় ৯০% ভাষাই বিলুপ্ত হ'ব, যিটো আমাৰ বাবে অতিশয় দুখজনক বতৰা।

আমাৰ দেশ ভাৰতবৰ্ষতো কিছুমান স্থানীয় ভাষা বিলুপ্ত তথা মৃত ভাষাত পৰিণত হৈছে। এইটো এটা জাতি তথা এখন বিকাশশীল দেশৰ বাবে বৰ চিন্তনীয়

বিষয়। উদাহৰণস্বৰূপে, হিমালয় অঞ্চলত প্ৰচলিত স্থানীয় ভাষা এন্দ্ৰ' (Andro), ৰেংকাছ (Rangkas), ছেংমাই (Sengmai) আৰু টল্‌চাৰ (Talcha) কথা উল্লেখ কৰিব পাৰি। সেইদৰে আন্দামানী ভাষাৰ অন্তৰ্গত জাংগিলকে (Jangil) ধৰি আধুনি (Adhuni), দিচি (Dichi), ঘলু (Ghallu), হেলগো (Helgo), কাটাগী (Katagi) আদি ভাষাবোৰ হেৰাই গৈছে। তদুপৰি ওড়িশাৰ মাণ্ডা (Manda), পাৰ্জি (Pargi) আৰু পেংগো (Pengo), কৰ্ণাটকৰ কোৰাগা (Koraga) আৰু কোৰোবা (Kuruba), অন্ধ্ৰপ্ৰদেশৰ গাদাবা (Gadaba) আৰু নাইকি (Naiki), তামিলনাডুৰ কোটা (Kota) আৰু টোডা (Toda), মহাৰাষ্ট্ৰৰ নিহালী (Nihali), উত্তৰাখণ্ডৰ বাংগানী (Bangani), মেঘালয়ৰ ৰোগা (Roga) আদি ভাষাবোৰ লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম হৈছে।

অসমত বৰ্তমান প্ৰায় ৫৫টা ভাষা আৰু উপভাষা ব্যৱহৃত হৈ আছে। ইয়াৰ ভিতৰত অসমীয়া, বড়ো আৰু বাংলা ভাষা চৰকাৰী ভাষাৰূপে বা সহযোগী চৰকাৰী ভাষাৰূপে মৰ্য্যাদাপ্ৰাপ্ত ভাষা। বাংলা ভাষাটো বৰাক উপত্যকাৰ কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি এই তিনিখন জিলাৰ চৰকাৰী ভাষাৰূপে ব্যৱহৃত ভাষা।

অসমত বৰ্তমান প্ৰচলিত ৫৫টা ভাষাৰ উপৰি আৰু অনেক ভাষা-উপভাষা আছে, যিবিলাক বিলুপ্ত হোৱাৰ পথত। সেইসমূহ হ'ল—আহোম, সোণোৱাল, মৰাণ, মটক, টাই নৰা, টাই ৰং, টুৰুং, টাই আইতন, খামিয়াং, টাই ফাকে, ছিংফৌ আদি জনজাতীয় ভাষা।

অসমৰ তিনিচুকীয়া, যোৰহাট, শিৱসাগৰ, গোলাঘাট আৰু অৰুণাচল প্ৰদেশৰ কিছু অংশত খামিয়াং জনগোষ্ঠীৰ লোক বসবাস কৰে। প্ৰায় ৭০০০ এই জনগোষ্ঠীৰ লোক আছে যদিও নগণ্যসংখ্যক লোকেহে খামিয়াং ভাষাটো ব্যৱহাৰ কৰে। বাকীসকলে অসমীয়া ভাষা কয়।

গতিকে ভাষা এটা জীয়াই ৰখাৰ স্বাৰ্থত বিলুপ্ত হ'বলৈ ধৰা ভাষাবোৰ পুনৰুজ্জীৱিত কৰিবলৈ আমি যত্নপৰ হোৱা উচিত। ❖

## ক্ৰীড়াংগন

# কপিলদেৱ

■ **ভাস্কৰজ্যোতি হালৈ**

ভাৰতৰ ক্ৰিকেট ইতিহাসৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ ক্ৰিকেটাৰ কপিলদেৱৰ সম্পূৰ্ণ নামটো কপিলদেৱ ৰামলাল নিখাঞ্জ। ১৯৫৯ চনৰ ৬ জানুৱাৰীত চণ্ডীগড়ত জন্মগ্ৰহণ কৰা কপিলদেৱৰ ক্ৰিকেটৰ যাত্ৰা কম বয়সতে আৰম্ভ হৈছিল। আক্ৰমণাত্মক বেটিংশৈলী আৰু উল্লেখযোগ্য দ্ৰুত বলিং দক্ষতাৰ বাবে তেওঁ 'হাৰিয়ানা হাৰিকেন' (Haryana Hurricane) বুলি প্ৰসিদ্ধি লাভ কৰিছিল।

কপিলদেৱৰ জন্ম হৈছিল কাঠৰ ব্যৱসায়ী ৰামলাল নিখাঞ্জ আৰু ৰাজকুমাৰীৰ ঘৰত। ছটা সন্তানৰ ভিতৰত তেওঁ আছিল সৰু। কপিলদেৱে ডিএভি চণ্ডীগড় স্কুলত পঢ়া-শুনা কৰিছিল আৰু ছাত্ৰ হিচাপে তেওঁ এগৰাকী মধ্যমীয়া ছাত্ৰ আছিল। তেওঁৰ প্ৰকৃত ৰুচি আৰু আবেগ ক্ৰীড়া, বিশেষকৈ ক্ৰিকেট খেলত নিহিত হৈ আছিল। পুত্ৰৰ প্ৰতিভা চিনি পাই কপিলদেৱৰ পিতৃয়ে তেওঁক ক্ৰিকেট খেলিবলৈ উৎসাহিত কৰিছিল।

কম বয়সতে আৰম্ভ হোৱা ক্ৰিকেটৰ যাত্ৰাত কপিলদেৱৰ প্ৰশিক্ষক আছিল দেশপ্ৰেম আজাদ নামৰ এগৰাকী প্ৰাক্তন প্ৰথম শ্ৰেণীৰ ক্ৰিকেটাৰ। কপিলদেৱে ১৯৭৫ চনত হাৰিয়ানাৰ হৈ প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত অভিষেক আৰু ১৯৭৮ চনত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ হৈ টেষ্টত অভিষেক ঘটায়। ইয়াৰ পাছত সেই একেটা বৰ্ষতেই পাকিস্তানৰ বিৰুদ্ধে তেওঁৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটতো অভিষেক ঘটে। খেলুৱৈ হিচাপে কপিলদেৱৰ

উত্থান যথেষ্ট দ্ৰুত। ১৯৭৮ চনত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অভিষেক ঘটা কপিলদেৱ অতি সোনকালেই ভাৰতীয় ক্ৰিকেট দলৰ এক গুৰুত্বপূৰ্ণ অংগ হৈ পৰে। কেৰিয়াৰৰ প্ৰথম বছৰবোৰত তেওঁৰ আকৰ্ষণীয় প্ৰদৰ্শনে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক পদৰ বাবে তেওঁক দাবীদাৰ কৰি তোলে। ১৯৮৩ চনত ইংলণ্ড আৰু ৱেলচত আঠখন দেশৰ মাজত অনুষ্ঠিত তৃতীয় বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত তেওঁৰ অধিনায়কত্বতেই ভাৰতে ফাইনেলত ৱেষ্ট ইণ্ডিজক পৰাস্ত কৰি প্ৰথমবাৰলৈ বিশ্বকাপ জয় কৰিবলৈ সক্ষম হৈছিল। অধিনায়ক হিচাপে মাত্ৰ ২৪ বছৰ বয়সতে বিশ্বকাপ জয় কৰা কপিলদেৱৰ এই সাফল্য বিশ্বৰ যিকোনো দেশৰ বাবে আজিও অলংঘনীয় হৈ আছে। বিশ্ব জয়ৰ এই ফলাফলে ভাৰতত ক্ৰিকেটক অধিক জনপ্ৰিয়তা প্ৰদান কৰি ক্ৰিকেটপ্ৰিয় এক প্ৰজন্মৰ সৃষ্টি কৰিছিল আৰু বহুতো খেলুৱৈক ক্ৰিকেটাৰ হ'বলৈ অনুপ্ৰাণিতও কৰিছিল।



কপিলদেৱে ক্ৰিকেট কেৰিয়াৰত অসংখ্য মাইলৰ খুঁটিৰ (mile stone) সৃষ্টি কৰিছিল। টেষ্ট ক্ৰিকেটত তেওঁ ৪৩৪টা উইকেট দখল কৰিছিল, যিটো অভিলেখ তেওঁ অৱসৰ লোৱাৰ ১৬ বছৰ পাছলৈ অক্ষত অৱস্থাত আছিল। এদিনীয়া ক্ৰিকেটত তেওঁ ৭৩টা বলত সংগ্ৰহ কৰা শতকটো সেই সময়ৰ এটা অন্যতম দ্ৰুত শতক হিচাপে স্বীকৃতি পাইছিল। বিস্ফোৰক বেটিং আৰু দ্ৰুতগতিৰ বলিঙকে ধৰি তেওঁৰ অলৰাউণ্ড দক্ষতাই ভাৰতীয় দলৰ বাবে তেওঁক এক মূল্যবান সম্পদ কৰি তুলিছিল। ক্ৰিকেটৰ প্ৰতি কপিলদেৱৰ নিৰ্ভীক দৃষ্টিভংগী আৰু অদমনীয় প্ৰদৰ্শন ক্ষমতাই তেওঁক ব্যাপক স্বীকৃতি প্ৰদান কৰিছিল।

কপিলদেৱৰ ক্ৰিকেট জীৱনৰ অন্যতম স্মৰণীয় ইনিংছ আছিল ১৯৮৩ চনৰ বিশ্বকাপ ক্ৰিকেটত জিম্বাবুৱেৰ বিৰুদ্ধে অপৰাজিতভাৱে সংগ্ৰহ কৰা ১৭৫ ৰানৰ ইনিংছটো। এই ইনিংছটোক বিশ্বকাপৰ ইতিহাসৰ এটা অন্যতম শ্ৰেষ্ঠ ইনিংছ হিচাপে বিবেচনা কৰা হয়। তেওঁৰ আক্ৰমণাত্মক বেটিং আৰু বিপক্ষৰ বিৰুদ্ধে বলিং আক্ৰমণত আধিপত্য বিস্তাৰ কৰাৰ ক্ষমতাই অনুৰাগীৰ মাজত তেওঁক প্ৰিয় কৰি তুলিছিল।

কপিলদেৱৰ এই কৃতিত্বই ভাৰতত তেওঁৰ উত্তৰাধিকাৰী সৃষ্টিত অৰিহণা যোগাইছিল। ভাৰতত ক্ৰিকেটক জনপ্ৰিয় কৰি তোলাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ ক্ৰিকেট খেলুৱৈক অনুপ্ৰাণিত কৰাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ আবেগ, নিষ্ঠা আৰু কাৰ্য্যনীতিয়ে ভাৰতীয় ক্ৰিকেটৰ বাবে এক উচ্চমানৰ সৃষ্টি কৰিছিল। ভাৰতীয় ক্ৰিকেটলৈ কপিলদেৱৰ অৱদানক 'পদ্মশ্ৰী', 'পদ্মভূষণ', 'উইজডেন ক্ৰিকেটাৰ অৱ দ্য ইয়েৰ', 'উইজডেন ইণ্ডিয়ান ক্ৰিকেটাৰ অব দ্যা চেঞ্চুৰী', 'আইচিচি ক্ৰিকেট হল অব ফেম'কে ধৰি অসংখ্য বঁটাই স্বীকৃতি প্ৰদান কৰিছে।


ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ পাছতো কপিলদেৱে ক্ৰিকেটৰ ধাৰাভাষ্যকাৰ, প্ৰশিক্ষণ আদিকে ধৰি বিভিন্ন ভূমিকাৰ জৰিয়তে এই ক্ৰীড়াৰ সৈতে জড়িত হৈ আছে। তেওঁৰ অন্তৰ্দৃষ্টি আৰু ক্ৰিকেট সম্পৰ্কীয় বুৎপত্তিক ক্ৰিকেট অনুৰাগী আৰু পেছাদাৰী সকলোৱেই সমানেই গুৰুত্ব দি আহিছে। ভাৰতীয় ক্ৰিকেটত কপিলদেৱৰ প্ৰভাৱ অসীম আৰু তেওঁৰ খেলৰ প্ৰতি থকা অৱদানে সমগ্ৰ বিশ্বৰ ক্ৰিকেটাৰ আৰু অনুৰাগীক অনুপ্ৰাণিত কৰি আহিছে।

কপিলদেৱৰ উল্লেখযোগ্য কেৰিয়াৰ, নেতৃত্ব আৰু কৃতিত্বই ভাৰতীয় ক্ৰিকেটত চিৰস্থায়ী প্ৰভাৱ পেলাইছে। খেলপথাৰত আৰু খেলপথাৰৰ বাহিৰত তেওঁৰ অৱদানে ভাৰতৰ অন্যতম শ্ৰেষ্ঠ ক্ৰিকেটাৰ হিচাপে তেওঁৰ স্থান দৃঢ় কৰি তুলিছে। ❖

# মৰু আৰু সমুদ্ৰৰ দেশত

■ মৈত্ৰেয় আহোম
সপ্তম শ্ৰেণী

বৰ্তমান সময়ত বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰাটো অতি প্ৰয়োজনীয়। কেৱল পাঠ্যপুথিৰ অন্তৰ্গত জ্ঞানে এগৰাকী ব্যক্তিক ভৱিষ্যতে এগৰাকী সফল ব্যক্তিৰূপে গঢ়ি তোলাত সহায় নকৰে। সেয়েহে বৰ্তমানৰ প্ৰজন্মই কেৱল নিৰ্ধাৰিত পাঠ্যপুথিতে সীমাবদ্ধ হৈ থাকিব নালাগে। জ্ঞান আহৰণৰ উৎস বিভিন্ন। আমি যিমান কথা জানো তাতকৈ জানিব লগা কথা বহু বেছি। গতিকে এগৰাকী ব্যক্তিয়ে আখৰ বুজি পোৱাৰ পৰা মৃত্যুৰ সময়লৈকে জ্ঞান আহৰণ কৰিব পাৰে। এয়া ইচ্ছা আৰু জ্ঞান আহৰণ কৰাৰ বাবে প্ৰয়োজনীয় আগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰে। অলপ খৰচী, মনোৰঞ্জনমূলক, লগতে আনন্দময় জ্ঞান আহৰণৰ এক উৎস হৈছে ভ্ৰমণ।



'মৰু আৰু সমুদ্ৰৰ দেশত' এই গ্ৰন্থখনত লেখক থানেশ্বৰ মালাকাৰে মৰু আৰু সমুদ্ৰৰ দেশত অতিবাহিত কৰা আনন্দময় দিনৰ কথা উল্লেখ কৰিছে। তেওঁ নিজৰ পৰিয়ালৰ সৈতে ভ্ৰমণকালত বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰিছিল।

বৰ্তমান সময়ত খনিজ তেলত চহকী এখন দেশ হৈছে আৰব। এই আৰব দেশৰ অন্তৰ্গত ডুবাই চহৰ হৈছে এখন ফুৰিবলগীয়া ঠাই। সৰুৰে পৰা প্ৰায় সকলোৰে পৃথিৱীৰ উচ্চতম অট্টালিকা বুৰ্জ খালিফা চোৱাৰ এটা সপোন থাকে। মোৰো বুৰ্জ খালিফা (Burj Khalifa) চোৱাৰ এটা সপোন আছে।

এই গ্ৰন্থখনৰ লেখক থানেশ্বৰ মালাকাৰে নিজৰ পৰিয়ালৰ সৈতে প্ৰায় ৫ দিনমান ডুবাইত আছিল। তেওঁলোকে তাতেই মিৰাকল গাৰ্ডেন (Miracle Garden) চাবলৈও গৈছিল। লগতে ডুবাই মলত ফাউণ্টেন শ্ব' চাইছিল। বিভিন্ন বিষয়ৰ জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰি তেওঁলোক উভতি আহিছিল দিল্লীলৈ।

তেওঁলোকৰ বাবে এটা দীঘলীয়া যাত্ৰাৰ সূচী প্ৰস্তুত কৰি থোৱা আছিল। ডুবাইৰ পৰা আহি অৰ্থাৎ মৰু দেশৰ পৰা আহি তেওঁলোকে যাত্ৰা আৰম্ভ কৰিলে সমুদ্ৰৰ দেশ শ্ৰীলংকালৈ। শ্ৰীলংকাত অতিবাহিত কৰা, বিশেষকৈ সাগৰৰ পাৰৰ নিৰ্জন পৰিবেশত পাৰ কৰা দিনকেইটা তেওঁলোকৰ বাবে আছিল অতি মূল্যবান সময়। শ্ৰীলংকাত তেওঁলোকে স্থানীয় ভাষাৰ কেইটামান শব্দৰ লগতে তাৰ ৰীতি-নীতিৰ বিষয়েও জানি ল'লে আৰু চেন্নাইলৈ উভতিল।

চেন্নাইৰ পৰা এইবাৰ তেওঁলোক তামিলনাডু আৰু কেৰালা ফুৰিবলৈ ওলাল। আমি অনাথ আশ্ৰমত সৰু সৰু ল'ৰা-ছোৱালী থকা দেখিছোঁ। কিন্তু শ্ৰীলংকাত অনাথ হাতী অৰ্থাৎ সৰুতেই পিতৃ-মাতৃৰ পৰা বেলেগ হৈ যোৱা হাতীবোৰ ৰাখি প্ৰতিপালন কৰা এটা অনাথ আশ্ৰম আছে। তেওঁলোক ভাৰতৰ এখন প্ৰসিদ্ধ আৰু ঐতিহ্যপূৰ্ণ ঠাই কন্যাকুমাৰীলৈও গৈছিল। জনবিশ্বাস অনুসৰি তামিলনাডুত ধনুষকোডিত স্নান কৰিলে সকলোৰে পুণ্য হয়। ইয়াত বংগোপসাগৰ আৰু ভাৰত মহাসাগৰৰ মিলন ঘটিছে। ইয়াক তামিল ভাষাত 'আৰিগল মুন্নাই' বুলি কয়। কিন্তু ১৯৬৪ চনৰ প্ৰচণ্ড ধুমুহাৰ বাবে এই চহৰখন পৰিত্যক্ত হয়। এয়াই আছিল তেওঁৰ ভ্ৰমণৰ শেষ স্থান। ❖

# খাদ্যৰ বিষক্ৰিয়া

■ জ্ঞান কলিতা
অষ্টম শ্ৰেণী

**খাদ্যৰ বিষক্ৰিয়া (food poisoning) কি ?**

কিছুমান অণুজীৱৰ (microorganism) প্ৰভাৱত খাদ্য নষ্ট বা বিষাক্ত হয়। তেনে খাদ্য খালে শৌচ-বমি আদি হয়। তাকে খাদ্যৰ বিষক্ৰিয়া বোলে। আমাৰ খাদ্যৰ ওপৰত কিছুমান অণুজীৱই নিজৰ বংশবৃদ্ধি কৰে। সেইবোৰে খাদ্যত কিছুমান বিষাক্ত দ্ৰব্য নিঃসৰণ কৰে। ফলত খাদ্য বিষাক্ত হয়। এনে খাদ্য খালে বেমাৰ হয় আৰু কেতিয়াবা মৃত্যুও হ'ব পাৰে। সেইবাবে আমি খোৱা খাদ্য সাৱধানে সংৰক্ষণ কৰিব লাগে।


**খাদ্যৰ বিষক্ৰিয়াৰ কাৰণসমূহ**

- জীৱিত বেক্টেৰিয়া বা এই বেক্টেৰিয়াৰ দ্বাৰা সৃষ্টি হোৱা বিষাক্ত পদাৰ্থৰ বাবে খাদ্যত বিষক্ৰিয়া হ'ব পাৰে।
- বেক্টেৰিয়াবিহীন বা বীজাণুবিহীন খাদ্যতো বিষক্ৰিয়া হ'ব পাৰে। কীটনাশক, সাৰ, আৰ্চেনিক, সাগৰীয় খাদ্য, বনৰীয়া কাঠফুলা আদি বীজাণুবিহীন খাদ্যৰ বিষক্ৰিয়া হোৱাৰ অন্যতম কাৰণ।

**খাদ্যৰ বিষক্ৰিয়াৰ লক্ষণ**

ৰোগৰ প্ৰথম উপসৰ্গসমূহ দেখা দিয়ে বীজাণু সংক্ৰমিত খাদ্যদ্ৰব্য খোৱাৰ ২-৩ ঘণ্টাৰ পাছত। কেতিয়াবা কেতিয়াবা ২০ৰ পৰা ২৬ ঘণ্টাৰ পাছতো লক্ষণবোৰ দেখা দিব পাৰে।

সাধাৰণতে ৰোগ আৰম্ভ হয় হঠাতে। গা বেজ বেজাবলৈ ধৰে, মূৰ ঘূৰায় আৰু কেইবাবাৰো বমি হয়। পেটৰ ভিতৰত টানি-মুচৰি নিয়াৰ নিচিনাকৈ পকাবলৈ ধৰে। অতিপাত পেট বিষায় আৰু অতি সঘনাই পাতল শৌচ হ'বলৈ ধৰে। শৌচ কেতিয়াবা পূঁজৰ দৰে ফেনযুক্ত হয় আৰু কেতিয়াবা তেজমিশ্ৰিত হয়। ৰোগ অতি কম সময়তে প্ৰকট আৰু প্ৰবল হয়। লগে লগে শৰীৰৰ



ৰক্তচাপ কমি যায়, নাৰীৰ স্পন্দন আৰু দুৰ্বলতা বৃদ্ধি পায়। গাৰ বৰণ শেঁতা হয়, পানীৰ পিয়াহ বাঢ়ে আৰু ভীষণ জ্বৰ হয়। জ্বৰ ১০১ ডিগ্ৰী ফাৰেনহাইটৰ পৰা ১০৪ ডিগ্ৰী ফাৰেনহাইট পৰ্য্যন্ত হ'ব পাৰে।

**খাদ্যৰ বিষক্ৰিয়াৰ পৰিণাম**

উপযুক্ত সময়ত চিকিৎসা নাপালে ৰোগীৰ অৱস্থা অতি বিপজ্জনক হ'ব পাৰে। হৃদপিণ্ড আৰু ৰক্তসিৰাতন্ত্ৰই ভালদৰে কাম নকৰা হয়। পাছলৈ মাংসপেশীসমূহৰ কম্পন আৰম্ভ হয়, ৰোগীৰ দেহ ক্ৰমান্বয়ে অসাৰ হ'বলৈ ধৰে আৰু শেষত ৰোগীৰ মৃত্যুও হ'ব পাৰে।

**খাদ্যৰ বিষক্ৰিয়া কেনেদৰে প্ৰতিৰোধ কৰিব পাৰি ?**

খাদ্য সুৰক্ষাৰ কেইটামান নিয়ম অনুশীলন কৰি খাদ্যৰ বিষক্ৰিয়া প্ৰতিৰোধ কৰিব পাৰি। যেনে—

- কেঁচা বা ৰন্ধা সামগ্ৰী, যেনে—পাচলি, মাছ, মাংস ইত্যাদি সুৰক্ষিত কৰি ৰাখিব লাগে।
- খাদ্য খোৱাৰ আগত সদায় হাত দুখন আৰু খাদ্য খোৱা বাচন পৰিষ্কাৰকৈ ধুই ল'ব লাগে।
- খোৱা খাদ্য সদায় ভালদৰে আৰু সম্পূৰ্ণকৈ ৰান্ধিব লাগে।
- সদায় খাদ্য সামগ্ৰী উপযুক্ত উষ্ণতাত ৰাখিব লাগে। ❖

# মৃত্যু

■ **প্ৰজ্ঞান শইকীয়া**
অষ্টম শ্ৰেণী

হঠাৎ দেখিলোঁ
মহা সাগৰত
মৃতদেহৰ জোৱাৰ উঠিছে।
জীয়াই থকাৰ
প্ৰবল আশাৰে
মই চিঞৰি উঠিলোঁ।
কিন্তু, মোৰ স্বৰযন্ত্ৰৰ
স্বৰসিৰা চিৰদিনলৈ
বন্ধ হৈ গ'ল।
দুধাৰি চকুলোৰে
মোৰ দুই নয়ন
সেমেকাই তুলিলে। ❖

# কবিতা

■ **অভিনৱ বৰুৱা**
দশম শ্ৰেণী

## স্বৈৰতান্ত্ৰিক

জবৰা জবৰা চুলিৰে আহিছিল,
মুক্তি বিচাৰি বিপ্লৱ কৰিছিল।
তহঁতে কৰ শোক
এতিয়া কোনেও নাচায় তহঁতৰ মুখ।

## অদ্বিতীয় বীৰ

ৰক্তাক্ত নীলা মানে বেঙুনীয়া,
উজ্জ্বল শক্তিৰ নিক্ষেপ
হ'ব পাৰে গুলপীয়া।
মৰ্ত্য-দেৱলোক সকলোকে সামৰি,
বাজে শংখধ্বনি
আহে বজ্ৰৰ বাণী।
নীলা চকুধাৰিত আপ্লুত পুৰুষ
ক'লা পোছাক পিন্ধি,
বগলী নে বাদুলি
প্ৰতিবাদী সমদলত ধৰিবকে নোৱাৰি।
তথাপি যুঁজা
ৰূপান্তৰৰ বিবৰ্তন
সকলো তোমাৰ কান্ধত। ❖


# সংকল্প

■ **প্ৰদ্যুম্ন ডেকা**
দশম শ্ৰেণী

বহি আছোঁ মই
নদীৰ সিপাৰে
সেই নদীখন হেনো
মোৰ জীৱনৰ এছোৱা সময়
প্ৰৱহমান সেই নদীয়ে
সোঁৱৰাই দিছিল মোৰ অতীত
স্পষ্ট কৰি দিছিল
প্ৰায়শ্চিত্তকৰণৰ পথটি
অভিশপ্ত, প্ৰৰোচিত এই নদীয়ে
মোকো উটুৱাই নিছিল সহস্ৰজনৰ দৰে
এই সোঁত মৃদু
কিন্তু আবেগ-প্ৰৱণতাৰে সিক্ত
এই সোঁতত যেন মই
অসহায় হৈ পৰিছিলোঁ
কিন্তু সময়ে যেনিবা মোক সুযোগকণ দিলে
এটি নতুন পথৰ অনুসন্ধানত
কিন্তু সময়ৰ আৱৰ্তনত সকলো যেন
হৈ পৰিল প্ৰাত্যহিক
তথাপি সংকল্প লৈছোঁ
নতুনক আদৰিবলৈ। ❖

# হয়গ্ৰীৱ-মাধৱ মন্দিৰ

■ **নেহাস্মিতা বায়ন**
ষষ্ঠ শ্ৰেণী



অসমৰ কামৰূপ জিলাৰ হাজোত অৱস্থিত এক মন্দিৰ হ'ল হয়গ্ৰীৱ-মাধৱ মন্দিৰ। হাজোৰ মণিপৰ্বত নামৰ এটা টিলাৰ ওপৰত এই দেৱালয় অৱস্থিত। বিষ্ণুৰ এক অৱতাৰ 'হয়গ্ৰীৱ'ক (ঘোঁৰাৰ মূৰসহ বিষ্ণু) ইয়াত পূজা-অৰ্চনা কৰা হয়। সংস্কৃত ভাষাত হয় মানে 'ঘোঁৰা' আৰু গ্ৰীৱ মানে 'ডিঙি'। সেয়েহে এই মন্দিৰটোক 'হয়গ্ৰীৱ মন্দিৰ' বুলি কোৱা হয়। বৌদ্ধধৰ্মীসকলৰ বাবেও ই এক পবিত্ৰ স্থান। তেওঁলোকে বিশ্বাস কৰে যে গৌতম বুদ্ধই শৰীৰ ত্যাগ কৰি এই স্থানতে 'মোক্ষ' বা 'নিৰ্বাণ' লাভ কৰিছিল।

হয়গ্ৰীৱ-মাধৱ এক প্ৰাচীন মন্দিৰ যদিও বৰ্তমানৰ ঘৰটো পিছৰ কালৰ। কালাপাহাৰে প্ৰাচীন মন্দিৰটো ভাঙি যোৱাৰ পাছত কোচ ৰজা ৰঘুদেৱে ১৫৪৩ খৃষ্টাব্দত মন্দিৰটোৰ পুনৰ নিৰ্মাণ কৰে। কিছুসংখ্যক বুৰঞ্জীবিদে পাল ৰাজবংশৰ ৰজাই ষষ্ঠ শতিকাত এই মন্দিৰ নিৰ্মাণ কৰিছিল বুলিও কয়। এই মন্দিৰৰ ভিতৰত কোচ ৰজা ৰঘুদেৱ আৰু আহোম ৰজা প্ৰমত্ত সিংহ আৰু কমলেশ্বৰ সিংহৰ শিলালিপি আছে।

হয়গ্ৰীৱ-মাধৱ মন্দিৰটো শিলেৰে নিৰ্মিত। মন্দিৰটোৰ গাত হাতীৰ প্ৰতিমূৰ্তি এলানি আছে। মন্দিৰটো তিনিটা ভাগত বিভক্ত—গৰ্ভগৃহ (তলভাগ), মধ্যভাগ আৰু শিখৰ (ওপৰভাগ)। মন্দিৰৰ বাটচ'ৰাটো গ্ৰেনাইট শিলেৰে নিৰ্মিত। শিখৰ অংশটো পিৰামিড আকৃতিৰ। সন্মুখৰ কোঠালিটো শিলেৰে নিৰ্মিত। মন্দিৰৰ বাহিৰফালে বিষ্ণুৰ দহটা অৱতাৰ বৰ্ণনা কৰা ভাস্কৰ্য্য আছে, যাৰ ভিতৰত বুদ্ধ নৱম। মূল মন্দিৰটোৰ কাষতেই এটা সৰু মন্দিৰ আছে। এই মন্দিৰটোত প্ৰতি বছৰে অতি ধুমধামেৰে দৌলোৎসৱ পালন কৰা হয়। মাধৱ মন্দিৰৰ ওচৰত 'মাধৱ পুখুৰী' নামৰ এটা ডাঙৰ পুখুৰীও আছে।

প্ৰবাদ অনুসৰি 'মধু' আৰু 'কৈতৱ' নামৰ দুটা অসুৰে বেদৰ সৃষ্টিৰ সময়ত ব্ৰহ্মাৰ পৰা সেইসমূহ চুৰি কৰি আনিছিল। ব্ৰহ্মাই বিষ্ণুক টোপনিৰ পৰা জগাই বেদ উদ্ধাৰৰ বাবে অনুৰোধ কৰিছিল। তেতিয়া বিষ্ণুৱে 'হয়গ্ৰীৱ'ৰ ৰূপ ধাৰণ কৰি বেদসমূহ উদ্ধাৰ কৰি আনি ব্ৰহ্মাক দিয়ে। ইয়াৰ পাছত বিষ্ণুৱে উত্তৰ-পূবলৈ আহি হয়গ্ৰীৱ ৰূপতে শুই পৰিছিল। সেই যুদ্ধত বিষ্ণুৱে অসুৰ দুজনক পৰাস্ত কৰি প্ৰাণনাশ কৰে। কালিকা পুৰাণৰ মতে এই তীৰ্থস্থানৰ প্ৰতিষ্ঠাতা ঔৰ্বঋষি। ভগৱান বিষ্ণুৱে ঔৰ্বঋষিৰ তপস্যা ভংগকাৰী জ্বৰাসুৰ, হয়াসুৰ আদিকে ধৰি পাঁচজন অসুৰক বধ কৰি হয়গ্ৰীৱ-মাধৱ নামৰ এই পৰ্বতত অৱস্থান কৰি আছিল।

মন্দিৰটোৰ উপাসনাস্থলীত থকা প্ৰতিমূৰ্তিসমূহ হৈছে হয়গ্ৰীৱ বা বুঢ়া মাধৱ। তাৰ বাঁওফালে আছে দ্বিতীয় মাধৱ বা বিষ্ণু আৰু সংস্কৃতিৰ প্ৰতীক গৰুড়। আন প্ৰতিমূৰ্তিসমূহ হৈছে চলন্ত মাধৱ, গোবিন্দ মাধৱ আৰু বাসুদেৱ। বিষ্ণুৰ প্ৰতিমূৰ্তিটো ওড়িশাৰ পুৰীৰ জগন্নাথৰ মূৰ্তিৰ লগত মিল আছে। আনহাতে বৌদ্ধ লামাসকলে হয়গ্ৰীৱ-মাধৱৰ মূৰ্তিটো মহামুনি গৌতম বুদ্ধৰ বুলি পূজা কৰিছিল। হয়গ্ৰীৱ-মাধৱ মন্দিৰত দৌলোৎসৱ, বিহু আৰু জন্মাষ্টমী উলহ-মালহেৰে পালন কৰা হয়। ❖

# অকণিৰ ভূপেন মামা

■ ধান্যাতা তামুলী
ষষ্ঠ শ্ৰেণী



তেতিয়া মই অসম জাতীয় বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী। মোৰ ভণ্টিয়ে নতুনকৈ এই বিদ্যালয়তে অংকুৰ শ্ৰেণীত নামভৰ্তি কৰিছে। ভণ্টিহঁতক বাইদেউসকলে বিভিন্ন শিশু গীত শিকাইছিল। সেই গীতবোৰ ভণ্টিয়ে ঘৰত গুণগুণাই থাকোঁতে হঠাৎ এটি গান মোৰ খুব ভাল লাগিল। গীতটি আছিল—

ৰং ৰং নানা ৰং কিনিবলৈ যাওঁ
ৰংপুৰ অভিমুখে আমি আগুৱাওঁ
য'তে যি ৰং পাওঁ, কোচত ভৰাওঁ
সেই ৰং পৃথিৱীলৈ আমি ছটিয়াওঁ।”

তাৰ পাছত মোৰ কৌতূহলী মনটোৱে প্ৰশ্ন কৰিলে যে এই গীতবোৰনো ক'ৰ পৰা আহিছে, এই গীতবোৰনো কোনে আমাক উপহাৰ দিছে। তাৰ পাছত মই মা-দেউতাক সুধি জানিব পাৰিলোঁ যে এই গীতবোৰৰ ৰচক হৈছে ভাৰতৰত্ন ড° ভূপেন হাজৰিকা। যিগৰাকী ব্যক্তি আমাৰ নিচিনা অকণিৰ বাবে ভূপেন মামা, মা-দেউতাৰ বাবে ভূপেন দা আৰু সমগ্ৰ বিশ্বৰ বাবে ড° ভূপেন হাজৰিকা।

অসমত সেই সময়ত অকণিৰ বাবে ৰচনা কৰা গীত নিচেই তাকৰ আছিল। যাৰ ফলত অকণিহঁত অসমীয়া সংগীতৰ সোৱাদ লোৱাৰ পৰা বঞ্চিত হৈ আছিল। ভূপেন মামাই অকণিসকলৰ বাবে লিখা কেইটিমান গীত তলত দিয়া হ'ল।

১। “ৰং কিনিবা কোনে অ'
ৰং কিনিবা কোনে
মোনা ভৰাই ৰং আনিছোঁ
কিনা মোনে মোনে।”

২। “আমি ভাইটি ভণ্টি
নাই দেখোন গণ্টি
ইমানসোপা আমি আছোঁ
ইমান যে স্ফূৰ্তি?”

ভূপেন মামাই লিখা শিশু গীতবোৰৰ উপৰি আন গীতবোৰত কাল্পনিক আৰু বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি দুয়োটাই ফুটি উঠিছিল। তেনেকুৱা এটা বাস্তৱ কাহিনীৰ উদাহৰণ পাওঁ চন্দ্ৰত মানুহে পদাৰ্পণ কৰা ঘটনাটোৰ আলম লৈ ড° ভূপেন হাজৰিকাই লিখা এই গীতটোৰ জৰিয়তে—

“ব্ৰহ্মপুত্ৰৰ দুটি পাৰ দলঙে লগ লগালে
চন্দ্ৰৰ বুকুলৈ মানুহ যাবলৈ ওলালে
মানুহৰ মাজত চেনেহ দলং গঢ়িবলে'
আমি অকণি ওলামেই দলে দলে ওলামেই
ক'ৰবাত কেনেবাকৈ ডাঙৰসকল নোলালে।”


আখৰ শিকা বা সংখ্যা লিখিবলৈ শিকাৰ যি ধৰণ তাক লৈ আমি বিভিন্ন পদ্য পঢ়িবলৈ পাওঁ, গান শুনিবলৈ পাওঁ। ঠিক সেইদৰে ভূপেন মামায়ো অসমীয়া ভাষাৰ স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ লগতে সংখ্যাজ্ঞানৰ ওপৰত ভিত্তি কৰি ‘ভূপেন মামাৰ গীতে-মাতে অ-আ-ক-খ’ গীতটি ৰচনা কৰিছিল। গীতটিৰ প্ৰথমৰ চাৰিশাৰী এনে ধৰণৰ—

“অ হ'ল অসমৰ প্ৰথম আখৰ
অসমৰ অকণি অসমতে ঘৰ।
আ-ই বোলে আহ আহ আহ মটৰ গাড়ী
তোৰ পেটত উঠি মই যাওঁ নলবাৰী।”

এনেদৰে আমাৰ অতিকে মৰমৰ ড° ভূপেন হাজৰিকাদেৱে আমাৰ নিচিনা অকণিহঁতৰ মাজত গীতে-মাতে ‘অকণিৰ ভূপেন মামা’ হৈ সদায় জিলিকি থাকক। ❖

# অভিমান

■ অয়ন হাঁলৈ
অষ্টম শ্ৰেণী



জিঞাহঁতৰ ঘৰলৈ নতুনকৈ এহাল কুকুৰ-মেকুৰীৰ পোৱালি অনা হৈছে। সেই দেখি তাইৰ মনত বৰ আনন্দ। তাই পোৱালি দুটাৰ নাম ৰাখিলে ক্ৰমে জিলি আৰু জেক। জিলি, মানে মেকুৰী পোৱালিটো বৰ দুষ্ট। সি জেকক নানা ধৰণে উচটাই থাকে। জেক অৱশ্যে বৰ শান্ত। গোটেই ঘৰখনে সিহঁতক ক'ত থওঁ, ক'ত নথওঁ যেন কৰি থাকে। এদিন জিলিক জিঞাৰ মাকে প্ৰথমতে গাখীৰ দি গ'ল। জিলিয়ে যেন এটা সুযোগ পালে। তাই টপককৈ জেকক ক'লে—"অ' জেক চোৱা, মোক জিঞাবাহঁতে বেছি মৰম কৰে। চোৱাচোন মোৰ বাটিত কিমান গাখীৰ দিছে আৰু তোমাৰ বাটিত একো নাই। তোমাক কোনেও মৰম নকৰে। মোৰ কথা শুনা আৰু ইয়াৰ পৰা গুচি যোৱা।"

কথাটো জেকৰ গাত লাগিল নে নালাগিল, সেয়া জিলিয়ে বুজি নাপালে যদিও অলপ আঘাত লাগিছে বুলি ভাবি তাই খৰ খোজেৰে এফালে আঁতৰি গ'ল।

আন এদিনৰ কথা। সেইদিনা জিলি আৰু জেক দুয়ো খেলি খেলি এটা ধানৰ দ'মৰ ওপৰেৰে বগাই গ'ল। জিঞাৰ মাকে তেতিয়া দুয়োকে খেদি আহিল আৰু জেকক গালি পাৰিলে। জিলিকো গালি পাৰিলে যদিও জেকে মনতে ভাবি ল'লে যে জিঞাহঁতে কেৱল তাকহে গালি পাৰিছে। কথাটো ভাবি সি দুখ পালে আৰু সেইদিন ধৰি কিছু খিংখিঙীয়া হৈ পৰিল।

এনেদৰে কিছুদিন পাৰ হ'ল। লাহে লাহে জেকৰ খং বাঢ়িবলৈ ধৰিলে। সি যাকে তাকে কামুৰিবলৈ মন কৰা হ'ল।

সিদিনা আছিল দেওবাৰ, গতিকে স্কুলো বন্ধ। জিঞাই এনেয়ে অলপ পদূলিমুখলৈ বুলি ওলাই আহি থাকোঁতে হঠাতে জেকে জাঁপ মাৰি আহি জিঞাৰ হাতত কামুৰি দিলে। জিঞাই চিঞৰি উঠিল। তাইৰ হাতৰ পৰা তেজ ওলাল। জেকে জিঞাক কামোৰা দেখি মাক দৌৰি আহিল আৰু জেকক ককৰ্থনা কৰি জিঞাক হাস্পতাললৈ লৈ গ'ল।

সেইদিনা জেকৰ ধৈৰ্য্যৰ বান্ধ ছিগি গ'ল। সি জিলিৰ ফালে চালে। দেখিলে, জিলিয়ে তাৰ ফালে চাই হাঁহি আছে। সি অপমানবোধ কৰিলে আৰু জিঞাহঁতৰ ঘৰ এৰি গুচি গ'ল। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, জুলাই, ২০২৫

১। কিৰণ দেশাই ২। কাৰ্বি ৩। সেন্দূৰ ৪। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা

৫। মহেন্দ্ৰ সিং ধোনী। আইচিচি হল অৰ ফেমত তেওঁলোকক অন্তৰ্ভুক্ত কৰা হৈছে এইবাৰ। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, জুলাই, ২০২৫

প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (সপ্তম খ), পল ভৰালী (সপ্তম গ), দেৱাংগনা বৰঠাকুৰ (ষষ্ঠ ক), অংশুমান কুমাৰ (সপ্তম ঘ), অন্বেষণ শিৰম সূত (সপ্তম খ) ❖

# Devil's Bridge

■ Binoy Bikash Gogoi

The Devil's Bridge, which is located in Kromlauer Park near Gablenz in Eastern Germany, is a marvellous structure. This bridge is an arched bridge that is mysteriously built in the shape of a semicircle. The bridge looks like something that belongs in a fairytale as it creates a perfect circle when it is reflected in the water beneath it. Popularly known as the Devil's Bridge, this bridge is named Rakotzbrücke, which was built in 1860. The bridge is known as a devil's bridge because of its unique structure, and people believe that such challenging structures could only have been built with the help of the devil. According to legends, the devil helped to build the bridge in exchange for the soul of the first person to cross the bridge after its completion. However, contrary to popular belief, this bridge and several other such bridges that were built in Germany during medieval times were the results of the excellent craftsmanship of mere mortals. Rakotzbrücke and its likes are still a mystery for the common people, and they never cease to amaze anyone who visits the park. However, nowadays this aging marvel can only be viewed by tourists, and crossing it is strictly prohibited. ❖

# Sea Gypsies



You all have heard numerous stories about mermaids. Several people have allegedly claimed to have come across mermaids on different occasions. However, all the stories have been proven to be nothing but urban tales. But, though not mermaids, there is an ethnic group of people in the Philippines who spend most of their time at sea. They are called the Bajau people. They are also known as 'Sea Gypsies'.The Bajau people, interestingly, live almost exclusively on water and rarely visit land. The Bajau people live on houseboats known as 'lepas'. These people only come ashore to trade or for shelter during storms. Because of their close relation with the sea and their lifestyle, they have bodies like no other human being on earth. Children, because of their early and constant exposure to the water, learn to swim and begin fishing as early as eight years old. According to some studies, it was found that the Bajau people have spleens 50 percent larger than the average human spleen. Because of their larger spleens, they can stay underwater for a longer period of time. The Bajau people are expert divers, and they can dive down to depths of more than 230 feet without any modern equipment. It is also believed that the Bajau have remarkable underwater vision, and they can stay underwater for 6-13 minutes at a stretch. This ability helps them catch fish or hunt for rare pearls and sea cucumbers. ❖

# Lord of the Flies

■ **Pallavi Dutta**

***Lord of the Flies*** *is a novel by* ***William Golding****. Published in 1954,it explores how a group of British schoolboys, stranded on a deserted island, descends into savagery.*

*The characters that we come across in this story are not merely characters but each of them symbolizes one idea or the other.*

***Ralph****–The elected leader of the boys.*

***Jack Merridew*** *– Leader of the choirboys and later of the hunters.*

***Piggy****–Ralph's intellectual and rational adviser.*

***Simon****–A shy, sensitive boy.*


***Roger****–Jack's sadistic follower who becomes increasingly cruel.*

***Sam*** *and* ***Eric*** *(Samneric)–Twin brothers who are loyal to Ralph but are eventually coerced by Jack.*

***The Littluns****–The younger boys on the island.*

***The Lord of the Flies****–A p*ig's head on a stick, representing the manifestation of evil and chaos within the boys.

**Lord of the Flies** opens with a group of British schoolboys stranded on a deserted tropical island after their plane crashes during an unnamed war. With no adult survivors, the boys must figure out how to survive and organize themselves. Two of the older boys, Ralph and Piggy, quickly emerge as central figures. Ralph finds a conch shell, and Piggy suggests using it to call the other boys. They use the conch as a signalling device, and soon, the rest of the survivors gather, including a group of choirboys led by the proud and authoritarian Jack Merridew.




The boys decide to elect a leader. Ralph is chosen, largely because of his charisma and the conch's symbolic authority. Jack is appointed to lead the hunters. Ralph emphasizes the importance of building shelters and keeping a signal fire going to attract rescuers. Piggy becomes Ralph's advisor, offering logical suggestions, though he is often mocked for his appearance and asthma. Jack, meanwhile, becomes increasingly obsessed with hunting pigs, a task that quickly consumes him and his group.

The boys initially attempt to cooperate, mimicking the order of their previous lives. However, signs of disobedience, fear, and conflict begin to surface gradually. Some boys are more interested in playing or exploring than contributing to communal responsibilities. The younger children, referred to as "littluns," struggle with nightmares and begin to speak of a terrifying "beast" on the island. Although dismissed as childish fears, the idea of a beast slowly begins to influence the older boys as well. ❖

*Contd.*

# কুইজ

■ দীপাংকৰ কৌশিক

১। অক্সফৰ্ড ইউনিয়নৰ সভানেত্ৰী হোৱা তেওঁ এছিয়াৰ প্ৰথমগৰাকী মহিলা। নিজ দেশৰ তেওঁ আছিল একাদশ প্ৰধানমন্ত্ৰী। 'ডটাৰ অৱ ডেষ্টিনী' (Daughter of Destiny) তেওঁৰ আত্মজীৱনী। তেওঁ কোন?

২। এই প্ৰসাধন ব্ৰেণ্ডটো ১৮৯০ চনত পল কাৰ্ল বেয়াৰ্ছফ'ৰ্ডে (Karl Beresford) প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ নামটো আহিছে লেটিন ভাষাত 'snow white' বুজোৱা শব্দৰ পৰা। ব্ৰেণ্ডটো কি বাৰু?

৩। নীলাচল পাহাৰত আছে কামাখ্যা মন্দিৰ। উত্তৰ গুৱাহাটীৰ চন্দ্ৰভাৰতী পাহাৰত কোনটো বিখ্যাত মন্দিৰ অৱস্থিত বাৰু?

৪। 'পৃথিৱীৰ অসুখ' গ্ৰন্থখনৰ বাবে যোগেশ দাসে ১৯৮০ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। ১৯৮৮ চনত 'পাতাল ভৈৰৱী'ৰ বাবে কোনে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

৫। আৰবৰ মহিলাক প্ৰথমবাৰ ভোটাধিকাৰ দিয়া কোনখন দেশৰ ৰাষ্ট্ৰীয় পতাকাত 'ষ্টাৰ অৱ ডেভিড' পোৱা যায়?

৬। ৰাষ্ট্ৰগুৰু নামেৰে পৰিচিত কোনগৰাকী বিখ্যাত ভাৰতীয়ই 'এ নেছন ইন মেকিং' (A Nation in Making) গ্ৰন্থখন লিখিছিল?

৭। মুম্বাইৰ কৰোনেচন চিনেমাত ১৯১৩ চনৰ ১৩ মে'ত কিহৰ প্ৰথম ৰাজহুৱা প্ৰদৰ্শন কৰা হৈছিল?

৮। হেমেন কুমাৰ শৰ্মা হৈছে কবি নীলিম কুমাৰৰ প্ৰকৃত নাম। ডিম্বেশ্বৰ শইকীয়া নামৰ কবিগৰাকীৰ বিখ্যাত ছদ্মনামটো কি?

৯। ১৯৪৭ চনত বৃটিছে ভাৰতক ক্ষমতা হস্তান্তৰ কৰাৰ সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি কোন আছিল?

১০। বিজয় হাজাৰে, সুনীল গাভাস্কাৰ, দিলীপ ভেংচৰকাৰ আৰু বিৰাট কোহলীৰ সৈতে শেহতীয়াকৈ শুভমন গীলৰ নাম সংযোজন হৈছে। কাৰণটো কি?

১১। কবি বংশীধৰ শুক্লাই লিখা আৰু ৰাম সিং ঠাকুৰীয়ে সুৰ দিয়া কোনটো বিখ্যাত গীত আজাদ হিন্দ ফৌজৰ সৈতে জড়িত আছিল?

১২। শুভাংশু শুক্লা যদি গ্ৰুপ কেপ্টেইন হয় তেনেহ'লে প্ৰথম ভাৰতীয় মহাকাশচাৰী ৰাকেশ শৰ্মাৰ পদবীটো কি আছিল?

১৩। লন টেনিছত এই পৰ্য্যন্ত এজন মাত্ৰ ভাৰতীয়ই অলিম্পিক পদক লাভ কৰিছে। কোন বাৰু তেওঁ?

১৪। কোনটো ভিটামিনক 'sunshine vitamin' বুলি জনা যায়?

**চিত্ৰ সংকেত**



১৫। দাদা চাহেব ফাল্কে বঁটা লাভ কৰা এইগৰাকী বিখ্যাত অভিনেতা কোন বাৰু? ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীৰ নাম, জুলাই, ২০২৫

বৰষা শৰ্মা (পঞ্চম ঘ), দৃষ্টান্ত পাঠক (নৱম গ), প্ৰিঞ্চ কলিতা (ষষ্ঠ ঘ), মনশ্ৰী কলিতা (পঞ্চম ঘ), তেজস্বীন মিশ্ৰ (সপ্তম ক), অংশুমান কুমাৰ (সপ্তম ঘ), ৰিজভান কাশ্যপ (অষ্টম ক), সুপ্ৰতীক সঞ্জীৱ ডেকা (সপ্তম ঘ), অদ্ৰিতা গগৈ (পঞ্চম ঘ)। ❖

# ভাৰতৰ বৈদেশিক নীতি

■ মানসী বৰুৱা

কোনো ৰাষ্ট্ৰই সম্পূৰ্ণভাৱে আত্মনিৰ্ভৰশীল নহয়। দেশসমূহ পৰস্পৰ নিৰ্ভৰশীল হোৱাৰ বাবেই সকলো দেশেই আন দেশৰ লগত সু-সম্পৰ্ক স্থাপনৰ প্ৰতি আগ্ৰহী হয়। এখন ৰাষ্ট্ৰই নিজৰ নিৰাপত্তা, বিকাশ, সমৃদ্ধি আৰু প্ৰগতি আদিৰ স্বাৰ্থত আন ৰাষ্ট্ৰসমূহৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ বাধ্য হে পৰে। এনেদৰে এখন ৰাষ্ট্ৰই আন ৰাষ্ট্ৰৰ লগত সম্পৰ্ক স্থাপন কৰোঁতে যিবিলাক নীতি-নিয়ম আৰু কৌশল ব্যৱহাৰ কৰে তাকে সেই ৰাষ্ট্ৰখনৰ বৈদেশিক নীতি (foreign policy) বুলি কোৱা হয়। এখন ৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত স্থান, সন্মান, ক্ষমতা তথা শক্তি ৰাষ্ট্ৰখনে গ্ৰহণ কৰা বৈদেশিক নীতিৰ ওপৰত নিৰ্ভৰশীল। দেশ এখনে নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে অতি সুচিন্তিতভাৱে বৈদেশিক নীতি প্ৰস্তুত কৰে আৰু বৈদেশিক নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত দেশখনে নিজৰ সংস্কৃতি, পৰম্পৰা, আৰ্থ-সামাজিক অৱস্থা আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ গতি-বিধি ইত্যাদি বিবেচনা কৰিবলগীয়া হয়। বৈদেশিক নীতি নিৰ্ধাৰণ আৰু ৰূপায়ণ এক জটিল কাৰ্য্য আৰু ইয়াৰ লগত বিভিন্ন বিষয় জড়িত হৈ থাকে। দেশ এখনৰ মৰ্য্যাদা, প্ৰতিচ্ছবি আনকি দেশখনৰ শাসনৰ দায়িত্বত থকা চৰকাৰখনৰ অস্তিত্বও তাৰ বৈদেশিক নীতিৰ ওপৰত নিৰ্ভৰ কৰে।

ৰাজনৈতিক নেতৃত্বই এখন দেশৰ বৈদেশিক নীতিক নিজৰ চিন্তাধাৰা আৰু আদৰ্শৰ জৰিয়তে যথেষ্ট প্ৰভাৱিত কৰে। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী আৰু বৈদেশিক নীতিৰ নিৰ্মাতা জৱাহৰলাল নেহৰুৰ ব্যক্তিত্ব, আদৰ্শ আৰু চিন্তাধাৰাই ভাৰতৰ বৈদেশিক নীতিত ব্যাপক প্ৰভাৱ পেলাইছিল। নেহৰুৰ বৈদেশিক নীতিৰ তিনিটা মূল লক্ষ্য যি বৰ্তমানেও ভাৰতীয় বৈদেশিক নীতিৰ লক্ষ্য হিচাপে বৰ্তি আছে, সেইকেইটা হ'ল—

ক) বহু কষ্ট আৰু ত্যাগৰ বিনিময়ত লাভ কৰা দেশৰ সাৰ্বভৌমত্বৰ সংৰক্ষণ খ) ভৌগোলিক অখণ্ডতাৰ ৰক্ষণাবেক্ষণ আৰু গ) দ্ৰুত অৰ্থনৈতিক বিকাশক উৎসাহ দিয়া। গতিকে, ভাৰতৰ বৈদেশিক নীতি নেহৰুৰ আদৰ্শ আৰু চিন্তাধাৰাৰে এক স্বৰূপ। তেওঁৰ পাছৰ ৰাজনৈতিক নেতৃত্বয়ো ভাৰতৰ বৈদেশিক নীতিত যথেষ্ট প্ৰভাৱ পেলাইছে।

এখন স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰৰ সামগ্ৰিক পৰিচালনাত ইয়াৰ বৈদেশিক নীতিয়ে অতি গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে। ১৯৪৭ চনত স্বাধীনতা লাভৰ পাছত ভাৰতবৰ্ষই স্বতন্ত্ৰভাৱে নীতি প্ৰস্তুত কৰাৰ সুযোগ পায়। তাৰ আগলৈকে বৃটিছ সাম্ৰাজ্যৰ বৈদেশিক নীতিয়েই ভাৰতৰো বৈদেশিক নীতি আছিল।

ভাৰতীয় বৈদেশিক নীতিৰ ইতিহাস বহু পুৰণি আৰু ইয়াক ভাৰতৰ বৈচিত্ৰ্যময় ঐতিহাসিক, সাংস্কৃতিক আৰু ভূ-ৰাজনৈতিক কাৰকে গঢ় দিছে। ভাৰতৰ সংবিধানত ভাৰতৰ বৈদেশিক নীতিৰ সৈতে জড়িত ব্যৱস্থাসমূহ অন্তৰ্ভুক্ত হৈ আছে। ভাৰতৰ সংবিধানৰ চতুৰ্থ অধ্যায়ত ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ অন্তৰ্ভুক্ত ৫১ নং অনুচ্ছেদত 'আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ পৃষ্ঠপোষকতা কৰা'ৰ হকে কিছুমান নীতি নিৰ্ধাৰণ কৰি দিয়া হৈছে। এই নীতিসমূহে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধি আৰু উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

১৯৫৫ চনৰ এপ্ৰিল মাহত ইণ্ডোনেছিয়াৰ বাণ্ডুং নামৰ ঠাইত অনুষ্ঠিত এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাৰতৰ বৈদেশিক নীতিয়ে সবলভাৱে আত্মপ্ৰকাশ কৰিছিল। এই সন্মিলনতে ভাৰতে বৌদ্ধ আদৰ্শৰ পৰা উদ্ভূত 'পঞ্চশীল' নামৰ প্ৰসিদ্ধ তত্ত্বৰ আধাৰত প্ৰতিষ্ঠিত এক নীতি বিশ্ববাসীৰ সমুখত দাঙি ধৰিছিল।

আধুনিক ভাৰতৰ বৈদেশিক নীতি ঐতিহাসিক উত্তৰাধিকাৰ, কৌশলগত প্ৰয়োজনীয়তা তথা সমসাময়িক আন্তৰ্জাতিক প্ৰত্যাহ্বানৰ সংমিশ্ৰণৰ দ্বাৰা পৰিচালিত। নেহৰুৰ গোষ্ঠী নিৰপেক্ষ নীতিৰ পৰা

বৰ্তমানৰ সক্ৰিয় আৰু দৃঢ় অৱস্থানলৈ হোৱা বিবৰ্তনে ১৯৪৭ চনৰ পৰা হোৱা ভাৰতৰ বৈদেশিক নীতিৰ বিবৰ্তনকে প্ৰতিফলিত কৰে।

১৯৫৪ চনত ভাৰত আৰু চীনৰ মাজত পঞ্চশীল চুক্তি স্বাক্ষৰিত হয়, যাৰ মাধ্যমেৰে শান্তিপূৰ্ণ সহাৱস্থানৰ পাঁচটা নীতি লিপিবদ্ধ কৰা হয়। ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধই পঞ্চশীল নীতিৰ সীমাবদ্ধতা উন্মোচিত কৰাৰ লগতে নেহৰুৰ দৃষ্টিভংগীক প্ৰত্যাহ্বান জনায়। নেহৰুৰ উত্তৰসূৰী ইন্দিৰা গান্ধীয়ে ভাৰতৰ বৈদেশিক নীতিৰ উল্লেখযোগ্য পৰিবৰ্তন সাধন কৰে। তেওঁৰ নেতৃত্বত ১৯৭১ চনত বাংলাদেশৰ স্বাধীনতা যুদ্ধ সংঘটিত হয়, য'ত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ চূড়ান্ত বিজয়ৰ ফলত বাংলাদেশৰ সৃষ্টি হয় আৰু ইয়াৰ জৰিয়তে ভাৰতৰ আঞ্চলিক শক্তিৰ মৰ্য্যাদা প্ৰতিষ্ঠা হয়। ১৯৭১ চনত ইন্দিৰা গান্ধীয়ে ইণ্ডো-ছোভিয়েট শান্তি, বন্ধুত্ব আৰু সহযোগিতা চুক্তিত স্বাক্ষৰ কৰে, যিয়ে ছোভিয়েট ইউনিয়নৰ লগত ভাৰতৰ কৌশলগত অংশীদাৰিত্বক দৃঢ় কৰি তোলে। ভাৰত-পাকিস্তান যুদ্ধৰ পাছত ১৯৭২ চনৰ ২ জুলাইত দুয়োখন দেশে দ্বিপাক্ষিক আলোচনাৰ মাধ্যমেৰে শান্তি আৰু স্থিতিশীলতা ঘূৰাই অনাৰ বাবে ছিমলা চুক্তিত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু পাকিস্তানৰ ৰাষ্ট্ৰপতি জুলফিকাৰ আলী ভুট্টোৱে স্বাক্ষৰ কৰা ছিমলা চুক্তিত উভয় দেশৰ পাৰস্পৰিক সম্পৰ্ক উন্নয়নৰ বাবে সন্মত হয় আৰু কাশ্মীৰত নিয়ন্ত্ৰণ ৰেখা (line of control) প্ৰতিষ্ঠা কৰা হয়। কিন্তু শেহতীয়াকৈ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতেই ভাৰত-পাকিস্তানৰ মাজৰ কূটনৈতিক আৰু বাণিজ্যিক সম্পৰ্কৰ অৱনতি ঘটে। ভাৰতে পাকিস্তানৰ সৈতে থকা বাণিজ্যিক সম্পৰ্ক ৰদ কৰাৰ লগতে সিন্ধু জলচুক্তিকে আদি কৰি বিভিন্ন চুক্তি বাতিল কৰাৰ কথা ঘোষণা কৰে। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে পাকিস্তানেও দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ গুৰুত্বপূৰ্ণ ভেটিৰূপে চিহ্নিত ছিমলা চুক্তি ভংগ কৰাৰ ভাবুকি দিয়ে।

কেইবা দশক ধৰি ভাৰতৰ বৈদেশিক নীতি বিকশিত হৈছে আঞ্চলিক প্ৰত্যাহ্বান, আন্তৰ্জাতিক পৰিবৰ্তন আৰু আভ্যন্তৰীণ অগ্ৰাধিকাৰৰ সৈতে সহাৱস্থান কৰি।

১৯৮৪ চনত ক্ষমতালৈ অহা ৰাজীৱ গান্ধীৰ লক্ষ্য আছিল ভাৰতৰ অৰ্থনীতি আৰু সামৰিক বাহিনীৰ আধুনিকীকৰণ। ১৯৮৫ চনত ভাৰতে দক্ষিণ এছীয় আঞ্চলিক সহযোগিতা সংস্থা (South Asian Association for Regional Cooperation, SAARC) প্ৰতিষ্ঠাত উল্লেখযোগ্য ভূমিকা পালন কৰে।

১৯৯০ৰ পৰা ২০০০ বৰ্ষৰ সময়ছোৱাত উদাৰীকৰণ (liberalisation) আৰু বিশ্বায়ন (globalisation) ভাৰতৰ বৈদেশিক নীতিৰ এক গুৰুত্বপূৰ্ণ দিশ হিচাপে চিহ্নিত হয়। ১৯৯০ দশকৰ অৰ্থনৈতিক উদাৰীকৰণে ভাৰতৰ বৈদেশিক নীতিৰ বাবে এক গুৰুত্বপূৰ্ণ পৰিবৰ্তন আনিছিল, কাৰণ ইয়াৰ জৰিয়তে ভাৰতে বিশ্বৰ বাবে সম্পৰ্কৰ দুৱাৰ মুকলি কৰি দিছিল আৰু বিশ্ব অৰ্থনীতিত গভীৰভাৱে নিজকে জড়িত কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত নিজৰ ভূমিকা পুনৰ নিৰ্ধাৰণ কৰিব খুজিছিল।

২০০০ চনৰ পাছত ভাৰতীয় বৈদেশিক নীতিৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু মনমোহন সিঙৰ অধীনত কেইবাটাও উল্লেখযোগ্য পৰিবৰ্তন সাধন হয়। ২০০১ চনত বাজপেয়ীয়ে জাপানলৈ কৰা এক ভ্ৰমণৰ জৰিয়তে দক্ষিণ-পূব এছিয়াৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাত জোৰ দিছিল। বাজপেয়ীৰ সক্ৰিয় বিদেশ নীতি ভাৰত-মাৰ্কিন সম্পৰ্কৰ উন্নতিৰ ভিত্তিত তৈয়াৰ হৈছিল। অটল বিহাৰী বাজপেয়ীৰ অধীনত ১৯৯৮ চনৰ পোখৰান-২ (Pokhran-2) পাৰমাণৱিক পৰীক্ষা ভাৰতৰ কৌশলগত অৱস্থানৰ এক গুৰুত্বপূৰ্ণ পৰিবৰ্তন হিচাপে চিহ্নিত হৈছিল। আন্তৰ্জাতিক সমালোচনা সত্ত্বেও বাজপেয়ীৰ প্ৰশাসনে পাৰমাণৱিক ক্ষমতা আৰু প্ৰযুক্তিগত অগ্ৰগতিৰ ক্ষেত্ৰত ভাৰতৰ অধিকাৰ জোৰদাৰ কৰিছিল। মনমোহন সিঙৰ আমোলত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সৈতে ভাৰতৰ বৈদেশিক সম্পৰ্ক অধিক আগুৱাই যায়। ২০০৮ চনৰ মাৰ্কিন-ভাৰত অসামৰিক পাৰমাণৱিক চুক্তি এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি (milie stone) হিচাপে চিহ্নিত হয়। এই সময়ছোৱাত ভাৰতে এছীয় দেশসমূহৰ

সৈতে কেইবাখনো মুক্ত বাণিজ্য চুক্তিত (Free Trade Agreement, FTA) স্বাক্ষৰ কৰে।

২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ক্ষমতালৈ অহাৰ পাছতেই ভাৰতৰ বৈদেশিক নীতিয়ে আৰু অধিক দৃঢ় আৰু কৌশলগত অৱস্থান গ্ৰহণ কৰে। মোডীৰ 'এক্ট-ইষ্ট' (Act-East) নীতিয়ে এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সৈতে সম্পৰ্ক অধিক গভীৰ কৰাৰ লগতে জাপান আৰু অষ্ট্ৰেলিয়াৰ সৈতে কৌশলগত অংশীদাৰিত্বৰ ক্ষেত্ৰত জোৰ দিয়ে। মোডীয়ে বিশ্বব্যাপী জলবায়ু সচেতনতাৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি সুদৃঢ় কৰিছে। ২০১৫ চনত আৰম্ভ হোৱা আন্তৰ্জাতিক সৌৰ জোঁট (International Solar Alliance, ISA) আৰু ২০২১ চনৰ COP2 (Conference of the Parties-2) শীৰ্ষ সন্মিলনত ঘোষিত উচ্চাভিলাষী জলবায়ু লক্ষ্যসমূহে জলবায়ু পৰিবৰ্তনৰ ক্ষেত্ৰত ভাৰতৰ সক্ৰিয় অৱস্থানক প্ৰতিফলিত কৰে।

বৰ্তমান ভাৰতৰ বৈদেশিক নীতিৰ প্ৰধান চালিকা শক্তি হৈছে অৰ্থনৈতিক কূটনীতি। ১৯৯০ দশকৰ অৰ্থনৈতিক উদাৰীকৰণৰ সময়ৰে পৰা ভাৰতে আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত বাণিজ্য, বিনিয়োগ আৰু প্ৰযুক্তিগত সহযোগিতাকে ক্ৰমবৰ্ধমানভাৱে অগ্ৰাধিকাৰ দি আহিছে। মুক্ত বাণিজ্য চুক্তি (Free Trade Agreement) নিশ্চিত কৰা, বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ (Foreign Direct Investment) প্ৰতি আকৰ্ষিত কৰা আৰু দক্ষিণ-পূব এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দৰে অঞ্চলত ভাৰতৰ অৰ্থনৈতিক অৱস্থান সম্প্ৰসাৰণৰ যি প্ৰচেষ্টা তাৰ জৰিয়তে ভাৰতে অৰ্থনৈতিক কূটনীতিৰ ওপৰত আৰোপ কৰা গুৰুত্ব স্পষ্ট হয়।


ভাৰতৰ বৈদেশিক নীতি ইয়াৰ নিৰাপত্তাজনিত প্ৰয়োজনীয়তাৰ দ্বাৰা নিৰ্ধাৰিত হৈ আহিছে। পাকিস্তান আৰু চীনৰ দৰে প্ৰতিবেশী ৰাষ্ট্ৰৰ প্ৰত্যাহ্বান আৰু সন্ত্ৰাসবাদৰ বৃহত্তৰ হুমকিৰ কাৰণে এক শক্তিশালী প্ৰতিৰক্ষা আৰু কৌশলগত নীতিৰ প্ৰয়োজন ভাৰতে স্বীকাৰ কৰি আহিছে। ভাৰতৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ আধুনিকীকৰণ প্ৰচেষ্টা আৰু মূল সহযোগী ৰাষ্ট্ৰসমূহৰ সৈতে বৰ্ধিত প্ৰতিৰক্ষা সহযোগিতাই সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতা ৰক্ষাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে। জম্মু-কাশ্মীৰৰ পেহেলগামৰ বৈসাৰণ উপত্যকাত হিন্দু পৰ্য্যটকৰ হত্যাকাণ্ডৰ পাছত পাকিস্তানৰ সৈতে সীমান্তৰ নিৰাপত্তা সুদৃঢ় কৰাৰ প্ৰচেষ্টা আৰম্ভ হৈছে। ভাৰতে সীমান্ত অঞ্চলত এনে ব্যৱস্থা কৰিবলৈ ওলাইছে, যাৰ ফলত পাকিস্তানী সেনা আৰু সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশত অসুবিধাৰ সৃষ্টি হ'ব। ভাৰত-পাকিস্তানৰ মাজৰ ক্ৰমবৰ্ধমান উত্তেজনাৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰে সীমান্তৱৰ্তী অঞ্চলসমূহৰ গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি দ্ৰুতগতিত গঢ়ি তোলাৰ পৰিকল্পনাৰ কাম আৰম্ভ কৰিছে।

ভাৰতে যি সময়ত নিজকে প্ৰযুক্তি আৰু উদ্ভাৱনৰ কেন্দ্ৰস্থল হিচাপে প্ৰতিষ্ঠিত কৰিছে, সেই সময়ত ইয়াৰ বৈদেশিক নীতিয়ে ক্ৰমশঃ কৌশলগত আৰু অৰ্থনৈতিক লাভৰ বাবে এই ক্ষেত্ৰসমূহক কামত লগোৱাত জোৰ দিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰ, ইজৰাইল আৰু জাপানৰ দৰে দেশসমূহৰ সৈতে মহাকাশ অনুসন্ধান, ছাইবাৰ নিৰাপত্তা আৰু ডিজিটেল প্ৰযুক্তিৰ ক্ষেত্ৰত আগ বঢ়োৱা সহযোগিতাই বিশ্বব্যাপী প্ৰযুক্তিগত বিপ্লৱত আগভাগ লোৱাৰ ভাৰতৰ ইচ্ছাক প্ৰতিফলিত কৰে। দেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে কৈছে যে, ডিজিটেল যুগত বৈদেশিক নীতিৰ বাবেও নতুন পন্থাৰ প্ৰয়োজন, কাৰণ এই যুগটো উৎপাদন যুগৰ পৰা সম্পূৰ্ণ পৃথক। তেওঁ উল্লেখ কৰে যে, যোৱা দহ বছৰত ভাৰতৰ বৈদেশিক নীতিত অৰ্থনৈতিক কূটনীতিৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে যেতিয়াই কোনো দেশ ভ্ৰমণ কৰে তেতিয়াই তেওঁলোকৰ কাৰ্য্যসূচীত প্ৰযুক্তি, পুঁজি, সহযোগিতা আৰু বিনিয়োগৰ উত্তম পদ্ধতিক অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। বৰ্তমান ই বৈদেশিক নীতিৰ এক গুৰুত্বপূৰ্ণ অংগ হৈ পৰিছে।

ভাৰতৰ বৈদেশিক নীতি এক গতিশীল আৰু বহুমুখী প্ৰচেষ্টা, যি অৰ্থনৈতিক আকাংক্ষা, নিৰাপত্তাৰ প্ৰয়োজনীয়তা, ভূৰাজনৈতিক (geo-political) উচ্চাকাংক্ষা আৰু আভ্যন্তৰীণ বিবেচনাৰ দ্বাৰা পৰিচালিত। ঐতিহ্যৰ সৈতে উদ্ভাৱন আৰু উচ্চাকাংক্ষাৰ সৈতে বাস্তৱবাদৰ ভাৰসাম্য বজাই ৰাখি ভাৰতৰ বৈদেশিক নীতি নিশ্চয়কৈ আৰু অধিক বিকশিত হ'ব। ❖

# ময়ূৰ

■ বনানী ডেকা



ময়ূৰ চৰাই বিশ্বৰ আটাইতকৈ ধুনীয়া চৰাইৰ ভিতৰত এবিধ। ১৯৬৩ চনত ময়ূৰক ভাৰতৰ ৰাষ্ট্ৰীয় চৰাই হিচাপে ঘোষণা কৰা হয়। ইয়াৰ সুকীয়া ৰূপ আৰু আচৰণে ইয়াক সমগ্ৰ বিশ্বৰ বিভিন্ন সংস্কৃতিত সৌন্দৰ্য্যৰ প্ৰতীক কৰি তুলিছে। সমগ্ৰ ভাৰততে ময়ূৰ চৰাই পোৱা যায়। ময়ূৰে সততা, সুৰক্ষা আৰু গাম্ভীৰ্য্যক প্ৰতিনিধিত্ব কৰে। ময়ূৰ সাধাৰণতে গৰম, ক্ৰান্তীয় জলবায়ুত পোৱা যায়।

ময়ূৰ চৰাইৰ বৈজ্ঞানিক নাম হৈছে পাভো ক্ৰিষ্টেটাছ (*Pavo cristatus*)।

ময়ূৰ সৰ্বভোজী চৰাই। পোক-পতংগ, বিভিন্ন গছৰ বীজ আদি ইয়াৰ প্ৰধান খাদ্য।

ময়ূৰ গোটেই পৃথিৱীতে পোৱা যায় যদিও ইয়াৰ আদিভূমি হৈছে এছিয়া। চাৰ্লছ ডাৰউইনে ১৯শ শতিকাত ময়ূৰক সকলোতকৈ উৎকৃষ্ট চৰাই হিচাপে (the most splendid of all living birds) আখ্যা দিছিল।

ময়ূৰ চৰাইবোৰে পৰিবেশতন্ত্ৰত বিভিন্ন ধৰণৰ ভূমিকা পালন কৰে। ময়ূৰে খাদ্য শৃংখলৰ ভাৰসাম্য বজাই ৰখাতো অৰিহণা যোগায়। মতা ময়ূৰ চৰাইৰ দেহৰ ৰং নীলা আৰু বেঙুনীয়া। ময়ূৰৰ ভৰিৰ ৰং শেঁতা আৰু বগা। নখবোৰ বহল আৰু জোঙা। মতা ময়ূৰৰ পুচ্ছাংশত প্ৰায় ১৫০টামান নীলা আৰু বেঙুনীয়া ৰঙৰ দীঘল পাখি থাকে। মাইকী ময়ূৰবোৰৰ (ময়ূৰী) পাখিবোৰৰ ৰং মটীয়া আৰু চুটি দৈৰ্ঘ্যৰ হয়। মতা ময়ূৰবোৰৰ আকাৰ মাইকী ময়ূৰতকৈ ডাঙৰ হয়। ইহঁতৰ দেহৰ দৈৰ্ঘ্য প্ৰায় ১০০-২০০ ছেমি. পৰ্য্যন্ত হয়। শৰীৰৰ ওজন প্ৰায় ৪.১ কেজিৰ পৰা ৫.২ কেজি পৰ্য্যন্ত হয়। ইমান ডাঙৰ শৰীৰ হোৱাৰ পাছতো ময়ূৰ চৰায়ে উৰিব পাৰে। ইহঁতে ওখ গছ আদিৰ ওপৰলৈ উৰি যাব পাৰে। গছৰ ওপৰলৈ উৰি গৈ ময়ূৰবোৰক জিৰণি লোৱা দেখা যায়।

মতা ময়ূৰবোৰৰ মাত মাইকী ময়ূৰতকৈ কিছু পৃথক, এই মাতৰ সহায়ত মতা চৰাইবোৰক সহজে চিনাক্ত কৰিব পাৰি। ইহঁতে মাতৰ সহায়ত ময়ূৰীবোৰক আকৰ্ষণ কৰে।

ময়ূৰীবোৰ ময়ূৰতকৈ আকাৰত সৰু। ইহঁতৰ দেহৰ দৈৰ্ঘ্য প্ৰায় ৩৮ ছেমি.। ইহঁতৰ দেহৰ ওজন ২.৭ কেজিৰ পৰা ৪.১ কেজিমান হয়। ইহঁতে বিভিন্ন ধৰণৰ মাত উলিয়াব পাৰে।

মতা ময়ূৰৰ মূৰত থকা 'চূড়া'ৰ (crest) দৰে অংশই ময়ূৰীবোৰৰ দৃষ্টি আকৰ্ষণ কৰাত সহায় কৰে।

ময়ূৰবোৰ প্ৰায় ২০ বছৰ কাল জীয়াই থাকে। বয়স বঢ়াৰ লগে লগে ইহঁতৰ ঠেঙৰ ৰং ডাঠ ক'লা হ'বলৈ আৰম্ভ হয়। ক'লা ৰঙৰ ঠেঙৰ বয়সস্থ ময়ূৰবোৰে নিজৰ গোটৰ ময়ূৰবোৰক তদাৰক কৰে।

ময়ূৰীবোৰে বছৰত দুবাৰকৈ কণী পাৰে। কণীবোৰৰ পৰা ২০ৰ পৰা ৩০ দিনৰ ভিতৰত পোৱালি জন্ম হয়।

ময়ূৰ হৈছে ভাৰতৰ ৰাষ্ট্ৰীয় চৰাই। সেয়েহে ইয়াক সুৰক্ষা প্ৰদান কৰাটো সকলোৰে কৰ্তব্য। বন্যপ্ৰাণী সুৰক্ষা আইন ১৯৭২ৰ জৰিয়তে ভাৰত চৰকাৰে ময়ূৰক সুৰক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। ❖

# আইতাৰ আইতা




আইতা শব্দটোৰ লগত আমাৰ সকলোৰে এটা এৰাব নোৱৰা সম্পৰ্ক আছে। গাঁৱৰ ঘৰখনেই হওক বা চহৰৰ ঘৰখনেই হওক আইতা যদি থাকে ঘৰখনৰ পৰিৱেশেই সুন্দৰ হৈ পৰে। শিক্ষা-দীক্ষাৰ ফালৰ পৰা কোনোবাগৰাকী আইতা যদিও অধিক আগ বঢ়া নহয়; জীৱন তথা পৰিৱেশৰ পৰা লাভ কৰা অভিজ্ঞতাৰ দ্বাৰা তেওঁলোক কিন্তু বহুত জ্ঞানী। বিজ্ঞানৰ শ্ৰেণীৰ পাঠ নপঢ়াকৈও তেওঁলোকৰ বিভিন্ন দিহা-পৰামৰ্শ তথা উপদেশ আদিত বিজ্ঞান লুকাই থকাৰ লগতে বিজ্ঞানসন্মত নীতিশিক্ষাও লুকাই থাকে। আইতাসকলৰ এনে ধৰণৰ কিছুমান বিজ্ঞানসন্মত নীতিশিক্ষাৰে পুষ্ট কাহিনী আছে অৰুণজ্যোতি বৰাই অনুবাদ কৰা 'আইতাৰ আইতা' নামৰ কিতাপখনত।

একতা নামৰ এজনী সৰু ছোৱালী আৰু তাইৰ আইতাকৰ লগত হোৱা দৈনিক কথোপকথনক লেখকে সুন্দৰকৈ সজাই শিশু পাঠকসকললৈ আগ বঢ়াইছে। একতা এজনী অনুসন্ধিৎসু মনৰ ছোৱালী। তাইৰ প্ৰতিটো কথাতে কিয় আৰু কেনেকৈ এই দুটা শব্দ থাকিবই। এদিন স্কুলৰ পৰা আহি আইতাকক চছমা পিন্ধি থকা দেখি তায়ো সেই চছমাযোৰ পিন্ধিবলৈ আগ্ৰহ কৰিলে। তেতিয়া আইতাকে তাইক সৰু ল'ৰা-ছোৱালীয়ে চছমা পিন্ধিলে চকু বেয়া হ'ব বুলি ক'লে। আইতাকে ক'বলৈহে পালে, তাই একেচাটেই আইতাকক উভতি ধৰিলে যে চছমা পিন্ধিলে যদি চকু বেয়া হয় তুমি কিয় পিন্ধিছা? তেতিয়া আইতাকে তাইক চছমা কিয় পিন্ধে আৰু চছমাৰ উপকাৰিতাৰ বিষয়ে বিতংভাৱে বুজাই ক'লে। লগতে আইতাকে তাইক ক'লে যে শিশুকালত নিতৌ গাখীৰ, পাচলি, সৰু মাছ আদি খোৱা হয় তেতিয়া চকু দুৰ্বলো নহয় আৰু চছমাও পিন্ধিব নালাগে। কথাষাৰ শুনি একতাই আইতাকক কথা দিলে যে সেইদিনাৰে পৰা তাই মাকে দিয়া গাখীৰগিলাছ সম্পূৰ্ণকৈ খাব।

আন এদিনৰ কথা। আইতাকে সাধু কোৱাৰ মাজতে সূৰ্য্য আৰু চন্দ্ৰক ভাই-ককাই বুলি ক'লে। বিদ্যালয়ত বিজ্ঞানৰ শ্ৰেণীত চন্দ্ৰৰ উৎপত্তিৰ কথা পঢ়ি অহা একতাই টপৰাই মাত দিলে, "আইতা, তুমি ইমান মিছা কথা কোৱা।" এইবুলি তাই চন্দ্ৰৰ সৃষ্টিৰ কাহিনী আইতাকৰ আগত বৰ্ণনা কৰিলে। ইয়াৰ পাছৰ কথাখিনি খুব আমোদজনক। তোমালোকে কিতাপখন পঢ়িলে গম পাবা। নাতিনীয়েক একতাৰ বিজ্ঞান আৰু আইতাকৰ বিজ্ঞানসন্মত নীতিশিক্ষাক লেখকে পাঁচটা

সুন্দৰ কাহিনীৰ মাজেৰে বৰ্ণনা কৰিছে। ইয়াৰে 'আইতাৰ আইতা' কাহিনীটো খুব আমোদজনক। পৰীৰ দেশৰ কথা, চন্দ্ৰ-সূৰ্য্যৰ জন্মৰ কথাৰ লগতে আন কেইবাটাও আমোদজনক কথা এই কাহিনীটোত প্ৰকাশ পাইছে।

মূল অখিলেশ শ্ৰীবাস্তৱৰ 'চমন'ৰ পৰা অৰুণজ্যোতি বৰাই 'আইতাৰ আইতা' নামেৰে অনুবাদ কৰা এই গ্ৰন্থখন সঁচাকৈয়ে তোমালোকৰ বাবে উপযোগী। এই গ্ৰন্থখনৰ অধ্যয়নে তোমালোকক নতুন নতুন কথাৰ সোৱাদ দিব। নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়াই প্ৰকাশ কৰা ৬৫ টকা মূল্যৰ এই কিতাপখন পঢ়ি তোমালোকে নিশ্চয় ভাল পাবা। ❖

■ **অভিজিত চক্ৰৱৰ্তী**

## শুৱলা ভাষা

বৰ্তমান সময়ত কিছুমান শব্দৰ প্ৰয়োগ লাহে লাহে কমি আহিছে। সুন্দৰ, অৰ্থবহ তেনে কেইটামান পুৰণি শব্দ আজি জানি লওঁ আহা :


| **শব্দ** | **অৰ্থ** | **প্ৰায়োগিক বাক্য** |
|---|---|---|
| ওৱাদানি | প্ৰচুৰ, যথেষ্ট | আশ্ৰয় শিবিৰটোত খাদ্যবস্তু ওৱাদানি আছে; চিন্তাৰ কাৰণ নাই। |
| দিনতীয়া | এদিনীয়া, দিনটোৰ বাবে হোৱা বা পতা (অনুষ্ঠান) | মামাৰ ঘৰলৈ মই দিনতীয়াকৈ যাম, এইবাৰ থাকিবলৈ সময় নহ'ব। |
| গেজেপনি | ডাঠ হাবি | সেই গেজেপনিখনেদি দিনতে পাৰ হৈ যাবলৈ মানুহৰ সাহে নুকুলায়। |
| গোটাদিয়েক | কিছু পৰিমাণৰ, কম পৰিমাণৰ | সভাখনত গোটাদিয়েক মানুহহে উপস্থিত আছিল, সেয়েহে কথাবোৰ ভালদৰে আলোচনা কৰা নহ'ল। |
| অকহি পুৰুষ | পূৰ্বপুৰুষ | এই বেয়া কামটো কৰি তই অকহি পুৰুষক নৰকত পেলালি। |
| আলাবাদু | অকামিলা | হেৰৌ কাম-কাজ অলপ শিকিবলৈ ল, আজিৰ দিনত ইমান আলাবাদু হৈ থাকিলে কেনেকৈ হ'ব ! |
| অতপা | বৰকৈ বঢ়া, সাধাৰণতকৈ অতিৰিক্ত হোৱা | এই ধানডৰা অতপা হৈছে দেই, সোনকালে চপোৱাৰ ব্যৱস্থা কৰিব লাগিব। |
| অবৈয়াল | কাৰো পৰামৰ্শ নুশুনা | অবৈয়াল মানুহক কোনেও বশ কৰিব নোৱাৰে। ❖ |

# বাৰ্মুডা ত্ৰিভুজ ৰহস্যময় কিয়?

বাৰ্মুডা ত্ৰিভুজ (Bermuda Triangle) ৱেষ্ট ইণ্ডিজ দ্বীপপুঞ্জৰ ওচৰৰ এক কাল্পনিক ত্ৰিভুজ; আটলাণ্টিক মহাসাগৰৰ বুকুৰ এক ৰহস্যময় অঞ্চল। উত্তৰে বাৰ্মুডা দ্বীপ, পশ্চিমে ফ্ল'ৰিডা আৰু দক্ষিণ-পূবত পৰ্টোৰিকো দ্বীপক কাল্পনিক সৰলৰেখাৰে যোগ কৰিলে যি ত্ৰিভুজ পোৱা যাব, তাকেই বাৰ্মুডা ত্ৰিভুজ বুলি কোৱা হয়। এই অঞ্চলেদি পাৰ হ'ব খোজা বহুসংখ্যক জাহাজ, বিমান আৰু নাও ৰহস্যজনকভাৱে অদৃশ্য হৈ যোৱা বা হেৰাই যোৱাৰ কথা জনা গৈছে। ১৯৪৫ চনৰ পৰা ১৯৭৫ চনলৈকে অন্ততঃ হাজাৰৰো বেছি মানুহ, এশৰো বেছি উৰাজাহাজ আটলাণ্টিক মহাসাগৰৰ এই অঞ্চলৰ পৰা ৰহস্যজনকভাৱে নিখোজ হৈছে। কেনেকৈ এই ঘটনাবোৰ ঘটিছে, তাৰ কোনো বিশ্বাসযোগ্য আৰু প্ৰমাণিত ব্যাখ্যা পোৱা হোৱা নাই।

বাৰ্মুডা ত্ৰিভুজৰ এই ৰহস্যৰ ব্যাখ্যা বহুতে বহু ধৰণে আগ বঢ়াইছে যদিও কোনো এটা ব্যাখ্যাই প্ৰমাণিত নহয়। কিছুসংখ্যকে এই অঞ্চলত কোনো কাৰণত শক্তিশালী চুম্বক বা বিদ্যুৎচুম্বকীয় ক্ষেত্ৰ সৃষ্টি হোৱাৰ সম্ভাৱনাৰ বিষয়ে কয়। জাহাজ, বিমান আদিক এনে শক্তিশালী চুম্বকক্ষেত্ৰই প্ৰচণ্ড শক্তিৰে তললৈ টানি লৈ যায়। তদুপৰি কোনো অজ্ঞাত কাৰকে ইচ্ছাশক্তি, অনুভূতিক অৱশ কৰি দিয়াৰ সম্ভাৱনাৰ বিষয়েও কিছু লোকে মতপোষণ কৰে। ❖

# বুদ্ধদেৱৰ নাম গৌতম বুদ্ধ হ'ল কিয়?



বৌদ্ধ ধৰ্মৰ প্ৰবৰ্তক তথা প্ৰচাৰক বুদ্ধদেৱৰ পিতৃপ্ৰদত্ত নাম আছিল সিদ্ধাৰ্থ। জন্মৰ পাছতে মাকৰ মৃত্যু হোৱাত মাহীমাক প্ৰজাপতি গৌতমীয়ে সিদ্ধাৰ্থক তুলি-তালি ডাঙৰ-দীঘল কৰে। গৌতমীৰ দ্বাৰা লালিত-পালিত হোৱাৰ বাবে তেওঁৰ নাম হয় গৌতম। ল'ৰাকালৰে পৰা গৌতম আছিল অতি চিন্তাশীল। সংসাৰৰ কামত তেওঁৰ সমূলি মন নবহিছিল। যশোধৰা নামৰ এগৰাকী কন্যাৰ সৈতে তেওঁ বিবাহপাশত আবদ্ধ হৈছিল। ৰাহুল নামৰ এটি সন্তানো জন্ম হৈছিল। কিন্তু সংসাৰৰ মানুহবোৰৰ দুখ-কষ্ট দেখি সেইবিলাকৰ পৰা মুক্তি পোৱাৰ পথ বিচাৰি এদিন গৌতমে ৰাজবৈভৱ এৰি ৰাজকাৰেঙৰ পৰা ওলাই যায়। ছবছৰ কাল নানা ঠাইত ঘূৰি কেইবাজনো গুৰুৰ উপদেশ গ্ৰহণ কৰাৰ পাছত তেওঁ গয়া নামৰ এখন ঠাইত এজোপা আঁহত গছৰ তলত তপস্যাত নিমগ্ন হয়। বহুদিনৰ তপস্যাৰ অন্তত তেওঁ দিব্যজ্ঞান লাভ কৰে। তাৰ পিছতেই তেওঁ বুদ্ধ অৰ্থাৎ জ্ঞানী অভিধা লাভ কৰে আৰু গৌতম বুদ্ধ নামেৰে পৰিচিত হয়। শাক্য বংশত জন্ম হোৱাৰ বাবে তেওঁৰ আন এটা নাম শাক্যসিংহ বা শাক্যমুনি। ❖

*('জ্ঞান-বিজ্ঞানৰ কি ক'ত কিয় কোন আৰু কেতিয়া'ৰ পৰা)*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

**অসমীয়া ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন ইত্যাদি**

## চুকত থাকি বুকুত কামোৰা

কিছুমান মানুহক আপোন বুলি গণ্য কৰি আমি আশ্ৰয় প্ৰদান কৰোঁ। তেওঁলোকৰ সহায়-সাৰথি হওঁ। কিন্তু তেনেদৰে আপোন বুলি ভবা লোকেই কেতিয়াবা আঘাত দিয়ে। আপোন বুলি ভবা মানুহৰ পৰা পোৱা আঘাতে আমাৰ মনত ভীষণ কষ্ট দিয়ে। আপোন বুলি ভাবি ঘৰৰ চুকত ৰখা অৰ্থাৎ আশ্ৰয় দিয়াজনেই বুকুত কামুৰিলে অৰ্থাৎ দুখ দিলে বা বিশ্বাসঘাতকতা কৰিলে পোৱা কষ্টৰ কথা বুজাবলৈ এই যোজনাফাকিৰ ব্যৱহাৰ কৰা হয়।

**প্ৰায়োগিক বাক্য :** তাইক যে মই কিমান মৰম কৰিছিলোঁ, তাই যে চুকত থাকি বুকুত কামুৰিব ভাবিবই পৰা নাছিলোঁ। ❖

## অতিপাত শলাগনি ফুচুলনিৰ চিন, আপুনি আঁতৰি যাবা কৰি তাক ঘিণ



কোনো লোকে প্ৰয়োজনাধিক বা অহেতুক তোষামোদ কৰি থাকিলে সন্দেহ ওপজে। তোষামোদকাৰী লোকৰ স্বাৰ্থ নিহিত হৈ থকাৰ কথা অনুমান কৰিব পাৰি। তেনে তোষামোদত ভোল গ'লে নিজৰহে অনিষ্ট হোৱাৰ সম্ভাৱনা থাকে। তেনে মানুহৰ ন্যস্ত স্বাৰ্থ উপলব্ধি কৰি পৰাপক্ষত আঁতৰি থকাই মংগল। প্ৰশংসা আৰু তোষামোদৰ মাজত পাৰ্থক্য অনুধাৱন কৰি মানুহক ভালদৰে চিনি লোৱাহে যুগুত। যোজনাফাকিৰ তাৎপৰ্য্য এয়াই।

**প্ৰায়োগিক বাক্য :** পুৱাই ভেটি-ভাৰ লৈ ল'ৰাজন আমাৰ ঘৰলৈ আহোতেই অনুমান কৰিছিলোঁ, ইয়াৰ নিশ্চয় কিবা এটা মতলব আছে, এনে লোকৰ পৰা আঁতৰি থাকিবি বোপাই—মনত ৰাখিবি “অতিপাত শলাগনি ফুচুলনিৰ চিন, আপুনি আঁতৰি যাবা কৰি তাক ঘিণ।” ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ শাস্ত্ৰীয় নৃত্য



**মোহিনীঅট্টম** (Mohiniattam) : মোহিনীঅট্টম নৃত্য ভাৰতৰ সংগীত নাটক অকাডেমিৰ দ্বাৰা স্বীকৃত আঠবিধ শাস্ত্ৰীয় নৃত্যকলাৰ ভিতৰত অন্যতম। এইবিধ নৃত্যৰ উৎপত্তিস্থল কেৰালা ৰাজ্য। খৃষ্টীয় ষষ্ঠদশ শতিকাত উদ্ভৱ হোৱা এইবিধ নৃত্যকলা প্ৰধানকৈ নাৰীসকলে এককভাৱে পৰিবেশন কৰে। মোহিনীঅট্টম নৃত্য সাধাৰণতে পুৰুষে পৰিবেশন নকৰে। মোহিনীঅট্টম শব্দটিৰ আভিধানিক অৰ্থ বিচাৰ কৰিলে দেখা যায় যে 'মোহিনী' শব্দৰ অৰ্থ হৈছে মোহময়ী নাৰী। কিংবদন্তি অনুসৰি ভগৱান বিষ্ণুৱে অসুৰসকলক চলনা কৰিবলৈ মোহিনী ৰূপ গ্ৰহণ কৰিছিল। 'অট্টম' শব্দৰ অৰ্থ হৈছে লালিত্যপূৰ্ণ আৰু দেহৰ বিভিন্ন ভংগিমা। আন আন ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ দৰে এইবিধ নৃত্যৰো মূল ভাবধাৰা ধৰ্মভিত্তিক আৰু দেৱতাকেন্দ্ৰিক। পৌৰাণিক কালত, সমুদ্ৰ মন্থনৰ সময়ত অসুৰৰ হাতৰ পৰা অমৃত উদ্ধাৰৰ হেতুকে বিষ্ণুৱে মোহিনী ৰূপ ধাৰণ কৰা বুলি জনা যায়। মোহিনীঅট্টম নৃত্যৰ প্ৰধান চৰিত্ৰ মোহিনীৰূপী বিষ্ণু। বিষ্ণু বা কৃষ্ণৰ চৰণত ভক্তিভাৱেৰে নিজকে সমৰ্পিত কৰা ভাবধাৰাকে মোহিনীঅট্টম নৃত্যৰ জৰিয়তে পৰিবেশন কৰা হয়। প্ৰথমাৱস্থাত মন্দিৰৰ দেৱদাসীসকলৰ দ্বাৰা এই নৃত্য পৰিবেশন কৰা হৈছিল। পাছলৈ এইবিধ নৃত্যই ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰি প্ৰচাৰ আৰু বিকাশ লাভ কৰে। দক্ষিণ কেৰালা প্ৰদেশৰ ৰজা স্বামী থীৰুনেল এই মোহিনীঅট্টম নৃত্যৰ প্ৰধান পৃষ্ঠপোষক আছিল। এইজনা ৰজাৰ দিনতে মোহিনীঅট্টম নৃত্য পৰিবেশনৰ উদ্দেশ্যে যথেষ্টসংখ্যক গীতি-নৃত্য-নাটিকা ৰচনা কৰা হয়। ১৯৩০ চনত মালায়ালম কবি ভাল্লাথলে 'কলামণ্ডলম' নামেৰে নৃত্য চৰ্চাৰ বিদ্যালয় স্থাপন কৰি মোহিনীঅট্টম নৃত্যৰ প্ৰচাৰত যথেষ্ট অৰিহণা যোগায়। এইবিধ নৃত্যত অভিনয় আৰু নৃত্য উভয়ৰে সংমিশ্ৰণ ঘটা দেখা যায়। এইবিধ নৃত্যত নৃত্যশিল্পীয়ে উজ্জ্বল সোণালী পটিবিশিষ্ট বগা শাৰী পৰিধান কৰে আৰু লয়লাস ভংগিমাৰে বিষ্ণুৰ গুণানুকীৰ্তন কৰে। এইবিধ নৃত্যৰ প্ৰধান ভংগিমা ৪০টা। 'হস্তলক্ষণদীপিকা' নামৰ ধ্ৰুপদী গ্ৰন্থৰ পৰা এই নৃত্যৰ বিভিন্ন মুদ্ৰাবোৰ গ্ৰহণ কৰা হৈছে। এইবিধ নৃত্যৰ কেইগৰাকীমান প্ৰসিদ্ধ নৃত্যশিল্পী হ'ল—সুনন্দা নায়াৰ, জয়াপ্ৰভা মেনন, গোপিকা বাৰ্মা, কে. কল্যানিকুট্টি আম্মা ইত্যাদি। এইসকল প্ৰসিদ্ধ শিল্পীৰ প্ৰচেষ্টাত ভাৰতবৰ্ষৰ কেৰালাৰ অন্যতম শাস্ত্ৰীয় নৃত্য মোহিনীঅট্টম সমগ্ৰ দেশতে জনপ্ৰিয় হৈ পৰে। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| গছৰ গুটি, বীজ | seed | চাকৰ, সেৱক | servant |
| পৃথক কৰা | segregate, separate | একাধিক | several |
| | | তীব্ৰ, অত্যন্ত | severe |
| বাজেয়াপ্ত কৰা, জব্দ কৰা | seize, confiscate | চিলাই কৰা | sew |
| | | অপৰিপাটি, জৰাজীৰ্ণ | shabby |
| | | ছাঁ পৰা ঠাই | shade |
| কাচিৎ, কেতিয়াবাহে | seldom, hardly | ছাঁ | shadow |
| অৰ্ধপৰিবাহী | semi-conductor | জোকাৰা, কঁপা | shake |
| অধ্যয়ন চক্ৰ | seminar | অস্থিৰ, লৰক-ফৰক | shaky |
| সংজ্ঞা, চেতনা | sense | তৰাং, বাম | shallow |
| চাঞ্চল্যকৰ, উত্তেজনাময় | sensational | লাজ | shame |
| বাস্তৱধৰ্মী | sensible | বাহ্যিক আকাৰ, আকৃতি | shape |
| আবেগ | sentiment, emotion | চোকা, তীক্ষ্ণ | sharp |
| | | ভেড়াৰখীয়া | shepherd |
| অনুক্ৰম | sequence | ঢাল, বৰ্ম | shield |
| পৰৱৰ্তী অংশ, ভাগ | sequel | মাছৰ জাক | shoal of fish |
| শান্ত আৰু নিৰ্মল | serene | দোকানী | shopkeeper ❖ |

## চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড’কু ২২৩ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | 8 | 6 | 3 | 7 | 1 | 2 | 5 | 4 |
| 7 | 4 | 1 | 5 | 6 | 2 | 3 | 8 | 9 |
| 2 | 5 | 3 | 4 | 9 | 8 | 6 | 7 | 1 |
| 5 | 9 | 8 | 2 | 1 | 3 | 7 | 4 | 6 |
| 1 | 6 | 7 | 9 | 4 | 5 | 8 | 3 | 2 |
| 4 | 3 | 2 | 7 | 8 | 6 | 1 | 9 | 5 |
| 6 | 2 | 9 | 8 | 5 | 7 | 4 | 1 | 3 |
| 8 | 1 | 4 | 6 | 3 | 9 | 5 | 2 | 7 |
| 3 | 7 | 5 | 1 | 2 | 4 | 9 | 6 | 8 |

### চুড’কু ২২৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | | | 1 | 4 | | | | |
| | | | | | | 9 | | |
| | | | 5 | | | | | |
| | | | 7 | | | | 4 | |
| | 9 | | | | | | | |
| | 8 | | | | 3 | 2 | | |
| | | | | | 8 | | | |
| | 3 | | | | 9 | 6 | | |
| | | | | | | | 5 | 1 |

## তোমালোকে জানানে?

### অট’গ্ৰাফ



অট’গ্ৰাফ (autograph) শব্দটো গ্ৰীক ভাষাৰ ‘অট’গ্ৰাফোছ (autographos) নামৰ শব্দটোৰ পৰা আহিছে। অট’গ্ৰাফ শব্দৰ অৰ্থ হ’ল ‘নিজৰ হাতৰ লিখা’ (own handwriting)। এজন মানুহৰ নিজৰ হাতৰ যিকোনো লেখাই অট’গ্ৰাফ যদিও সাধাৰণতে অট’গ্ৰাফ বুলিলে কোনো লোকৰ নিজে কৰা চহীকেই বুজোৱা হয়। বৰ্তমান সময়ত অৱশ্যে ‘বিখ্যাত ব্যক্তিৰ চহী’ বুজোৱাৰ বাবেহে অট’গ্ৰাফ শব্দটো সাধাৰণতে ব্যৱহাৰ হোৱা দেখা যায়।

মানুহৰ চহী বা অট’গ্ৰাফ সংগ্ৰহৰ নিচা বা চখ কেতিয়াৰ পৰা আৰম্ভ হ’ল তাক সঠিককৈ ক’ব নোৱাৰি। ষষ্ঠদশ শতিকাৰ আগভাগত জাৰ্মানীৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিখ্যাত লোকৰ চহী সংগ্ৰহ কৰাৰ এটা আমোদজনক চখ আছিল। সেই সময়ত তেওঁলোকৰ মাজত এই চখটো ইমানেই জনপ্ৰিয় হৈছিল যে ল’ৰা-ছোৱালীবোৰে জেপতে লৈ ফুৰিব পৰা এখন বিশেষ ধৰণৰ বহী (album) লগত ৰাখিছিল আৰু প্ৰয়োজন হ’লেই সেইখন উলিয়াই দিছিল। এই বহীবোৰক ‘এলবা এমিকোৰাম’ (alba amicorum) বোলা হৈছিল। ইংলণ্ডৰ বৃটিছ মিউজিয়ামত (British museum) এনে এলবামৰ বিশাল সংগ্ৰহ আছে। জাৰ্মানীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা এই চখ অতি সোনকালেই পৃথিৱীৰ নানা ঠাইলৈ বিয়পি পৰিল। আমাৰ দেশতো ঊনবিংশ শতিকাৰ মাজভাগৰ পৰাই মানুহৰ মাজত এই চখ বিয়পি পৰে। দৰাচলতে বিখ্যাত ব্যক্তিৰ সান্নিধ্য লাভ কৰি তেওঁলোকৰ নিজ হাতৰ লেখাৰ পৰশ স্মৰণীয় কৰি বান্ধি ৰখাৰ হেঁপাহতেই জন্ম অট’গ্ৰাফ সংগ্ৰহৰ ব্যৱস্থা। বিখ্যাত ব্যক্তিসকলৰ স্বাক্ষৰ বা চহীৰ মাজত তেওঁলোকৰ ব্যক্তিত্বৰো পৰিচয় পোৱা যায়। এনেবোৰ কাৰণতেই অট’গ্ৰাফ সংগ্ৰহ আজি সমগ্ৰ বিশ্বতেই অতি জনপ্ৰিয় ‘হবি’ (hobby) বা ‘চখ’। ❖

*উৎস : শান্তনু কৌশিক বৰুৱাৰ ‘কোনে কেতিয়া ক’ত কেনেকৈ কি আৱিষ্কাৰ কৰিছিল?’*

## মানসিক সামৰ্থ্য বিকাশ


■ ৰবীন্দ্ৰ বৰ্মন

**নিৰ্দেশনা :** তলৰ প্ৰশ্নসমূহত তিনিটাকৈ সমস্যা চিত্ৰ আৰু চতুৰ্থটোত এটা প্ৰশ্নবোধক চিহ্ন আছে। প্ৰথম দুটা চিত্ৰত যি ধৰণৰ সম্পৰ্ক আছে, তৃতীয় আৰু চতুৰ্থটোত সেই একে ধৰণৰ সম্পৰ্ক থাকিব। উত্তৰ চিত্ৰসমূহৰপৰা চতুৰ্থ চিত্ৰটো নিৰ্ণয় কৰিব লাগে।

1. সমস্যা চিত্ৰ :




উত্তৰ চিত্ৰ :




a) b) c) d)

2. সমস্যা চিত্ৰ :




উত্তৰ চিত্ৰ :




a) b) c) d)

3. সমস্যা চিত্ৰ :




উত্তৰ চিত্ৰ :



a) b) c) d)

উত্তৰ : 1. (b) 2. (b) 3. (b)

# উত্তৰ-পূব ভাৰতৰ সাম্প্ৰতিক অনাবৃষ্টি : গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিণতি

■ প্ৰকাশ দত্ত



এতিয়া শাওণ মাহ। পাঠ্যপুথিত আমি 'মাহবোৰৰ গীত' নামৰ কবিতাটোত পঢ়িছিলোঁ—'শাওণমহীয়া বৰষুণত সাধু শুনাই কাম'। অৰ্থাৎ শাওণ মাহত পৰ্য্যাপ্ত পৰিমাণে বৰষুণ হয়। কিন্তু এইবেলি শাওণ মাহতো অনাবৃষ্টিয়ে দেখা দিয়াত খৰাঙৰ লেখীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এতিয়া প্ৰশ্ন হ'ল খৰাংনো কি? বহুদিন ধৰি বৰষুণ নোহোৱা ঠাইবোৰত পুখুৰী, নদী, জলাশয় আদিৰ পানী শুকাই যায়, কোনো ধৰণৰ শস্য নগজে। প্ৰকৃতিৰ এনে অৱস্থাক খৰাং (draught) বোলে। বৰ্তমান সময়ত অসমৰ লগতে সমগ্ৰ উত্তৰ-পূব ভাৰততে অনাবৃষ্টিৰ ফলত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে।

অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ দৰে ৰাজ্যত মৌচুমী ঋতুত প্ৰতিবছৰে মুষলধাৰে বৰষুণ হয়। এই অঞ্চলৰ কৃষিজীৱী লোকে এই বৰষুণকে ভাৰসা কৰি ধান, চাহপাত আদিৰ খেতি কৰি দেশৰ অৰ্থনীতি টনকিয়াল কৰাত যথেষ্ট অৰিহণা যোগাই আহিছে। সাম্প্ৰতিক সময়ত হোৱা অনাবৃষ্টিৰ ফলত এই ৰাজ্যসমূহৰ খেতি-বাতি, জলবিদ্যুৎ প্ৰকল্প তথা জনসাধাৰণৰ কাম-কাজো ব্যাহত হৈছে। ভাৰতীয় বতৰবিজ্ঞান বিভাগে (Indian Meteorological Department) এই বছৰৰ মৌচুমী (monsoon) ঋতুৰ বিষয়ে দিয়া প্ৰতিবেদন অনুসৰি এই বছৰ উত্তৰ-পূৰ্বাঞ্চলত বৰষুণৰ পৰিমাণ কম হোৱা হেতুকে এই অঞ্চলৰ কৃষি, জলসম্পদ আৰু অৰ্থনীতি বিস্তৰ ক্ষতিসাধন হোৱাৰ সম্ভাৱনা আছে।

ভাৰতীয় বতৰবিজ্ঞান বিভাগে জনোৱা মতে এইবাৰ অসমত জুন মাহৰ পৰা ১ জুলাইলৈ মাত্ৰ ৩৯৪.৯ মিলিমিটাৰহে বৰষুণ হৈছে। বিগত বৰ্ষসমূহত এই সময়ছোৱাত অসমত বৰষুণৰ পৰিমাণ আছিল প্ৰায় ৬৫৩.৩ মিলিমিটাৰ। পূৰ্বৰ তুলনাত অসমত বৰষুণৰ পৰিমাণ এইবাৰ প্ৰায় ৪০% কম। বতৰবিজ্ঞানৰ মতে কোনো অঞ্চলত পূৰ্বতকৈ ১৯% বা তাতকৈ বেছি বৰষুণৰ পৰিমাণ কম হোৱাটো এক চিন্তনীয় বিষয়। সেইফালৰ পৰা চাবলৈ গ'লে অসমৰ বৰ্তমান পৰিস্থিতি সংকটজনক। অসমত কেইবাখনো জিলা, যেনে—বৰপেটা, বজালী, বঙাইগাঁও, মৰিগাঁও, নগাঁও, কামৰূপ, কামৰূপ মহানগৰ, নলবাৰী, বাক্সা, তামুলপুৰ, কোকৰাঝাৰ, ধুবুৰী, শোণিতপুৰ আৰু লখিমপুৰ জিলাত বৰ্তমান খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে।

অসমৰ কেইখনমান জিলাত বৰষুণৰ পৰিমাণ বৰ্ষাঋতুৰ প্ৰথমভাগত প্ৰায় ৬২-৭২% লৈ কমিছে। এই জিলাসমূহৰ ভিতৰত ডিব্ৰুগড়, গোলাঘাট, বাক্সা, বৰপেটা, বঙাইগাঁও, বজালী আৰু গোৱালপাৰাই অন্যতম। অনাবৃষ্টিৰ ফলত এই জিলাসমূহৰ খেতিপথাৰত বৃহৎ ফাট মেলা দেখা গৈছে। কৃষিবিজ্ঞানীসকলে জনোৱামতে জুলাই মাহলৈ থকা খৰাং বতৰে এই বছৰৰ কৃষি যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত কৰিব। অসমৰ অৰ্থনীতিৰ অন্যতম মাইলৰ খুঁটি চাহখেতি

বৰষুণৰ অভাৱ আৰু চোকা ৰ'দৰ তাপৰ বাবে ভাবুকিৰ সন্মুখীন হৈছে।

অসমৰ দৰে খৰাঙৰ সন্মুখীন হোৱা উত্তৰ-পূৰ্বাঞ্চলৰ আন এখন ৰাজ্য হ'ল মেঘালয়। আনকি পৃথিৱীৰ আটাইতকৈ বেছি বৰষুণ হোৱা ঠাই মৌছিনৰামতো এই বছৰ ৫৪%তকৈ কমকৈ বৰষুণ হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত ৰাজ্যখনৰ প্ৰাকৃতিক পানীৰ উৎস আৰু জলশক্তি প্ৰকল্পসমূহ ক্ষতিগ্ৰস্ত হৈছে। উদাহৰণস্বৰূপে, শ্বিলঙৰ সমীপৱৰ্তী ১৮০ মেগাৱাট ক্ষমতাসম্পন্ন উমিয়াম জলবিদ্যুৎ প্ৰকল্পই উৎপাদন কৰা বিদ্যুতৰ পৰিমাণ ক্ৰমান্বয়ে হ্ৰাস পাইছে। ইয়াৰ অন্যতম কাৰণ হ'ল অনাবৃষ্টিৰ বাবে হ্ৰাস পোৱা জলস্তৰ। উল্লেখনীয় যে অনাবৃষ্টিৰ বাবে মেঘালয়ৰ নদীসমূহৰ জলস্তৰ লক্ষ্যণীয়ভাৱে নিম্নগামী হৈছে।

উত্তৰ-পূৰ্বাঞ্চলৰ আন এখন ৰাজ্য অৰুণাচল প্ৰদেশতো এইবাৰ বৰষুণৰ পৰিমাণ ৪০% হ্ৰাস পাইছে। ইয়াৰ ফলত ঠায়ে ঠায়ে পানীৰ অভাৱ হোৱাৰ লগতে ৰাজ্যখনৰ কৃষি উৎপাদনৰ ক্ষেত্ৰতো ই এক প্ৰত্যাহ্বান হিচাপে থিয় দিছে। সেয়েহে অৰুণাচল প্ৰদেশৰ বিৰোধী পক্ষই ৰাজ্যখনক খৰাংপীড়িত ৰাজ্য হিচাপে ঘোষণা কৰাৰ দাবী উত্থাপন কৰিছে।

বতৰবিজ্ঞান বিভাগ আৰু কৃষি বিজ্ঞানীসকলৰ মতে উত্তৰ-পূৰ্বাঞ্চলত বৰষুণ কমকৈ হোৱাৰ ঘাই কাৰণ হ'ল গোলকীয় উষ্ণতাবৃদ্ধি আৰু জলবায়ু পৰিৱৰ্তন। এওঁলোকৰ মতে এনে পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ চৰকাৰে বিভিন্ন আঁচনি হাতত লোৱাৰ সময় সমাগত হৈছে। সেই আঁচনিসমূহৰ ভিতৰত জলসিঞ্চন ব্যৱস্থা উন্নত কৰা, পানী সংৰক্ষণৰ ব্যৱস্থা কৰা, খৰাং অঞ্চলত শস্যৰ বীজ ৰোপণৰ বিকল্প ব্যৱস্থাত গুৰুত্ব দিয়া আদিয়েই প্ৰধান হ'ব পাৰে। কৃষিবিজ্ঞানীসকলৰ লগতে চৰকাৰে কৃষকসকলক আৰ্থিক অনুদান দিয়া আৰু বিকল্প পানীযোগান আঁচনিৰ ব্যৱস্থা কৰাৰো মতপোষণ কৰিছে। ❖

# তোমালোকৰ বাবে প্ৰশ্ন, আগষ্ট, ২০২৫

১। Poverty and Un-British Rule in India - ১৯০১ চনত প্ৰকাশ পোৱা এই গ্ৰন্থখন কোনজন বিখ্যাত ভাৰতীয়ই লিখিছিল?

২। কনেৰু হাম্পী, আৰ বৈশালী, হৰিকা দ্ৰোনাভল্লিৰ সৈতে শেহতীয়াকৈ কাৰ নাম সংযোজিত হৈছে?

৩। চি ভি ৰমন আৰু এ পি জে আব্দুল কালামৰ পাছত ভাৰতৰত্ন সন্মান লাভ কৰা তৃতীয়গৰাকী বিজ্ঞানী কোন বাৰু?

৪। 'তাৰানা ই হিন্দ' নামেৰে পৰিচিত বিখ্যাত গীতটো প্ৰথমতে 'ইট্টেহাদ' নামৰ সাপ্তাহিক জাৰ্নালখনত প্ৰকাশ পাইছিল কবিতাৰ ৰূপত। কোনটো গীতৰ কথা কোৱা হৈছে বাৰু?


৫। ১৯৯৭ চনৰ ১ জানুৱাৰীত জিম্বাব'ৱে আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত ছিৰিজৰ দ্বিতীয়খন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচত কিহৰ ব্যৱহাৰ প্ৰথমবাৰলৈ কৰা হৈছিল? ❖

# কুইজৰ উত্তৰসমূহ

১। বেনাজিৰ ভুট্টো। (পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী) ২। নিভিয়া ৩। দৌল গোবিন্দ মন্দিৰ ৪। ড° লক্ষ্মীনন্দন বৰা ৫। ইজৰাইল ৬। সুৰেন্দ্ৰ নাথ বেনাৰ্জী ৭। প্ৰথম ভাৰতীয় চলচ্চিত্ৰ 'ৰাজা হৰিশ্চন্দ্ৰ' ৮। অনুভৱ তুলসী ৯। আচাৰ্য জে বি কৃপালিনী ১০। ভাৰতীয় অধিনায়ক হিচাপে অভিষেক টেষ্টত শতক অৰ্জন ১১। কদম কদম বঢ়ায়ে জা... ১২। উইং কমাণ্ডাৰ ১৩। লিয়েণ্ডাৰ পেজ ১৪। ডি ভিটামিন ১৫। মনোজ কুমাৰ ❖

# য়াৰলুং-চাংপো নদীবান্ধ

■ ডিম্পল তালুকদাৰ



নদীবান্ধ এনে এটা ব্যৱস্থা, যাৰ সহায়ত নদী এখনৰ প্ৰবাহিত পানীক প্ৰয়োজন অনুসৰি ধৰি ৰাখিব বা এৰি দিব পাৰি। এই পানীক প্ৰধানকৈ বিদ্যুৎ উৎপাদনৰ লগতে জলসিঞ্চন, বান নিয়ন্ত্ৰণ ইত্যাদি আনুষংগিক উদ্দেশ্যত ব্যৱহাৰ কৰা হয়। সমগ্ৰ পৃথিৱীজুৰি প্ৰায় ৩ লাখতকৈ অধিক নদীবান্ধ নিৰ্মাণ কৰা হৈছে। শেহতীয়াকৈ চীন দেশে তিব্বতত বিশ্বৰ সৰ্ববৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ বাবে নদীবান্ধ নিৰ্মাণকাৰ্য্য আৰম্ভ কৰিছে। চীন দেশৰ তিব্বত স্বায়ত্তশাসিত অঞ্চলৰ য়াৰলুং-চাংপো নদীত নিৰ্মাণ কৰা হ'ব বিশ্বৰ এই সৰ্ববৃহৎ নদীবান্ধটো। এই জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হৈ উঠিলে ই বৰ্তমানৰ বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ আৰু জলবিদ্যুৎ প্ৰকল্প দি থ্ৰী গৰ্জেছ ডেম (The Three Gorges Dam) জলবিদ্যুৎ প্ৰকল্পতকৈ তিনিগুণ অধিক শক্তিশালী হ'ব।

চীন দেশৰ জিনহুয়া (Xinhua) চৰকাৰী সংবাদ সংস্থাই প্ৰকাশ কৰা অনুসৰি যোৱা ১৯ জুলাই তাৰিখে প্ৰধানমন্ত্ৰী লি কিয়াঙে (Li Qiang) এই সৰ্ববৃহৎ নদীবান্ধটোৰ মূল মথাউৰিটো আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। উল্লেখ্য যে, চীনে কেইবা বছৰ ধৰি এই প্ৰকল্পৰ পৰিকল্পনা কৰি আছিল। দেশখনৰ কাৰ্বন নিৰপেক্ষতাৰ প্ৰতি লক্ষ্য ৰাখি তথা তিব্বত অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰতি গুৰুত্ব আৰোপ কৰি এই সৰ্ববৃহৎ নদীবান্ধ প্ৰকল্পটোৰ অনুমোদন জনোৱা হৈছিল। লগতে সংবাদ প্ৰতিষ্ঠানটোৱে ইয়াকো প্ৰকাশ কৰে যে, এই জলবিদুৎ প্ৰকল্পটোৰ পৰা লাভ কৰিবলগীয়া বিদ্যুৎশক্তি বিভিন্ন অঞ্চললৈ প্ৰেৰণ কৰাৰ লগতে ইয়াৰ জৰিয়তে তিব্বতৰ স্থানীয় শক্তিৰ প্ৰয়োজনীয়তাও পূৰণ কৰা হ'ব। তিব্বতৰ স্বায়ত্তশাসিত অঞ্চলৰ য়াৰলুং-চাংপো নদীত নিৰ্মাণ কৰিবলগীয়া এই সৰ্ববৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ বাবে বিনিয়োগ কৰিবলগীয়া মুঠ ধনৰ পৰিমাণ হৈছে ১ ট্ৰিলিয়ন ইউৱান (ইউৱান হৈছে চীন দেশৰ মুদ্ৰা) অৰ্থাৎ প্ৰায় ১১ লাখ কোটি টকা।

তিব্বতীয় মালভূমি পাৰ হৈ বৈ যোৱা য়াৰলুং-চাংপো নদীয়ে পৃথিৱীৰ ভিতৰত আটাইতকৈ গভীৰ গিৰিখাত সৃষ্টি কৰিছে আৰু ভাৰতত প্ৰবেশ কৰাৰ পূৰ্বে ৭,৬৬৭ মিটাৰ (২৫,১৫৪ ফুট) তললৈ নামি আহিছে। ভাৰতত এই চাংপোৱেই ব্ৰহ্মপুত্ৰ হিচাপে নাম সলাইছে। এই প্ৰকল্পটোৰ পৰা বছৰি প্ৰায় ৩০ হাজাৰ কোটি কিল'ৱাট ঘণ্টা বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি দাবী কৰা হৈছে। যিয়ে ৩০ কোটিতকৈও অধিক মানুহৰ বাৰ্ষিক চাহিদা পূৰণ কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। থ্ৰী গৰ্জেছ নদীবান্ধ বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ হিচাপে পৰিচিত। ইয়াৰ উৎপাদন ক্ষমতা প্ৰায় ৮৮০০ কোটি কিল'ৱাট। চীন দেশৰ হুবে প্ৰদেশৰ য়িলিং জিলাৰ ইয়াং-চি-কিয়া নদীৰ ওপৰত স্থাপন কৰা এই জলবিদ্যুৎ প্ৰকল্পই ২০১৪ চনত ৯৮.৮ টেৰাৱাট ঘণ্টা শক্তি উৎপাদন কৰি বিশ্ব ৰেকৰ্ড কৰিছিল। ইয়াৰ প্ৰতিটো টাৰ্বাইনৰ বিদ্যুৎ উৎপাদন ক্ষমতা প্ৰায় ৭০০ মেগাৱাট। ই বান্ধটোৰ ৩২টা

প্ৰধান টাৰ্বাইনৰ সৈতে দুটা ৫০ মেগাৱাটৰ সৰু টাৰ্বাইন যোগ কৰি বিদ্যুৎ উৎপাদন কৰিলে মুঠ বিদ্যুৎ উৎপাদনৰ ক্ষমতা হয়গৈ প্ৰায় ২২,৫০০ মেগাৱাট।

উল্লেখযোগ্য যে, চীনে প্ৰথমে ২০২০ চনতে এই জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ পৰিকল্পনা কৰিছিল। এই সৰ্ববৃহৎ প্ৰকল্পটোৱে ভাৰতৰ জল আৰু খাদ্য নিৰাপত্তাৰ ওপৰত প্ৰভাৱ পেলোৱাক লৈ উদ্বেগৰো সৃষ্টি হৈছিল। যদিও এই নদীবান্ধসমূহত নিৰ্মাণ কৰা জলবিদ্যুৎ প্ৰকল্পসমূহে যথেষ্ট পৰিমাণে বিদ্যুৎশক্তি উৎপাদন কৰি মানৱ সভ্যতাৰ কাৰণে এক আশীৰ্বাদ স্বৰূপে অভিহিত হৈছে, কিন্তু ইয়াৰ বহুতো ঋণাত্মক প্ৰভাৱো আছে। মানুহৰ বসতিস্থল আৰু পৰিবেশৰ ভাৰসাম্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ বাবে এই বৃহৎ নদীবান্ধ নিৰ্মাণৰ ধাৰণাটো উন্নয়নৰ পৰিপন্থী বুলিও বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰিবেশবিদসকলে বিশ্বৰ বহুকেইটা নদীবান্ধৰ ওপৰত কৰা বস্তুনিষ্ঠ গৱেষণাত প্ৰকাশ পাইছে। ফলত বিশ্বৰ উন্নত দেশসমূহৰ প্ৰায়বোৰতে বৃহৎ নদীবান্ধ নিৰ্মাণ নিষিদ্ধ। এইবোৰ দেশত সৰু সৰু নদীবান্ধ নিৰ্মাণৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰা হয়। কিন্তু আমাৰ দেশ ভাৰতত এতিয়াও বৃহৎ নদীবান্ধৰ কাম পূৰ্ণগতিত চলি আছে। আমাৰ অসমৰ ধেমাজি জিলাৰ গেৰুকামুখত সোৱণশিৰি নদীৰ ওপৰত নিৰ্মীয়মাণ বৃহৎ নদীবান্ধটো হ'ব ভাৰতৰ ভিতৰত বৰ্তমানলৈকে নিৰ্মিত সৰ্ববৃহৎ নদীবান্ধ যাৰ বিদ্যুৎ উৎপাদনৰ ক্ষমতা ২০০০ মেগাৱাট। বিশ্ব পৰিবেশবিদ সুন্দৰলাল বহুগুণাই এবাৰ বৃহৎ নদীবান্ধ সম্পৰ্কে কৰা প্ৰশ্নৰ উত্তৰত কৈছিল, "নদীৰ স্বাভাৱিক গতিক বাধাগ্ৰস্ত কৰাটো উচিত নহয়, কাৰণ নদী মানে কেৱল পানীখিনিয়েই নহয়, ইয়াৰ লগত জৈৱ-পৰিস্থিতিতন্ত্ৰটোও সাঙোৰ খাই আছে।" চীন দেশত নিৰ্মাণ কৰিবলগীয়া এই সৰ্ববৃহৎ জলবিদ্যুৎ প্ৰকল্প সন্দৰ্ভত ভাৰত চৰকাৰে উদ্বেগ প্ৰকাশ কৰে আৰু আমাৰ দেশৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে নিৰীক্ষণ আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সেই সময়তে চীনক ব্ৰহ্মপুত্ৰৰ লগত জড়িত ৰাজ্যসমূহৰ স্বাৰ্থ যাতে ইয়াৰ অঞ্চলৰ কাৰ্য্যকলাপৰ দ্বাৰা ক্ষতিগ্ৰস্ত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আহ্বান জনায়। ইয়াৰ প্ৰত্যুত্তৰত চীনে কৈছে যে ব্যাপক ভূতাত্ত্বিক অনুসন্ধান, উন্নত প্ৰযুক্তি আৰু বৈজ্ঞানিক গৱেষণাৰে, নিৰাপদ আৰু উচ্চ মানসম্পন্নভাৱে তৈয়াৰ কৰা হ'ব এই বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ। তেওঁলোকৰ মতে, এই প্ৰকল্পই সৌৰ আৰু বায়ু শক্তিৰ সম্পদৰ উন্নয়নকো উৎসাহিত কৰিব। কিছুসংখ্যকে শংকা প্ৰকাশ কৰিছে যে এই নদীবান্ধ সম্পূৰ্ণ হৈ উঠিলে অসমৰ লগতে বাংলাদেশৰো এক বৃহৎ অংশ মৰুভূমিলৈ ৰূপান্তৰ হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। অৱশ্যে চীনে দাবী কৰিছে যে এই নদীবান্ধে অসমৰ ৩২.৬ শতাংশ আৰু বাংলাদেশৰ ১৪.৮ শতাংশ বান সমস্যা হ্ৰাস কৰিব পাৰিব।


মানৱ সভ্যতা আৰু বিজ্ঞানৰ এনে জয়যাত্ৰাৰ ধামখুমীয়াত আমি বহনক্ষম উন্নয়নেৰে (sustainable development) প্ৰকৃতিক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিব লাগিব। ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন জীয়াই থাকিব পৰা পৃথিৱী বৰ্তাই ৰাখিবলৈ সকলোৱে চেষ্টা কৰিবই লাগিব। ❖

## তোমালোকে জানানে?

হীৰা এবিধ বৰণহীন, উজ্জ্বল, বহুমূলীয়া বাখৰ বা ৰত্ন। কোনো ৰত্ন বহুমূলীয়া বা দামী হোৱাৰ কাৰণ তিনিটা : সৌন্দৰ্য্য, স্থায়িত্ব আৰু দুষ্প্ৰাপ্যতা। এই তিনিওটা ক্ষেত্ৰত হীৰাৰ স্থান সকলো ৰত্নৰে শীৰ্ষত। হীৰাই একমাত্ৰ স্বচ্ছ আৰু বৰণহীন ৰত্ন, যাৰ দিপ্তী বা উজ্জ্বল তুলনাহীন। হীৰাৰ স্ফটিকৰ গঠন বিশেষ ধৰণৰ। ইয়াত পোহৰ পৰিলে ভিতৰত এই পোহৰৰ পুনঃ পুনঃ প্ৰতিফলন ঘটি অৱশেষত বাহিৰলৈ ওলাই আহে। সেয়েহে হীৰাক বৰ উজ্জ্বল দেখি। সেয়ে কোনো বস্তুৰ উজ্জ্বলতাৰ উপমা দিবলৈ হীৰাৰ দৰে উজ্জ্বল বা হীৰকোজ্জ্বল (adamantine) বুলি কোৱা হয়। সকলো ৰত্নৰ ভিতৰত হীৰা আটাইতকৈ কঠিন আৰু দীৰ্ঘস্থায়ী। ❖

*উৎস : শান্তনু কৌশিক বৰুৱাৰ 'কি ক'ত, কিয়, কোন আৰু কেতিয়া'।*

## শিক্ষাৰ্থীয়ে অঁকা ছবি



বাস্তৱ দাস, অষ্টম ক



কৃষ্টি দাস, চতুৰ্থ খ



হৰ্ষিত কলিতা, ষষ্ঠ ঘ



জিঞ্জুমণি দাস, ষষ্ঠ ক



শুভাংকৰ শইকীয়া, ষষ্ঠ খ



মনময়ূৰী মেধি, পঞ্চম খ



তৃষ্ণা বৰ্মন, ষষ্ঠ ঘ

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক চৰাই



অসম: দেওহাঁহ (White winged duck)




অৰুণাচল প্ৰদেশ: ৰাজ ধনেশ (Great Hornbill)



মেঘালয়: মইনা (Hill Maina)



মিজোৰাম: মিছেছ হিউমছ ফিজেণ্ট (Mrs Hume's pheasant)



নাগালেণ্ড: ব্লাইথছ ট্ৰেগ'পান (Blyth's Tragopan)



ছিকিম : কঁহুৱা চৰাই (Blood pheasant)